# লূকে লিখা শুভবাৰ্ত্তা

### যীচুৰ জীৱনৰ বিষয়ে লূকে লিখে

**১** ১মাননীয় থিয়ফিল:[a]

আমাৰ মাজত ঘটা ঘটনাৰ কথাবোৰৰ বিৱৰণ বহুতো লোকে লিখিবলৈ চেষ্টা কৰিছে। ২যি সকলে এই সকলো ঘটনা আৰম্ভনিৰে পৰা দেখিছিল, তেওঁলোকে ঈশ্বৰৰ বাৰ্তাসমূহ প্ৰচাৰ কৰি তেওঁৰ সেৱা কৰিছে। আমি তেওঁলোকৰ পৰাই এই সকলো ঘটনা জানিব পাৰিলো, আমি তেওঁলোকৰ পৰা যিখিনি জানিব পাৰিলো আৰু বাকী সকলে যি লিখিছিল সকলোখিনি মিলি আছে। ৩মই আৰম্ভণিৰে পৰা এই সকলোবোৰ বিষয়ৰ অধ্যয়ন সাৱধানে কৰিছো। সেয়েহে মই ভাৱিলো যে এই সকলোবোৰ ঘটনা ক্ৰমানুসাৰে লিখি ৰখাটো উচিত হ'ব। ৪মই এই বিৱৰণসমূহ লিখি আপোনাক জনাব বিছাৰিছো যে আপুনি যিখিনি জানিছিল সেই সকলোখিনি সত্য।

### এটা মহত জন্মৰ বিষয়ে স্বৰ্গদূতে জনোৱা

৫সেই সময়ত যিহুদিয়া প্ৰদেশত হেৰোদ[b] ৰজাই ৰাজত্ব কৰিছিল। তাতে জখৰিয়া নামৰ এজন যিহুদী পুৰোহিত আছিল। তেওঁ অবিয় দলৰ[c] আছিল আৰু তেওঁৰ ভাৰ্য্যা এলীজাবেথ হাৰোণৰ[d] বংশৰ আছিল। ৬তেওঁলোক দুয়োজন ঈশ্বৰৰ দৃষ্টিত ধাৰ্মিক লোক আছিল আৰু প্ৰভুৰ সকলো বিধান বিশ্বাসীভাৱে পালন কৰি আছিল। ৭কিন্তু তেওঁলোকৰ কোনো সন্তান নাছিল, কিয়নো এলীজাবেথ বন্ধ্যা আছিল আৰু তেওঁলোক দুয়ো অতি বৃদ্ধ আছিল।

৮সেই সময়ত জখৰিয়াৰ গোষ্ঠীয়ে মন্দিৰৰ সেৱা কৰিছিল। সেয়ে জখৰিয়াই ঈশ্বৰৰ মন্দিৰত পুৰোহিতৰ কাম কৰিছিল। ৯তেতিয়াৰ ৰীতি অনুসাৰে ঈশ্বৰৰ মন্দিৰৰ বেদীত ধূপ-ধূনা জ্বলাবৰ বাবে চিঠিখেলৰ জৰিয়তে পুৰোহিতৰ নিৰ্বাচন কৰিব লাগিছিল। সেইবাৰ জখৰিয়া নিৰ্বাচিত হোৱাত তেওঁ ধূপ-ধূনা জ্বলাবলৈ ভিতৰত সোমাল, ১০ধূপ-ধূনা জ্বলোৱাৰ সময়ত লোকসমূহে বাহিৰত একগোট হৈ প্ৰাৰ্থনা কৰি আছিল।

১১হঠাতে ধূপ-ধূনা জ্বলোৱা বেদীৰ সোঁ ফালে প্ৰভুৰ দূত এজনাই জখৰিয়াক দেখা দিলে। ১২যেতিয়া জখৰিয়াই দূতক দেখা পালে তেওঁ খুব আচৰিত হল আৰু ভয় খালে। ১৩তেতিয়া প্ৰভুৰ দূতে তেওঁক কলে, "জখৰিয়া ভয় নকৰিবা, তোমাৰ প্ৰাৰ্থনা শুনা হল, সেয়ে তোমাৰ ভাৰ্য্যা এলীজাবেথে এটি পুত্ৰ প্ৰসৱ কৰিব আৰু তুমি তেওঁৰ নাম যোহন থবা। ১৪তেওঁ তোমাৰ বাবে আনন্দ আৰু উল্লাস কঢ়িয়াই অনাৰ লগতে তেওঁৰ জন্মত অনেক লোক আনন্দিত হব। ১৫কিয়নো তেওঁ প্ৰভুৰ দৃষ্টিত মহান হব, তেওঁ দ্ৰাক্ষাৰস আৰু নিচাযুক্ত পানীয় দ্ৰব্য পান নকৰিব।আনকি জন্ম হোৱাৰ পূৰ্বেই তেওঁ গৰ্ভত থকা সময়ৰ পৰাই পবিত্ৰ আত্মাৰ দ্বাৰা পৰিপূৰ্ণ হব।

১৬"তেওঁ ইস্ৰায়েলী লোক সমূহক তেওঁলোকৰ প্ৰভু পৰমেশ্বৰলৈ মন ঘূৰোৱাব। ১৭যোহন প্ৰভুৰ আগে আগে যাব আৰু প্ৰভুৰ আগমনৰ বাবে লোকসমূহক প্ৰস্তুত কৰিব। যি আত্মাই এলিয়াক[e] শক্তি দিছিল, সেই একে আত্মাই যোহনকো শক্তি দিব। তেওঁ পিতৃ-মাতৃ আৰু সন্তান সকলৰ মাজলৈ শান্তি ঘূৰাই আনিব। আৰু অবাধ্য বিলাকক নিজকে সলনি কৰি ধাৰ্মিক বিলাকৰ নিচিনাকৈ সত চিন্তা কৰিবলৈ শিকাব। প্ৰভুৰ কাৰনে এটা জাতি প্ৰস্তুত কৰিবলৈ এই সকলোবোৰ তেওঁ কৰিব।"

১৮তেতিয়া জখৰিয়াই প্ৰভুৰ দূতক কলে, "মই এজন বৃদ্ধ লোক আৰু মোৰ ভাৰ্য্যাও বৃদ্ধা হৈছে, এনেস্থলত মই কেনেকৈ জানিম যে এই কথাষাৰ সত্য বুলি?"

১৯তেতিয়া প্ৰভুৰ দূতে জখৰিয়াক কলে, "মই গাব্ৰিয়েল, ঈশ্বৰৰ সন্মূখত তেওঁৰ সেৱকৰ দৰেময়েই সদায় থিয় থাকো, তোমাক জনাবলৈ আৰু এই সু-সংবাদ দিবলৈ ঈশ্বৰেই মোক তোমাৰ ওচৰলৈ পঠাইছে, ২০কিন্তু চোৱা! তুমি মোৰ কথাত বিশ্বাস নকৰাৰ বাবে এই কথা সিদ্ধ নোহোৱা পৰ্য্যন্ত তুমি বোবা হৈ থাকিবা।"

২১লোকসমূহে তেতিয়াও বাহিৰত জখৰিয়ালৈ অপেক্ষা কৰি আছিল। আৰু তেওঁ মন্দিৰত পলম কৰি থকাৰ বাবে লোকসমূহ আচৰিত হৈছিল। ২২পাচে তেওঁ ওলাই আহিলত তেওঁ মানুহবিলাকক কথা কব নোৱাৰিলে। তেতিয়া লোকসমূহে তেওঁ মন্দিৰত কিবা দৰ্শন পালে বুলি বুজি পালে, তেওঁ লোকবিলাকক আকাৰে ইংগিতে বুজাবলৈ চেষ্টা কৰিলে কিন্তু তেওঁ বোবা হৈ থাকিল।

[a] **১:১ থিয়ফিল** সম্ভৱত তেওঁ একৰাকী ধনী পৃষ্ঠপোষক আছিল। তেওঁ লূকৰ লিখনিৰ আঁচনিলৈ সাহায্য দিছিল। লূকে তেওঁৰ লিখনিসমূহ তেওঁলৈ উৎসৰ্গা কৰিছিল, কিন্তু আনে পঢ়ালৈ বিচাৰিছিল। থিয়ফিল নামৰ অৰ্থ হৈছে "ঈশ্বৰৰ প্ৰেমিক।"

[b] **১:৫ হেৰোদ** যিহূদীয়াৰ ১ম হেৰোদ (মহান জনা) খৃ. পূ. ৪০-খৃ. পূ. ৪লৈ।

[c] **১:৫ অবিয় দলৰ** ইহুদী পুৰোহিত সকলক ২৪টা দলত ভাগ কৰা হৈছিল। পাল অনুসাৰে তেওঁলোকে যিৰুচালেম মন্দিৰত পৰিচৰ্য্যাৰ কাৰ্য্য কৰিছিল। প্ৰতিটো দলে এসপ্তাহৰ বাবে পৰিচৰ্য্যা কৰিছিল। বছৰত দুবাৰকৈ তেওঁলোকৰ পাল পৰিছিল। (১ম বংশাৱলী ২৪ অধ্যায়।)

[d] **১:৫ হাৰোন** মোচিৰ ভায়েক, যি জনক ইস্ৰায়েলৰ প্ৰথম মহাপুৰোহিত স্বৰূপে মনোনীত কৰা হৈছিল।

[e] **১:১৭ এলীয়া** খৃ. পূ. ৮৫০ থকা এগৰাকী ভাৱবাদী।

২৩আৰু মন্দিৰৰ পৰিচৰ্য্যাৰ কাৰ্য্য শেষ হলত তেওঁ নিজৰ
ঘৰলৈ উভতি গল।
২৪কিছুদিনৰ পাছত তেওঁৰ ভাৰ্য্যা এলীজাবেথে গৰ্ভৱতী
হল, আৰু পাঁচ মাহলৈকে তেওঁ ঘৰৰ বাহিৰলৈ নোলাল,
আৰু তেওঁ কলে, ২৫“অৱশেষত প্ৰভুৱে মোক দয়া কৰিলে,
সমাজত মোৰ অপযশ[a] দূৰ কৰি মোক ৰক্ষা কৰিলে।”

## যীচুৰ জন্মৰ বিষয়ে স্বৰ্গদূতে জনোৱা

২৬–২৭এলীজাবেথে গৰ্ভধাৰন কৰা ষষ্ঠ মাহত, গালীল
প্ৰদেশৰ নাচৰত নগৰলৈ ঈশ্বৰৰ দ্বাৰা গাব্ৰিয়েল দূতক
এজনী কুমাৰীৰ ওচৰলৈ পঠিওৱা হল, তেওঁৰ যোচেফ
নামৰ ব্যক্তি এজনৰ লগত জোৰণ হৈছিল। তেওঁ দায়ূদৰ
বংশৰ আছিল, আৰু কুমাৰী জনীৰ নাম মৰিয়ম আছিল।
২৮গাব্ৰিয়েলে তেওঁৰ ওচৰলৈ আহি কলে, “হে অনুগ্ৰহ
পোৱা কন্যা, তোমাৰ মঙ্গল হওক; প্ৰভু তোমাৰ লগত
আছে।”
২৯দূতৰ কথাত তেওঁ বিপাঙত পৰিল আৰু এই শুভেচ্ছাৰ
অৰ্থ নো কি হব পাৰে? বুলি চিন্তা কৰিবলৈ ধৰিলে,
৩০তেতিয়া স্বৰ্গদূতে মাত লগাই কলে, “হে মৰিয়ম
ভয় নকৰিবা কিয়নো তুমি ঈশ্বৰৰ পৰা মহা অনুগ্ৰহ পালা।
৩১শুনা! তুমি গৰ্ভৱতী হৈ এটি পুত্ৰ প্ৰসৱ কৰিবা আৰু তুমি
তেওঁৰ নাম যীচু থবা। ৩২তেওঁ মহান হব আৰু সৰ্ব্বোপৰি
ঈশ্বৰৰ পুত্ৰ প্ৰখ্যাত হব আৰু প্ৰভু ঈশ্বৰে তেওঁক ওপৰ পিতৃ
দায়ূদৰ কৰিব। ৩৩তেওঁ যাকোবৰ বংশৰ ওপৰত চিৰকাল
ৰাজত্ব কৰিব আৰু তেওঁৰ ৰাজ্যৰ কেতিয়াও পতন নঘটিব।”
৩৪তেতিয়া মৰিয়মে দূতক কলে, “এইটো কথা কেনেকৈ
সত্য হব পাৰে? কিয়নো মই এগৰাকী কুমাৰী।”
৩৫স্বৰ্গদূতে মৰিয়মক কলে, “পবিত্ৰ আত্মা তোমাৰ
ওপৰলৈ আহিব আৰু সৰ্ব্বোপৰি ঈশ্বৰৰ শক্তিয়ে তোমাক
ছাঁ দি ঢাকি ধৰিব।[b] সেয়ে যি পবিত্ৰ সন্তান জন্ম হব তেওঁক
ঈশ্বৰৰ পুত্ৰ বোলা হব। ৩৬আৰু শুনা তোমালৈ আৰু এটি
বাৰ্তা আছে! তোমাৰ আত্মীয় এলীজাবেথ বয়োজেষ্ঠ হোৱা
স্বত্তেও গৰ্ভৱতী, তেওঁৰ গৰ্ভত এটি পুত্ৰ সন্তান আছে; তেওঁ
গৰ্ভধাৰণ কৰা এতিয়া ছমাহ হৈছে। তেওঁক বহুতেই বন্ধ্যা
বুলিছিল। ৩৭কিন্তু ঈশ্বৰৰ অসাধ্য একো নাই।”
৩৮মৰিয়মে কলে, “মই প্ৰভুৰ দাসী আপুনি কোৱাৰ দৰেই
হওক।” তেতিয়া স্বৰ্গদূতে তেওঁক এৰি গুচি গল।

## মৰিয়ম এলীজাবেথৰ ওচৰলৈ যোৱা

৩৯কিছু সময়ৰ পাচতেই মৰিয়মে সাজু হৈ ততাতৈযাকৈ
যিহূদীয়া প্ৰদেশৰ পৰ্ব্বতীয়া অঞ্চলৰ এখন নগৰলৈ গল।
৪০তাত তেওঁ জখৰিয়াৰ ঘৰলৈ গৈ এলীজাবেথক শুভেচ্ছা
জনালে। ৪১এলীজাবেথে মৰিয়মৰ শুভেচ্ছা শুনাৰ লগে
লগে তেওঁৰ গৰ্ভত থকা কেচুৱাটি নাচি উঠিল, আৰু
এলীজাবেথ পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হ'ল
৪২তেওঁ উচ্চ স্বৰেৰে মৰিয়মক কবলৈ ধৰিলে, “সকলো
নাৰীৰ মাজত তুমি ধন্যা। ৪৩তুমি মোৰ প্ৰভুৰ মাতৃ হৈও
মোৰ ঘৰলৈ আহিছা, মোৰ এই সৌভাগ্য কৰ পৰা হল?
৪৪কিয়নো তোমাৰ শুভেচ্ছা শুনাৰ লগে লগে মোৰ গৰ্ভত
থকা কেচুৱাটি আনন্দত নাচি উঠিল। ৪৫প্ৰভুৱে তোমাক
জনোৱা বাক্য সিদ্ধ হব বুলি বিশ্বাস কৰাৰ বাবে তুমি ধন্যা।”[c]

## মৰিয়মে ঈশ্বৰৰ প্ৰশংসা কৰে

৪৬তেতিয়া মৰিয়মে কলে,

“মোৰ আত্মাই প্ৰভুৰ প্ৰশংসা কৰিছে।
৪৭ মই খুৱেই আনন্দিত কাৰণ ঈশ্বৰ মোৰ ত্ৰাণকৰ্ত্তা।
৪৮ মই মাত্ৰ তেওঁৰ এগৰাকী সাধাৰণ দাসী
কিন্তু তেওঁ মোক মনত ৰাখিলে।
এই সময়ৰ পৰাই প্ৰত্যেক বংশই সোঁৱৰিব
যে ঈশ্বৰে মোক কিমান আশীৰ্ব্বাদ কৰিলে।
৪৯ হয়, পৰাক্ৰমী ঈশ্বৰে মোলৈ মহত্ কৰ্ম্ম কৰিলে।
তেওঁৰ নাম পবিত্ৰ।
৫০ যিবিলাকে তেওঁক ভয়-ভক্তি কৰি আৰাধনা কৰে
তেওঁ যুগে যুগে তেওঁলোকক দয়া কৰে।
৫১ তেওঁ নিজ বাহুবলেৰে অহঙ্কাৰী বিলাকক
তেওঁলোকৰ সকলো পৰিকল্পনাৰে সৈতে ছিন্ন-
ভিন্ন কৰিলে।
৫২ তেওঁ শাসনকৰ্তা সকলক তেওঁলোকৰ সিংহাসনৰ পৰা
নমাই আনিলে
আৰু নম্ৰ বিলাকক উচ্চ স্থানলৈ তুলিলে।
৫৩ তেওঁ ভোকাতুৰ সকলক উত্তম বস্তুৰে তৃপ্ত কৰালে
আৰু ধনৱান বিলাকক শুদা হাতে পঠিয়াই দিলে।
৫৪ পুনৰায় ঈশ্বৰে ইশ্ৰায়েলক সহায় কৰিলে-যি
লোকসমূহক তেওঁৰ সেৱাৰ বাবে মনোনীত
কৰিছিল
৫৫ আমাৰ পূৰ্ব্বপুৰুষ সকললৈ কৰা প্ৰতিজ্ঞা অনুসাৰে
তেওঁ আব্ৰাহাম আৰু তেওঁৰ বংশধৰ সকললৈ
চিৰকাল দয়া প্ৰকাশ কৰিবলৈ সোঁৱৰণ
কৰিলে।”

৫৬মৰিয়মে প্ৰায় তিনিমাহ এলীজাবেথৰ লগত থাকি
পিচত নিজৰ ঘৰলৈ উভতি গল।

[a] **১:২৫ অপযশ** সন্তানসকলক যিদৰে পিতৃ-মাতৃলৈ সন্মান কঢ়িয়াই অনা ঈশ্বৰৰ পৰা পোৱা আশীৰ্ব্বাদ বুলি বিবেচনা কৰা হয়, ঠিক সেইদৰে সন্তান জন্ম দিব নোৱাৰাটোক ঈশ্বৰৰ অনুগ্ৰহ নোপোৱা বা ঈশ্বৰৰ শাস্তি বুলি বিবেচনা কৰা হৈছিল। ই বিশেষকৈ মহিলাসকললৈ অপযশ আনিছিল।

[b] **১:৩৫ ছাঁ দি ধৰিব** ছাঁ দি ধৰা ক্ৰিয়া যীচু পৰ্ব্বতত আনৰূপ ধৰা সময়ত পৰ্ব্বতত ডাৱৰে ছাঁ দি ধৰিছিল (৯:৩৪) এই শব্দ পুৰনি নিয়মত ঈশ্বৰৰ উপস্থিতি পবিত্ৰ তম্বুৰ ওপৰত স্থিতি হোৱা ব্যৱহাৰ হৈছে, আৰু সদ্যহতে ঈশ্বৰৰ নিৰাপত্তা দিয়া উপস্থিতিত অধিককৈ ব্যৱহাৰ হৈছে।

[c] **1:45 তুমি সঁচাকৈ সন্মান পোৱাৰ যোগ্য** কাৰন প্ৰভুয়ে যি সকলো ঘটিব বুলি কোৱা কথা বিশ্বাস কৰিলা।

## যোহন বাপ্তাজকৰ জন্ম

৫৭পাছত এলীজাবেথৰ প্ৰসৱৰ সময় হোৱাত তেওঁৰ এটি
পুত্ৰ সন্তান জন্ম দিলে। ৫৮তেওঁৰ ওচৰ চুবুৰীয়া আৰু আত্মীয়
স্বজনে প্ৰভুৱে তেওঁৰ প্ৰতি মহা-অনুগ্ৰহ কৰা বুলি জানি
তেওঁৰে সৈতে আনন্দ কৰিলে।
৫৯জন্মৰ অষ্টম দিনৰ দিনা, শিশুটি চুনত্ কৰিবলৈ
লোকসমূহ আহিল। তেওঁলোকে দেউতাকৰ নাম অনুসৰি
তেওঁৰো নাম জখৰিয়া থব খুজিছিল। ৬০কিন্তু তেওঁৰ মাকে
কলে, "নহয় তেওঁৰ নাম যোহন হে ৰখা হব।"
৬১তেতিয়া তেওঁলোকে তেওঁক কলে, "তোমাৰ বংশত এই
নামৰ কোনো মানুহ নাই।" ৬২তেতিয়া তেওঁলোকে দেউতাকক
সংকেত দি সুধিলে তেওঁ কি নাম দিবলৈ ইচ্ছা কৰে;
৬৩জখৰিয়াই লিখিবলৈ এখন ফলি বিচাৰিলে আৰু লিখিলে
"এওঁৰ নাম যোহন।" তেতিয়া সকলোৱে বিস্ময় মানিলে।
৬৪তেতিয়াই তেওঁৰ জিভাৰ বান্ধ মুকলি হোৱাত তেওঁ কথা
কবলৈ ধৰিলে আৰু ঈশ্বৰৰ প্ৰশংসা কৰিবলৈ ধৰিলে। ৬৫এই
সকলো দেখি ওচৰ চুবুৰীয়া সকলোৱে বিস্ময় মানিলে আৰু
গোটেই যিহুদীয়াৰ পৰ্ব্বতীয়া অঞ্চলৰ লোক সমূহে এই বিষয়ে
আলোচনা কৰিবলৈ ধৰিলে। ৬৬যিসকলে এই বিষয়ে শুনিলে
সকলোৱে বিস্ময় মানি কবলৈ ধৰিলে, "এই লৰাটি ডাঙৰ হলে
কি হব?" কাৰণ প্ৰভুৰ শক্তি তেওঁৰ ওপৰত আছে।

## জখৰিয়াই প্ৰভুৰ প্ৰশংসা কৰা

৬৭তেতিয়া তেওঁৰ (যোহনৰ) পিতৃ জখৰিয়াই পবিত্ৰ
আত্মাৰে পৰিপূৰ্ণ হৈ ভৱিষত্বাণী কৰিলে বোলে:

৬৮ "ইস্ৰায়েলৰ প্ৰভু ঈশ্বৰৰ ধন্য হওক
কিয়নো তেওঁ নিজ লোকক সহায় কৰিবলৈ আহিল
আৰু তেওঁলোকক মুক্ত কৰালে।
৬৯ তেওঁ তেওঁৰ দাস দায়ূদৰ বংশৰ পৰা
আমাৰ বাবে এজন পৰাক্ৰমী ত্ৰাণকৰ্তা পঠালে।
৭০ তেওঁ এই বিষয়ে পবিত্ৰ ভাৱবাদী সকলৰ দ্বাৰা
বহু বছৰ পূৰ্বেই প্ৰতিশ্ৰুতি দিছিল।
৭১ তেওঁ আমাক শত্ৰু বোৰৰ পৰা আৰু আমাক ঘিণ কৰা
সকলৰ পৰা ৰক্ষা কৰিব বুলি প্ৰতিজ্ঞা কৰিছিল।
৭২ তেওঁ আমাৰ পূৰ্ব-পুৰুষ সকলৰ প্ৰতি দয়া দেখুৱাব
আৰু তেওঁলোকৰে সৈতে কৰা পবিত্ৰ চুক্তি
সোঁৱৰণ কৰিব বুলি কৈছিল।
৭৩ এই প্ৰতিজ্ঞা আমাৰ আদিপিতৃ আব্ৰাহামৰ লগত কৰিছিল।
৭৪ এই প্ৰতিজ্ঞা হৈছে, আমাক আমাৰ শত্ৰুৰ হাতৰ পৰা
উদ্ধাৰ কৰা
যাতে আমি নিসংশয়ে তেওঁৰ সেৱা কৰিব পাৰো।
৭৫ আমাৰ জীৱনৰ দিন বোৰত তেওঁৰ আগত পবিত্ৰ আৰু
ধাৰ্মিক হৈ থাকিব পাৰো।

৭৬ "হে কণমানি শিশুটি, তুনি সৰ্বোপৰি ঈশ্বৰৰ ভাৱবাদী
বুলি প্ৰখ্যাত হবা।
কিয়নো তুমি প্ৰভুৰ আগে আগে গৈ প্ৰভুৰ পথ
যুগুত কৰিবা।
৭৭ আৰু তেওঁবিলাকক কবা যে ক্ষমাৰ দ্বাৰাই
পাপৰ পৰা তেওঁলোকৰ উদ্ধাৰ হব।

৭৮ "আমাৰ ঈশ্বৰৰ মৰমৰ অনুগ্ৰহৰ কাৰনে
আমাৰ ওপৰত স্বৰ্গৰ পৰা এটা নতুন দিন[a] উদয়
হব।
৭৯ ইয়ে মৃত্যু মুখৰ অন্ধকাৰত নিবাস কৰা সকলক দ্বীপ্তি দিব
আৰু আমাক শান্তিৰ পথত চলিবলৈ শিকাব।"

৮০লৰাটি যেতিয়া ক্ৰমান্বয়ে বাঢ়ি আহিল তেতিয়া আত্মাত
বলৱান হৈ উঠিল। ইস্ৰায়েলী লোকসকলৰ আগত ঈশ্বৰৰ
বাৰ্তা প্ৰকাশ কৰাৰ আগতে তেওঁ নিৰ্জন ঠাইত বাস কৰিব
ধৰিলে।

## যীচুৰ জন্ম

*(মথি ১:১৮–২৫)*

২ ১সেই সময়ত আগষ্ট কৈচৰে[b] গোটেই ৰোমান
সাম্ৰাজ্যৰ সকলো নাগৰিকৰ নাম পিয়লৰ বাবে
আদেশ জাৰি কৰিলে। ২চিৰিয়া দেশৰ কুৰিনীয়ৰ দিনত
এয়ে প্ৰথম পিয়ল হৈছিল। ৩সেই কাৰণে লোকসমূহে নাম
প্ৰ্জীয়ন কৰিবলৈ নিজৰ নিজৰ নগৰলৈ গৈছিল।
৪যোচেফেও দায়ূদৰ বংশৰ হোৱা হেতুকে গালীলৰ নাচৰত
নগৰৰ পৰা দায়ূদৰ নগৰ যিহুদীয়াৰ বৈৎলেহেম নগৰলৈ যাব
লগীয়া হ'ল। ৫তেওঁ তেওঁলৈ বাগদান কৰা গৰ্ভৱতী মৰিয়মক
লৈ তালিকাভূক্ত হবলৈ গল। ৬তেওঁলোক তাতে থাকোতেই
মৰিয়মৰ প্ৰসৱৰ কাল পূৰ হল ৭আৰু তাই (মৰিয়ম) তাইৰ
প্ৰথম পুত্ৰক জন্ম দিলে। আৰু শিশুটিক কাপোৰেৰে মেৰিয়াই
দানা পাত্ৰত শুৱাই থলে এইটো ঘৰৰে এটা ভাগ আছিল যত
পোহনীয়া জন্তুবিলাকক ৰাতি ৰখা হৈছিল। কিয়নো আলহী
ঘৰত তেওঁলোকৰ বাবে থকিবলৈ যথেষ্ট ঠাই নাছিল।

## কেইগৰাকীমান মেৰৰখীয়াই যীচুৰ বিষয়ে শুণা

৮সেই ৰাতি বৈৎলেহেমৰ ওচৰৰ পথাৰত কেই গৰাকীমান
মেৰ-ৰখীয়াই নিজৰ নিজৰ মেৰ-জাকবোৰ পহৰা দি
আছিল। ৯তেতিয়া প্ৰভুৰ দূতে তেওঁলোকৰ সন্মূখত
দেখা দিলে আৰু মেৰ-ৰখীয়াবিলাকৰ চাৰিওফালে প্ৰভুৰ
মহিমা প্ৰকাশিত হল। তেতিয়া তেওঁলোকৰ অতিশয় ভয়
লাগিল। ১০স্বৰ্গদূতে তেওঁলোকক কলে, "ভয় নকৰিবা, মই
তোমালোকলৈ সু-সংবাদ আনিছোঁ যি সংবাদে ইস্ৰায়েলৰ
সকলোলৈকে মহা-আনন্দ কঢ়িয়াই আনিব। ১১কিয়নো

[a] **১:৭৮ নতুন দিন** আক্ষৰিক ভাবে তললৈ,ইয়াত চিহ্ন হিচাৰে ব্যৱহাৰ কৰা হৈছে, সম্ভৱত প্ৰভুৰ মচীহক বুজাবলৈ।

[b] **২:১ কৈচৰ** ৰোমৰ সম্ৰাটক (শাসনকৰ্ত্তা) দি এক নাম বা উপাধি। সম্ৰাট আগষ্ট খৃ. পূ. ৩১ খৃষ্টাব্দ ১৪ লৈ তেওঁ সম্ৰাট আছিল।

আজি দায়ূদৰ নগৰত তোমালোকৰ নিমিত্তে ত্ৰাণকৰ্তা
জন্মিল, তেওঁৱেঁই প্ৰভু খ্ৰীষ্ট। ১২তোমালোকে তেওঁক
চিনি পোৱাৰ চিন হব, তোমালোকে শিশুটিক কাপোৰেৰে
মেৰিয়াই ঘৰৰ দানা পাত্ৰত শুৱাই থোৱা দেখা পাবা।”
১৩সেই সময়তে হঠাৎ স্বৰ্গদূতৰ এক বৃহৎ দলে সেই
দূতৰ লগ ললে। আৰু তেওঁলোকে আটায়ে ঈশ্বৰৰ মহিমা
আৰু প্ৰশংসা কৰি কলে,

১৪ “স্বৰ্গত ঈশ্বৰৰ মহিমা
আৰু পৃথিৱীত তেওঁৰ প্ৰীতিৰ পাত্ৰ লোকবিলাকৰ
মাজত শান্তি হওক।”

১৫তাৰ পাচত স্বৰ্গদূত বিলাকে তেওঁলোকক এৰি স্বৰ্গলৈ
গ’ল। তেতিয়া মেৰ-ৰখীয়া বিলাকে ইজনে সিজনক কলে,
“বলা আমি বৈৎলেহেমলৈ যাওঁ আৰু প্ৰভুৱে আমাক
জনোৱা ঘটনাটি চাওঁহক।”
১৬সেয়ে তেওঁলোকে লৰা-লৰিকৈ গৈ মৰিয়ম আৰু
যোচেফক লগ পালে আৰু শিশুটি ঘৰৰ দানা পাত্ৰত শুৱাই
থোৱা দেখা পালে। ১৭যেতিয়া মেৰ-ৰখীয়া বিলাকে এই
সকলো দেখা পালে, শিশুটিৰ বিষয়ে স্বৰ্গদূতে জনোৱা
সকলোবোৰ কথা তেওঁলোকক জনাই দিলে। ১৮যি সকলে
মেৰ-ৰখীয়া বিলাকৰ কথা শুনিলে তেওঁলোকে সকলোৱে
আচৰিত হল। ১৯কিন্তু মৰিয়মে এই সকলোবোৰ কথা
অবিৰামে চিন্তা কৰি বুজিবলৈ চেষ্টা কৰিব ধৰিলে। ২০মেৰ-
ৰখীয়া বিলাকে স্বৰ্গদূতে যেনেকৈ জনাইছিল তেনেদৰে
সকলো দেখিলে আৰু শুনিলে আৰু ঈশ্বৰৰ প্ৰশংসা কৰি
নিজৰ নিজৰ মেৰ বিলাকৰ ওচৰলৈ গুচি গল। স্বৰ্গদূতে
যেনেকৈ জনাইছিল সকলোবিলাক ঠিক সেইদৰে ঘটিল।
২১জন্মৰ আঠ দিনৰ পাছত লৰাটি চুন্নত[a] কৰা সময়ত
তেওঁৰ নাম যীচু ৰাখিলে। তেওঁ মাকৰ গৰ্ভত স্থিতি হোৱাৰ
পূৰ্বেই স্বৰ্গদূতৰ দ্বাৰাই এই নাম দিয়া হৈছিল।

## যীচুক মন্দিৰলৈ অনা

২২মোচিৰ বিধান অনুসৰি যেতিয়া তেওঁলোকৰ শুচিকৰণৰ
সময় আহিল, তেওঁলোকে (যীচুক) প্ৰভুক লৈ উৎসৰ্গ
কৰিবলৈ জেৰুচালেমলৈ নিলে। ২৩তেওঁলোকে এইবোৰ
কৰিছিল কাৰণ প্ৰভুৰ বিধানত লিখা আছিল যে যদিহে
তিৰোতাৰ প্ৰথম সন্তান লৰা হয় তেন্তে সেই পুত্ৰক
ঈশ্বৰলৈ উতচ্ছৰ্গা বুলি গণ্য কৰা হব। ২৪আৰু প্ৰভুৰ বিধানত
এইবুলিও কোৱা হৈছিল যে, “তুমি এযোৰ কপৌ বা এযোৰ
পাৰ চৰাই উৎসৰ্গ কৰিব লাগিব।”[b] সেয়ে যোচেফ আৰু
মৰিয়মে বিধানৰ মতে বলিদান উৎসৰ্গ কৰিলে।

## চিমিয়োনে যীচুক দেখা

২৫জেৰুচালেমত চিমিয়োণ নামেৰে এগৰাকী ধাৰ্মিক আৰু
ঈশ্বৰ ভক্ত লোক আছিল। আৰু তেওঁ ইস্ৰায়েলৰ যাতনাৰ
পৰা মুক্ত হবৰ বাবে বাট চাই আছিল, আৰু পবিত্ৰ আত্মা
তেওঁৰ লগত আছিল। ২৬আৰু পবিত্ৰ আত্মাৰ দ্বাৰা তেওঁক
জনোৱা হৈছিল যে প্ৰভুৰ অঙ্গীকৃত খ্ৰীষ্টক নেদেখালৈকে
তেওঁ মৃত্যুবৰণ নকৰিব। ২৭আত্মাৰ পৰিছালনাত সেইদিনা
চিমিয়োন মন্দিৰলৈ সোমাই আহিল। আৰু বিধানৰ ৰীতি-
অনুসাৰে মাক-দেউতাকে যীচুক মন্দিৰলৈ লৈ অহাৰ
সময়ত তেওঁ মন্দিৰতে আছিল। ২৮তেতিয়া চিমিয়োনে
যীচুক কোলাত লৈ ঈশ্বৰৰ প্ৰশংসা কৰি কলে,

২৯ “হে প্ৰভু আপুনি প্ৰতিজ্ঞা পালন কৰিলে।
এতিয়া মই আপোনাৰ সেৱকে কুশলে পৃথিৱীৰ
পৰা বিদাই লব পাৰিম।
৩০ কিয়নো মই নিজ চকুৰে দেখা পালো।
আপুনি কেনেকৈ আপোনাৰ লোকসমূহক পৰিত্ৰান
কৰিব।
৩১ এতিয়া জাতিবিলাকে আপোনাৰ পৰিকল্পনা দেখা পাব,
৩২ আৰু তেওঁৱেই পোহৰ দিব, যিয়ে বেলেগ দেশক
আপোনাৰ দেশক আপোনাৰ পথ দেখুৱাব।
তেওঁ আপোনাৰ ইস্ৰায়েলবাসীৰ বাবে গৌৰৱ
কঢ়িয়াই আনিব।”

৩৩যীচুৰ বিষয়ে যিবোৰ কথা কোৱা হৈছিল সেই
সকলেবোৰ শুনি মাক দেউতাক আচৰিত হৈছিল।
৩৪তেতিয়া চিমিয়োনে তেওঁলোকক আৰ্শীবাদ কৰিলে
আৰু তেওঁৰ মাতৃ মৰিয়মক কলে, “এই শিশুটি ইস্ৰায়েলৰ
উত্থান পতনৰ কাৰণ হব। তেওঁ হব ঈশ্বৰৰ পৰা অহা এটি
চিহ কিন্তু বহুতে তেওঁক অগ্ৰাহ্য কৰিব। ৩৫অনেকৰ হৃদয়ৰ
গোপন চিন্তাসমূহ প্ৰকাশিত হব। আৰু যিবোৰ হব সেইবোৰ
তোমালোকৰ বাবে তৰোৱালেৰে তোমাৰ হৃদয়ৰ মাজেৰে
বিন্ধা কৰাৰ দৰে কষ্টকৰ হব।”

## হান্নাই যীচুক দেখে

৩৬তাতেই মন্দিৰত হান্না নামে এগৰাকী মহিলা ভাৱবাদীনী
আছিল। তেওঁ আচেৰৰ বংশৰ পুনুৱেলৰ জীয়েক আছিল
তেওঁ অতিকৈ বৃদ্ধা হৈছিল। বিবাহৰ সাত বছৰৰ পাছতে
তেওঁৰ স্বামীৰ মৃত্যু হৈছিল। ৩৭তেতিয়াৰে পৰা চৌৰাশী
বছৰ বয়সলৈকে তেওঁ বিধৱাৰ দৰে জীৱন যাপন কৰিছিল।
তেওঁ কেতিয়াও মন্দিৰ ত্যাগ কৰা নাছিল, লঘোন আৰু
প্ৰাৰ্থনাৰে তেওঁ দিনে ৰাতিয়ে ঈশ্বৰৰ সেৱা আৰু আৰাধনা
কৰিছিল।
৩৮সেই সময়তে তেৰোঁ শিশুটিৰ মাক-দেউতাকৰ
ওচৰলৈ আহি ঈশ্বৰক ধন্যবাদ জ্ঞপন কৰি জেৰুচালেমৰ
মুক্তিলৈ বাট চাই থকা সকলোৰে আগত শিশুটিৰ বিষয়ে
জনালে।

[a] **২:২১ চুন্নত** পুৰুষ সকলে লিঙ্গাগ্ৰ~চৰ্ম্ম ছেদন কৰা প্ৰনালী। এই প্ৰনালীটো প্ৰত্যেক ইহুদী লৰাকে কেচুৱা অবস্থাত কৰা হৈছিল। ই ঈশ্বৰ আৰু অব্ৰাহামৰ মাজত কৰা এক চুক্তি আছিল। (আদিপুস্তক ১৭:৯–১৪)
[b] **২:২৪~** উদ্ধৃত লেবি ১২:৮

### যোচেফ আৰু মৰিয়মে ঘৰলৈ উভতি যায়

৩৯প্ৰভুৰ বিধান অনুসৰি সকলো কাম সম্পূৰ্ণ কৰি যোচেফ
আৰু মৰিয়মে নিজৰ ঠাই গালীলৰ নাচৰতলৈ উভতি
গল। ৪০যীচুয়েও বয়সত যেনেদৰে বৃদ্ধি পালে তেনেদৰে
জ্ঞানেৰেও পৰিপূৰ্ণ হল, কিয়নো ঈশ্বৰৰ আৰ্শীব্বাদ তেওঁৰ
ওপৰত আছিল।

### কিশোৰ যীচু

৪১প্ৰতি বছৰে নিস্তাৰ পৰ্ব্বত তেওঁৰ (যীচুৰ) মাক দেউতাক
জেৰুচালেমলৈ গৈছিল। ৪২যীচুৰ বয়স যেতিয়া বাৰ বছৰ
হৈছিল সচৰাচৰ যোৱাৰ দৰে তেওঁলোক সেইবাৰো পৰ্ব্বলৈ
গল। ৪৩পৰ্ব শেষ হোৱাত তেওঁলোকে উভতি যাওঁতে
যীচু তাতে জেৰুচালেমত থাকি গল আৰু সেই কথা মাক-
বাপেকে নাজানিলে। ৪৪তেওঁলোকে দলৰ আন বিলাকৰ
লগত আছে বুলি ভাবিলে, আৰু এদিনৰ বাট আগুৱাই গ’ল
আৰু পাছত তেওঁলোকে নিজৰ আত্মীয় স্বজন আৰু বন্ধু
বান্ধব সকলৰ মাজত বিচাৰিবলৈ ধৰিলে। ৪৫আৰু যেতিয়া
বিচাৰি নাপালে, তেতিয়া তেওঁলোকে তেওঁক (যীচুক)
বিচাৰি বিচাৰি জেৰুচালেমলৈ উভতি গল।

৪৬অৱশেষত তিনি দিনৰ পাছত তেওঁলোকে যীচুক
মন্দিৰত পণ্ডিত সকলৰ লগত বহি থকা আৰু তেওঁলোকৰ
কথা শুনি প্ৰশ্ন কৰি থকা পালে। ৪৭যিবিলাকে তেওঁৰ কথা
শুনিছিল, তেওঁৰ জ্ঞান আৰু উত্তৰত সকলোৱে আশ্চৰ্য্য
মানিলে। ৪৮যেতিয়া মাক-দেউতাকে যীচুক দেখিলে
তেওঁলোক আচৰিত হল, আৰু মাকে কলে, “বোপা তুমি
কিয় আমালৈ এনে কৰিলা? তোমাৰ দেউতাৰা আৰু মই
ব্যাকুল হৈ তোমাক বিচাৰি ফুৰিছোঁ।”

৪৯যীচুৱে তেওঁলোকক কলে, “আপোনালোকে বাৰু
মোক কিয় চাৰিওফালে বিচাৰি ফুৰিছে? আপোনালোকে
নাজানেনে যতেই মোৰ পিতৃয়ে কৰ্ম কৰে তাতে মই
থকাটো উচিত বুলি?” ৫০কিন্তু তেওঁলোকে যীচুৰ উত্তৰৰ
অৰ্থ একো বুজি নাপালে।

৫১পাচে তেওঁ মাক দেউতাকৰ লগত নাচৰতলৈ গুচি গল
আৰু তেওঁলোকৰ বাধ্য হৈ থাকিল। মাকে এই সকলোবোৰ
কথা মনত সাঁচি ৰাখিলে। ৫২যীচু বয়সত যিদৰে ডাঙৰ হল
সেইদৰে ঈশ্বৰৰ জ্ঞানতো বৃদ্ধি পাই থাকিল। আৰু ঈশ্বৰৰ
আৰু মানুহৰো অনুগ্ৰহ লাভ কৰিলে।

### যোহনে যীচুৰ বাবে পথ যুগুত কৰে

*(মথি ৩:১–১২; মাৰ্ক ১:১–৮; যোহন ১:১৯–২৮)*

**৩** ১সেয়া আছিল টাইবেৰিয়াচ[a] কৈচৰৰ শাসনৰ
পোন্ধৰতম বছৰ। তেতিয়া তেওঁৰ তলত এওঁলোক
আছিল;

পন্তীয়া পীলাতে যিহূদীয়াৰ ৰাজ্যপাল আছিল,
আৰু গালীল ৰাজ্যৰ শাসনকৰ্তা আছিল হেৰোদ।
আৰু যিতুৰিয়া আৰু ত্ৰোখোনিয়াৰ শাসনকৰ্তা আছিল
হেৰোদৰ ভায়েক ফিলিপ
আৰু লুচিনিয়াচ আছিল অবিলীনী প্ৰদেশৰ শাসন
কৰ্তা।

২হানন আৰু কায়ফা মহাপুৰোহিত আছিল। সেই সময়তে
অৰন্যত থকা জখৰিয়াৰ পুত্ৰ যোহনলৈ ঈশ্বৰৰ বাক্য
আহিল। ৩তেতিয়া যোহনে যৰ্দন নদীৰ পাৰৰ সকলো
অঞ্চললৈ গৈ ঈশ্বৰৰ বাৰ্তা লোকসমূহক কবলৈ ধৰিলে।
তেওঁ লোকসমূহক তেওঁলোকৰ পাপৰ কাৰণে অনুতপ্ত হৈ
জীৱন সলনী কৰি বাপ্তিস্ম গ্ৰহন কৰিবলৈ কলে, যাতে ঈশ্বৰে
তেওঁলোকৰ পাপ সমূহ ক্ষমা কৰে: ৪যিচয়া ভাৱবাদীৰ
পুস্তকত লিখাৰ দৰে:

“অৰন্যত কোনোবাই ৰিঙিয়াইছে:
‘প্ৰভুৰ বাবে পথ যুগুত কৰা,
তেওঁৰ বাবে বাট পোন কৰা।
৫ সকলো উপত্যকা পূৰ কৰা যাব,
আৰু সকলো পাহাৰ পৰ্বত সমান কৰা হব,
একা বেঁকা বাট পোন হব
আৰু ওখোৰা-মোখোৰা বাট মিহি কৰা হব।
৬ তেতিয়া সকলোৱে ঈশ্বৰৰ উদ্ধাৰৰ কাৰ্য্য দেখিবলৈ
পাব!’” *যিচয়া ৪০:৩–৫*

৭তেওঁৰ (যোহনৰ) দ্বাৰা বাপ্তিস্ম লবলৈ অহা
লোকসমূহক যোহনে কৈছিল, “হে সৰ্পৰ বংশধৰ সকল,
আহিবলগীয়া মহা ক্ৰোধৰ পৰা বাচিবলৈ তোমালোকক
কোনে বুদ্ধি দিলে? ৮তোমালোকে যে সচাঁকৈয়ে মন
পৰিৰ্বতন কৰিছা তাক তোমালোকে জীৱনৰ কাৰ্য্যৰ দ্বাৰাই
প্ৰমান দেখুওৱা। ইজনে-সিজনক আমি নিৰাপদে, কাৰন
আব্ৰাহাম আমাৰ পিতৃ বুলি কৈ নুফুৰিবা! ইয়াৰ কোনো অৰ্থ
নাই। মই তোমালোকক কৈছোঁ যে ঈশ্বৰে আব্ৰাহামলৈ
এই শিলবোৰৰ পৰাও সন্তান উৎপন্ন কৰিব পাৰে। ৯গছৰ
গুৰিত কুঠাৰ লাগি আছে প্ৰতিজোপা গছ যিবোৰে ভাল
ফল উৎপন্ন নকৰে সেইবোৰ কাটি জুইত পেলাই পুৰি দিয়া
হব।”

১০তেতিয়া লোকসমূহে তেওঁক সুধিলে, “তেনেহলে
আমি কি কৰিম?”

১১তেওঁ তেওঁলোকক উত্তৰ দি কলে, “যিজনাৰ দুটা
চোলা আছে তেওঁ চোলা নথকা জনাৰ লগত ভগাই লওক
আৰু আহাৰ থকা জনাইও সেইদৰেই আহাৰ নথকা জনাৰ
লগত ভগাই লওক।”

১২আনকি কিছুমান কৰতোলোতা বিলাকেও যোহনৰ
ওচৰলৈ বাপ্তিস্ম লবলৈ আহিছিল। তেওঁলোকে তেওঁক
সুধিলে, “হে গুৰু আমিনো কি কৰিম?”

[a] **৩:১ টাইবেৰিয়াচ** ৰোমৰ শাসনকৰ্ত্তা। সেই অঞ্চলত টাইবেৰিয়াৰে শাসনকাল খৃষ্টাব্দ ১৪–৩৭ আৰু ১৫ তম বছৰটো খৃষ্টাব্দৰ প্ৰায় ২৮ খ্ৰীষ্টাব্দ হ’ব।

১৩যোহনে তেওঁলোকক কলে, “লোকসমুহৰ পৰা
পাবলগা কৰতকৈ অধিক কৰ সংগ্ৰহ নকৰিবা।”
১৪এনেতে কেইজনমান সৈনিকেও তেওঁক সুধিলে,
“আমিনো কি কৰিম?”
তেওঁ তেওঁলোকক কলে, “কাৰো পৰা বলপূৰ্বক ভাৱে
ধন সংগ্ৰহ নকৰিবা। মিছা অপবাদেৰে কাকো দোষী নকৰিবা
আৰু নিজৰ বেতনতে সন্তুষ্ট হৈ থাকিবা।”
১৫পাচে লোকসমূহে খ্ৰীষ্টৰ অহাৰ বাবেহে অপেক্ষা কৰি
আছিল। তেওঁলোকে সন্দেহৰে যোহনৰ বিষয়ে নিজৰ
মনতে কৈছিল। যোহনেই হয়তো‘ খ্ৰীষ্ট’ হব পাৰে?
১৬তেতিয়া যোহনে সকলো লোকক উত্তৰ দি কলে,
“মই তোমালোকক পানীত বাপ্তিস্ম দিছোঁ, কিন্তু মোতকৈ
শক্তিমান জনা আহি আছে মই তেওঁৰ পাদুকাৰ বান্ধ
খুলিবলৈকো যোগ্য নহও, তেওঁ তোমালোকক পবিত্ৰ আত্মা
আৰু জুইৰে বাপ্তিস্ম দিব। ১৭তেওঁৰ হাতত কুলা আছে,
যিহেৰে দানা আৰু পতানবোৰক পৃথক কৰি শস্যৰ দানাবোৰ
ভৰাঁলত চপাই থব আৰু পতানবোৰক কেতিয়াও নুনুমুওৱা
জুইত পেলাই দিব।” ১৮এনেদৰে তেওঁ লোকসমূহক আৰু
বহুতো প্ৰকাৰে তেওঁলোকৰ মন পালটনৰ আৱশ্যকতাৰ
বিষয়ে সতৰ্ক কৰি শুভবাৰ্তা ঘোষনা কৰিলে।

### যোহনৰ কাম কিদৰে সমাপ্ত হ’ল

১৯শাসনকৰ্তা হেৰোদক তেওঁৰ ভাতৃৰ পত্নী হেৰোদিয়াৰ
সৈতে অবৈধ সম্বন্ধ থকাৰ বাবে আৰু তেওঁ কৰা আন
সকলো কু-কৰ্মৰ কাৰণে যোহনে তেওঁক তীব্ৰ গৰিহণা
দিলে। ২০সেয়েহে ৰজা হেৰোদে যোহনক বন্দী কৰাই
তেওঁ যিবোৰ কু-কৰ্ম কৰিছিল তাৰ সৈতে এই কু-কৰ্মও
যোগ কৰিলে।

### যীচু যোহনৰ দ্বাৰাই বাপ্তাইজিত হয়

*(মথি ৩:১৩–১৭; মাৰ্ক ১:৯–১১)*

২১যেতিয়া সকলো লোকক বাপ্তিস্ম দিয়া হৈছিল, যীচুকো
বাপ্তিস্ম দিয়া হল। আৰু যীচুৱে প্ৰাৰ্থনা কৰোতে স্বৰ্গৰ দুৱাৰ
মুকলি হল, ২২আৰু পবিত্ৰ আত্মাই আকাৰ ধৰি কপৌৰ দৰে
তেওঁৰ ওপৰলৈ আহিলত স্বৰ্গৰ পৰা এক আকাশীবাণী হল,
“তুমি মোৰ প্ৰিয় পুত্ৰ তোমাত মই পৰম সন্তুষ্ট।”

### যোচেফৰ বংশাৱলীৰ বুৰঞ্জী

*(মথি ১:১–১৭)*

২৩শিক্ষা দিবলৈ আৰম্ভকৰা সময়ত যীচুৰ প্ৰায় ত্ৰিশ বছৰ
হৈছিল বুলি লোকসমূহে ভাবিছিল যে তেওঁ যোচেফৰ পুত্ৰ
আছিল

আৰু যোচেফ ইলীৰ পুত্ৰ আছিল।
২৪ ইলী মত্তৰ পুত্ৰ,
মত্ত লেবীৰ পুত্ৰ,
লেবী মল্কিৰ পুত্ৰ,
মল্কি মান্নায়ৰ পুত্ৰ,
মান্নায় যোচেফৰ পুত্ৰ,
২৫ যোচেফ মত্তথিয়ৰ পুত্ৰ,
মত্তথিয় আমোচৰ পুত্ৰ,
আমোচ নহূমৰ পুত্ৰ,
নহূম ইলিচৰ পুত্ৰ,
ইলিচ নগীৰ পুত্ৰ,
২৬ নগী মাটৰ পুত্ৰ,
মাট মত্তথিয়ৰ পুত্ৰ,
মত্তথিয় চিমিয়োনৰ পুত্ৰ,
চিমিয়োন যোচেখৰ পুত্ৰ,
যোচেখ যোদাৰ পুত্ৰ,
২৭ যোদা যোহানাৰ পুত্ৰ,
যোহানান ৰিচাৰ পুত্ৰ,
ৰিচা জৰুব্বাবিলৰ পুত্ৰ,
জৰুব্বাবিল চল্টায়েলৰ পুত্ৰ,
চল্টায়েল নেৰিৰ পুত্ৰ,
২৮ নেৰি মল্কিৰ পুত্ৰ,
মল্কি আদিৰ পুত্ৰ,
আদি কোচমৰ পুত্ৰ,
কোচম ইলমাদৰ পুত্ৰ,
ইলমাদম এৰৰ পুত্ৰ,
২৯ এৰ যীচুৰ পুত্ৰ,
যীচু ইলীয়েচৰৰ পুত্ৰ,
ইলীয়েচ মোৰীমৰ পুত্ৰ,
মোৰীম মত্তৰ পুত্ৰ,
মত্ত লেবীৰ পুত্ৰ,
৩০ লেবী চিমিয়োনৰ পুত্ৰ,
চিমিয়োন যুদাৰ পুত্ৰ,
যুদা যোচেফৰ পুত্ৰ,
যোচেফ যোনানৰ পুত্ৰ,
যোনান ইলীয়াকিমৰ পুত্ৰ,
৩১ ইলিয়াকিম মিলেয়াৰ পুত্ৰ,
মিলেয়া মিন্নাৰ পুত্ৰ,
মিন্না মত্তথৰ পুত্ৰ,
মত্তখৰ নাথনৰ পুত্ৰ,
নাথন দায়ূদৰ পুত্ৰ,
৩২ দায়ূদ যিচয়ৰ পুত্ৰ,
যিচয় ওবেদৰ পুত্ৰ,
ওবেদ বোৱজৰ পুত্ৰ,
বোৱজ চলমোনৰ পুত্ৰ,
চলমোন নহচোনৰ পুত্ৰ,
৩৩ নহচোন অম্মীনাদবৰ পুত্ৰ,
অম্মীনাদব অৰ্নীৰ পুত্ৰ,
অৰ্নী হিব্ৰোনৰ পুত্ৰ,
হিব্ৰোন পেৰচৰ পুত্ৰ,
পেৰচ যিহূদাৰ পুত্ৰ,

৩৪ যিহূদা যাকোবৰ পুত্ৰ,
যাকোব ইচাহাকৰ পুত্ৰ,
ইচাহাক আব্ৰাহামৰ পুত্ৰ,
আব্ৰাহাম তেৰহৰ পুত্ৰ,
তেৰহ নাহোৰৰ পুত্ৰ,
৩৫ নাহোৰ চৰূগৰ পুত্ৰ,
চৰূগ ৰিয়ুৰ পুত্ৰ,
ৰিয়ু পেলগৰ পুত্ৰ,
পেলেগ এবৰৰ পুত্ৰ,
এবৰ চেলেহৰ পুত্ৰ,
৩৬ চেলেহ কৈননৰ পুত্ৰ,
কৈনন অৰ্ফকচদৰ পুত্ৰ,
অৰ্ফকচদ চেমৰ পুত্ৰ,
চেম নোহৰ পুত্ৰ,
নোহ লেমেকৰ পুত্ৰ,
৩৭ লেমেক মথুচেলহৰ পুত্ৰ,
মথুচেলহ হানুকৰ পুত্ৰ,
হানুক যেৰদৰ পুত্ৰ,
যেৰদ মহললেনৰ পুত্ৰ,
মহলেন কৈননৰ পুত্ৰ,
৩৮ কৈনন ইনোচৰ পুত্ৰ,
ইনোচ চেথৰ পুত্ৰ,
চেথ আদমৰ পুত্ৰ,
আদম ঈশ্বৰৰ পুত্ৰ।

## যীচু চয়তানৰ দ্বাৰাই পৰীক্ষিত হয়

*(মথি ৪:১–১১; মাৰ্ক ১:১২–১৩)*

**4** ১যীচু পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ যৰ্দন নদীৰ পৰা
উভতি আহিলত আত্মাই তেওঁক অৰণ্যলৈ লৈ
গল। ২তাত চয়তানে চল্লিশ দিনলৈকে পৰীক্ষা কৰিলে।
তেওঁ সেই কেইদিনত একো খোৱা নাছিল, অৱশেষত
যেতিয়া সেই সময় শেষ হল তেতিয়া তেওঁৰ ভোক
লাগিল।
৩সেয়ে চয়তানে তেওঁক কলে, "যদি তুমি ঈশ্বৰৰ পুত্ৰ
হোৱা তেন্তে এই শিলবোৰক পিঠা হবলৈ কোৱা।"
৪যীচুৱে উত্তৰ দি কলে, "এইদৰে শাস্ত্ৰত লিখা আছে,

'মানুহ কেৱল পিঠাৰেই জীয়াই নাথাকে, কিন্তু ঈশ্বৰৰ
মুখৰ পৰা প্ৰত্যেক বাক্যৰেহে।'"[a]

৫তাৰ পাছত চয়তানে তেওঁক অতি ওপৰলৈ নি এক
মহূৰ্ত্ততে পৃথিৱীৰ সকলোবোৰ ৰাজ্য দেখুৱালে ৬আৰু
চয়তানে যীচুক কলে, "এই সকলোবোৰ ৰাজ্য আৰু ঐশ্বৰ্য
মই তোমাক দিম, কিয়নো এই সকলো বোৰ মোক দিয়া
হৈছে আৰু মই যাক দিবলৈ ইচ্ছা কৰো তাকে দিব পাৰো।
৭গতিকে তুমি যদি মোক সেৱা-আৰাধনা কৰা তেন্তে এই
সকলোবোৰ তোমাৰেই হব।"
৮যীচুৱে উত্তৰ দি চয়তানক কলে, "শাস্ত্ৰত লিখা আছে,

'তুমি একমাত্ৰ প্ৰভু পৰমেশ্বৰকহে সেৱা
আৰু আৰাধনা কৰিবা।'" *দ্বিতীয় বিবৰণ ৬:১৩*

৯তেতিয়া চয়তানে তেওঁক জেৰুচালেমলৈ নি মন্দিৰৰ
উচ্চতম শিখিৰত থিয় কৰাই কলে, "তুমি যদি ঈশ্বৰৰ
পুত্ৰ হোৱা তেন্তে নিজকে ইয়াৰ পৰা তললৈ পেলাই দিয়া
১০কিয়নো শাস্ত্ৰত লিখা আছে,

'তেওঁ তেওঁৰ দূতবিলাকক
তোমাক ৰক্ষা কৰিবলৈ আজ্ঞা দিব।'

*গীতমালা ৯১:১১*

১১আৰু লিখা আছে,

'তেওঁবিলাকে তোমাক নিজ হাতেৰে তুলি ধৰিব
যাতে তোমাৰ ভৰি শিলত খুন্দা নাখায়।'"[b]

১২যীচুৱে উত্তৰ দি কলে, "শাস্ত্ৰত লিখা আছে, 'তুমি
তোমাৰ প্ৰভু পৰমেশ্বৰক পৰীক্ষা নকৰিবা।'"[c]
১৩সেয়ে চয়তানে সকলো ধৰণৰ পৰীক্ষা লৈ উচিত
সময়ৰ বাবে যীচুক এৰি গুচি গল।

## যীচুৱে গালীলত তেওঁৰ কাম আৰম্ভ কৰে

*(মথি ৪:১২–১৭; মাৰ্ক ১:১৪–১৫)*

১৪তেতিয়া যীচু পবিত্ৰ আত্মাৰ শক্তিৰে পৰিপূৰ্ণ হৈ গালীললৈ
উভতি আহিলত তেওঁৰ বিষয়ে গোটেই অঞ্চলত বিয়পি
পৰিল। ১৫তেওঁ তেওঁবিলাকৰ নাম-ঘৰে ঘৰে উপদেশ
দিবলৈ ধৰিলে আৰু সকলোৰে প্ৰশংসাৰ পাত্ৰ হল।

## যীচু নিজ গৃহ নগৰলৈ যায়

*(মথি ১৩:৫৩–৫৮; মাৰ্ক ৬:১–৬)*

১৬তেতিয়া তেওঁ নাচৰতলৈ গল, যত তেওঁ পতিপালিত
হৈছিল আৰু তেওঁৰ অভ্যাস অনুসাৰে বিশ্ৰাম বাৰে নাম
ঘৰলৈ গল, আৰু তেওঁ শাস্ত্ৰ পাঠ কৰিবলৈ থিয় হলত
১৭তেওঁৰ হাতত যিচয়া ভাৱবাদীৰ নুৰিওৱা পুস্তকখন দিয়া
হল। তেওঁ পুস্তক খনৰ নুৱা খুলিলে আৰু এইদৰে লিখা
অংশটি পালে:

১৮ "প্ৰভুৰ আত্মা মোৰ ওপৰত আছে
কাৰণ দৰিদ্ৰবিলাকৰ আগত শুভবাৰ্তা ঘোষনা
কৰিবলৈ তেওঁ মোক অভিষেক কৰিলে।

[a] ***8:8*** উদ্ধৃত দ্বি. বি. ৮:৩

[b] ***8:১১*** উদ্ধৃত গীতমালা ৯১:১২

[c] ***8:১২*** উদ্ধৃত দ্বি. বি. ৬:১৬

বন্দীৰ আগত মুক্তিৰ কথা আৰু অন্ধজনৰ আগত
পুনৰ দৃষ্টি পোৱাৰ কথা ঘোষনা কৰিবলৈ
তেওঁ মোক পঠিয়াইছে।
নিৰ্য্যাতিত লোকক মুক্তি দিবলৈ,
১৯ আৰু প্ৰভুৰ অনুগ্ৰহৰ বৰ্ষৰ ঘোষনা কৰিবলৈ মোক
পঠিয়াইছে।”[a]

২০তাৰ পাছত যীচুৱে পুস্তকখন নুৰিয়াই পৰিচাৰকৰ
হাতত দি তলত বহিল। নাম-ঘৰত থকা সকলোৱে থৰ
লাগি তেওঁলৈ চাই আছিল। ২১তেতিয়া তেওঁ তেওঁলোকক
কবলৈ ধৰিলে, “আজি তোমালোকে শুনাত এই শাস্ত্ৰৰ
বাক্য সিদ্ধ হল!”
২২প্ৰত্যেক জনেই তেওঁৰ প্ৰশংসা কৰিবলৈ ধৰিলে। আৰু
তেওঁৰ মূখৰ পৰা ওলোৱা অনুগ্ৰহৰ বাক্যত তেওঁলোকে
বিস্ময় মানি কবলৈ ধৰিলে, “এইটো কেনেকৈ সম্ভৱপৰ, এওঁ
যোচেফৰ পুত্ৰ নহয়নে?”
২৩যীচুৱে তেওঁলোকক কলে, “তোমালোকে মোক
নিশ্চয় মোক এই প্ৰাচীন প্ৰবাদটি কবা: ‘হেৰা চিকিৎসক
তুমি নিজকে সুস্থ কৰা। কফৰনাহুমত তুমি যি যি আচৰিত
কৰ্ম কৰা আমি শুনিছিলো সেই দৰে আচৰিত কাৰ্য্য তোমাৰ
এই নিজ নগৰতো কৰা।’” ২৪যীচুৱে তেওঁলোকক কলে,
“মই তোমালোকক সঁচাকৈ কওঁ, কোনো ভাৱবাদী নিজ
ঠাইত সন্মান নাপায়।
২৫–২৬“মই তোমালোকক সত্য কওঁ, এলিয়াৰ দিনত
তিনি বছৰ ছমাহৰ বাবে ইস্ৰায়েলত বৰষুন হোৱা নাছিল।
সেইবাবে গোটেই দেশতে ভয়ংকৰ দুৰ্ভিক্ষ হৈছিল সেই
সময়ত ইস্ৰায়েল দেশত বহুতো বিধৱা আছিল। কিন্তু
প্ৰকৃততে তেওঁলোকৰ কাৰো ওচৰলৈ এলিয়াক পঠোৱা
হোৱা নাছিল কেৱল চাৰিফৎ নগৰ চিদোন চহৰৰ ওচৰৰ
অঞ্চলৰ এগৰাকী বিধৱাৰ ওচৰলৈহে পঠোৱা হৈছিল।
২৭“আৰু ইলীচা ভাৱবাদীৰ সময়তো ইস্ৰায়েলত ছালৰ
বেমাৰৰ বহুতো ৰোগী আছিল কিন্তু চিৰিয়া দেশৰ বাসিন্দা
নামানৰ বাহিৰে আন কাকো সুস্থ কৰা হোৱা নাছিল।”
২৮এইবোৰ কথা শুনি নাম-ঘৰত সকলোৱে খংত
জ্বলি উঠিল। ২৯আৰু তেওঁলোকে উঠি তেওঁক নগৰৰ পৰা
বাহিৰলৈ উলিয়াই আনি পৰ্ব্বতৰ ওপৰত যত তেওঁলোকৰ
নগৰ সাজিছিল সেই পৰ্বতৰ শৃংগৰ পৰা ঠেলা মাৰি
পেলাবলৈ লৈ গল। ৩০কিন্তু যীচু তেওঁলোকৰ মাজেদি পাৰ
হৈ নিজ বাটেদি গল।

## যীচুৱে অশুচি আত্মাই ধৰা এগৰাকী ব্যক্তিক মুক্ত কৰা

*(মাৰ্ক ১:২১–২৮)*

৩১তাৰ পাছত তেওঁ এখন গালীলৰ এখন নগৰ কফৰনাহূমলৈ
গৈ বিশ্ৰাম বাৰে লোক সমূহক উপদেশ দিবলৈ ধৰিলে।
৩২তেওঁৰ উপদেশত তেওঁলোকে বিস্ময় মানিলে, কিয়নো
তেওঁৰ উপদেশ ক্ষমতাপূৰ্ণ আছিল।
৩৩সেই নাম-ঘৰতেই অশুচি আত্মাই ধৰা এগৰাকী
ব্যক্তি আছিল। তেওঁ বৰ মাতেৰে চিঞঁৰি কলে, ৩৪“হে
নাচৰতীয়া যীচু আমাৰ পৰা আপুনি কি বিছাৰিছে? আমাক
বিনষ্ট কৰিবলৈ আহিছে নেকি? মই জানো আপুনি কোন?
আপুনি ঈশ্বৰৰ পবিত্ৰ জনা!” ৩৫যীচুৱে অশুচি আত্মাক ডাবি
দি তেওঁক কলে, “মনে মনে থাক আৰু সেই মানুহজনৰ
পৰা বাহিৰ ওলা!” এনেতে অশুচি আত্মাই মানুহজনক
লোকসমূহৰ আগত আছাৰি পেলাই কোনো অনিষ্ট
নকৰাকৈ তেওঁৰ গাৰ পৰা ওলাল।
৩৬তাত থকা সকলোৱে আচৰিত হল, পৰস্পৰে কথা
পাতি কলে, “এয়া কেনে বিস্ময়জনক শিক্ষা? ক্ষমতা আৰু
শক্তিৰে তেওঁ অশুচি আত্মাক আজ্ঞা দিয়ে আৰু সিহঁতে
ওলাই আহে।” ৩৭সেই অঞ্চলৰ সকলো ঠাইতে তেওঁৰ
বিষয়ে সংবাদ বিয়পি গল।

## যীচুৱে পিতৰৰ শাহুৱেকক সুস্থ কৰা

*(মথি ৮:১৪–১৭; মাৰ্ক ১:২৯–৩৪)*

৩৮তেতিয়া যীচু নাম-ঘৰৰ পৰা ওলাই আহি চিমোনৰ
ঘৰলৈ গল। চিমোনৰ শাহুৱেক ভীষণ জ্বৰত ভূগি আছিল,
তেওঁলোকে যীচুক সহায় পাবলৈ অনুৰুধ কৰিলে। ৩৯যীচুৱে
তেওঁৰ শয্যাৰ নিচেই কাষত থিয় হৈ জ্বৰক আতঁৰি
যাবলৈ আদেশ দিলত জ্বৰ এৰিলে, আৰু তৎক্ষণাত উঠি
তেওঁলোকৰ সেৱা-শুশ্ৰূষা কৰিবলৈ ললে।

## যীচুৱে অনেকক সুস্থ কৰা

৪০বেলি মাৰ যোৱা সময়ত, যি সকললোক বিভিন্ন প্ৰকাৰৰ
ৰোগত আক্ৰান্ত আছিল তেওঁলোক সকলোকে যীচুৰ
ওচৰলৈ আনিলে। তেওঁ নিজৰ হাত প্ৰতিজন ৰোগীৰ
ওপৰত থৈ তেওঁলোকক সুস্থ কৰিলে। ৪১তেওঁলোকৰ
অনেকৰ পৰা অশুচি আত্মা বাহিৰ ওলাই আহিল আৰু
চিঞঁৰি, চিঞঁৰি কলে, “আপুনিয়েই ঈশ্বৰৰ পুত্ৰ।” কিন্তু
তেওঁ যিবিলাকক কবলৈ নিদিলে, কাৰণ সিহঁতে তেৰেঁই
ঈশ্বৰ বুলি জানিছিল।

## যীচুৱে আন নগৰবোৰলৈ যায়

*(মাৰ্ক ১:৩৫–৩৯)*

৪২পিচদিনা অতি ৰাতিপুৱাই, যীচুৱে সেই স্থান এৰি নিৰ্জন
স্থানলৈ গল। কিন্তু লোকসমূহে তেওঁক বিচাৰি বিচাৰি তেওঁ
থকা ঠাই আহি পালে, আৰু তেওঁলোকক এৰি নাযাবৰ বাবে
যীচুক ৰাখিবলৈ চেষ্টা কৰিলে। ৪৩কিন্তু যীচুৱে তেওঁলোকক
কলে, “ঈশ্বৰৰ ৰাজ্যৰ শুভৰ্ব্বাতা মই অন্য নগৰবোৰতো
প্ৰচাৰ কৰিব লাগিব, কিয়নো এই উদ্দেশ্যেই মোক পঠোৱা
হৈছে।”
৪৪আৰু যিহুদীয়াৰ বিভিন্ন নাম-ঘৰবোৰত যীচুৱে শুভৰ্ব্বাতা
প্ৰচাৰ কৰিব ধৰিলে।

[a] ***৪:১৯*** উদ্ধৃত যিচয়া ৬১:১–২; ৫৮:৬

## যীচুৱে শিষ্যক মনোনীত কৰা

*(মথি ৪:১৮–২২; মাৰ্ক ১:১৬–২০)*

৫ ১এদিনাখন যীচু গালীল সৰোবৰৰ দাঁতিত থিয় হৈ
থাকোঁতে লোক সমূহে ইজনে সিজনক ঠেলা হেঁচা
কৰি আছিল যাতে যীচুৰ ওচৰলৈ চাপি আহি ঈশ্বৰৰ বাক্য
শুনিব পাৰে। ২সেই সময়তে তেওঁ সৰোবৰৰ পাৰত দুখন
নাওঁ দেখিলে। তাৰ পৰা মাছমৰীয়া কেইজন মানে নাওঁৰ
পৰা নামি তেওঁলোকৰ জালবোৰ ধূই আছিল। ৩যীচুৱে
তাৰে এখন নাওঁত উঠিল, সেইখন নাওঁ চিমোনৰ আছিল।
তেওঁ চিমোনক নাওঁখন বামৰ পৰা তলৰ ফালে অলপ
মান আগুৱাই নিবলৈ কৈ নাৱখনতে বহি লৈ বামত থকা
লোকসমূহক উপদেশ দিবলৈ ধৰিলে।

৪উপদেশ দিয়া শেষ হলত, তেওঁ চিমোনক কলে,
"গভীৰ পানীলৈ নাওঁ খন লৈ যোৱা আৰু মাছ ধৰিবলৈ
জালখন পেলোৱা।"

৫চিমোনে কলে, "প্ৰভু আমি গোটেই নিশা কঠোৰ
পৰিশ্ৰম কৰিও একো নাপালো, কিন্তু আপুনি কৈছে
যেতিয়া মই জালখন দ পানীৰ তললৈ পেলাওঁ।" ৬যেতিয়া
তেওঁলোকে জালখন পেলালে অসংখ্য মাছ ধৰা পৰিল
আৰু তেওঁলোকৰ জালবোৰ ফাটো ফাটো হল ৭সেয়ে
তেওঁলোকে অন্য নাৱত থকা তেওঁলোকৰ বন্ধু সকলক
সহায় কৰিবলৈ মাতিলে, তেওঁলোকৰ বন্ধুসকলে আহি
মাছেৰে ভৰ্তি জালবোৰ টনাত সহায় কৰিলেহি, নাৱত
ইমানকৈ মাছ ভৰালে যে নাওঁখন বুৰু বুৰু হল।

৮–১০চিমোন পিতৰ আৰু নাওঁত থকা তেওঁৰ লগৰ
মাছমৰীয়াবিলাকে ইমান মাছ দেখি অতিশয় আচৰিত
হৈছিল। জেবেদিৰ পুতেক–যাকোব আৰু যোহনো
আচৰিত হৈছিল। (তেওঁলোক চিমোনৰ ব্যৱসায়ৰ সহযোগী
আছিল)। চিমোন পিতৰে তেতিয়া মুৰদোৱাই যীচুক কলে,
"প্ৰভু মোৰ পৰা দূৰ হওক। মই এজন পাপী মানুহ।"

তেতিয়া যীচুৱে চিমোনক কলে, "ভয় নকৰিবা! এতিয়াৰ
পৰা তুমি মাছ নহয় মানুহ ধৰিবলৈ কাম কৰিবা।"

১১তেতিয়া তেওঁলোকে নাওঁবোৰ বামলৈ চপাই আনিলে
আৰু সকলোবোৰ ত্যাগ কৰি যীচুৰ শিষ্য হল।

## যীচুৱে এগৰাকী ৰোগীক সুস্থ কৰা

*(মথি ৮:১–৪; মাৰ্ক ১:৪০–৪৫)*

১২এবাৰ যীচু এখন নগৰত থাকোঁতে তাত সৰ্ব শৰীৰ
কুষ্ঠৰোগেৰে[a] ঢকা এজন মানুহ লগ পালে। তেওঁ যীচুক
দেখা পাই উবুৰি হৈ পৰি যীচুক মিনতি কৰি কলে, "প্ৰভু
আপুনি যদি ইচ্ছা কৰে তেন্তে মোক সুস্থ কৰিব পৰা
আপোনাৰ শক্তি আছে।"

১৩যীচুৱে নিজৰ হাত মেলি তেওঁক স্পৰ্শ কৰি কলে,
"মই ইচ্ছা কৰিছোঁ তুমি সুস্থ হোৱা।" আৰু লগে লগে কুষ্ঠ
ৰোগ নাইকিয়া হল। ১৪তেতিয়া যীচুৱে তেওঁক কলে, "এই
বিষয়ে কাকো নকবা। কিন্তু পুৰোহিতৰ ওচৰলৈ যোৱা আৰু
তোমাক পৰীক্ষা[b] কৰিবলৈ কোৱা। তাৰ পাছত মোচিৰ
আদেশ অনুসাৰে শুচিকৰনৰ বিধিগত উৎসৰ্গা দিয়াগৈ।
ইয়ে মানুহবোৰক প্ৰমাণ দিব যে তুমি সুস্থ হ'লা।"

১৫কিন্তু যীচুৰ বিষয়ে সংবাদ আৰু অধিককৈহে প্ৰচাৰিত
হ'ল; লোকসমূহে জুমে জুমে তেওঁৰ ওচৰলৈ উপদেশ
শুনিবলৈ আৰু ৰোগ বিলাকৰ পৰা সুস্থ হবলৈ আহিবলৈ
ধৰিলে। ১৬কিন্তু যীচুৱে প্ৰায়ে নিৰ্জন ঠাইলৈ গুচি গৈছিল
যাতে অকলে প্ৰাৰ্থনা কৰিব পাৰে।

## যীচুৱে জঠৰ ৰোগীক সুস্থ কৰে

*(মথি ৯:১–৮; মাৰ্ক ২:১–১২)*

১৭এদিন যীচুৱে উপদেশ দি থাকোতে গালীল, যিহুদীয়া
আৰু জেৰুচালেমৰ পৰা অহা কেইজনমান ফৰীচী আৰু
বিধান-পণ্ডিতো মানুহ বিলাকৰ মাজত বহি আছিল আৰু
নৰিয়াত পৰা লোকসমূহক সুস্থ কৰিবলৈ যীচু শক্তিত
আছিল। ১৮সেই সময়তে কেইজন মান লোকে এজন
জঠৰ ৰোগীক শয্যাৰে সৈতে কঢ়িয়াই আনিলে, আৰু
তেওঁলোকে জঠৰ ৰোগীজনক ভিতৰলৈ নি যীচুৰ সন্মূখত
থবলৈ চেষ্টা কৰিলে। ১৯কিন্তু লোকসমূহৰ ভীৰৰ বাবে
বাট নাপাই ঘৰৰ চালৰ ওপৰলৈ উঠি চালৰ খাপৰি গুচাই
ৰোগীজনক শয্যাৰে সৈতে সেই সুৰংগইদি যীচুৰ সন্মূখত
নমাই দিলে। ২০তেওঁলোকৰ বিশ্বাস দেখি যীচুৱে কলে, "হে
মিত্ৰ তোমাৰ পাপ ক্ষমা কৰা হল।"

২১তেতিয়া যিহুদী বিধান-পণ্ডিত আৰু ফৰীচী সকলে
আলোচনা কৰিবলৈ ধৰিলে, "ঈশ্বৰৰ অপমান কৰিবলৈ এওঁ
কোন? একমাত্ৰ ঈশ্বৰৰ বাদে আৰু কোনে পাপ ক্ষমা কৰিব
পাৰে?"

২২কিন্তু যীচুৱে তেওঁলোকৰ মনৰ ভাৱ জানি উত্তৰ
দি কলে, "তোমালোকে কিয় মনতে এনে ভাবিছা?
২৩–২৪মানৰ পুত্ৰৰ এই পৃথিৱীত পাপ ক্ষমা কৰিব পৰাৰ
অধিকাৰ আছে। কিন্তু মই কেনেকৈ তোমালোকক প্ৰমাণ
কৰি দেখুৱাম? তোমালোকে হয়তো ভাৱিব পাৰা মোৰ
বাবে এইদৰে কোৱাতো সহজ আছিল, 'তোমাৰ পাপ ক্ষমা
কৰা হ'ল, এইকাৰণেই যে তোমালোকে এইয়া কেনেকৈ
হ'ল তাক দেখা নাই। কিন্তু যদি মই এই মানুহজনক কওঁ
উঠা আৰু খোজ কাঢ়া' তেতিয়া তোমালোকে গম পাবা
যে মোৰ পাপ ক্ষমা কৰাৰ অধিকাৰ আছে।" তেতিয়া তেওঁ
জঠৰ ৰোগীজনক কলে, "মই তোমাক কৈছোঁ, উঠা আৰু
তোমাৰ শয্যা তুলি ঘৰলৈ যোৱা।"

২৫আৰু তেওঁ লগে লগে উঠি থিয় হল আৰু তেওঁলোকৰ
আগতে নিজৰ শয্যাখন তুলি ঈশ্বৰৰ প্ৰশংসা কৰি ঘৰলৈ
গুচি গল। ২৬তেওঁলোক সকলো আচৰিত হল, আৰু ঈশ্বৰৰ
গুণানুকীৰ্তন কৰিবলৈ ধৰিলে, আৰু তেওঁলোকে শ্ৰদ্ধাপূৰ্ণ

[a] **৫:১২ কুষ্ঠৰোগী** সেই সময়ত ছালৰ বেমাৰৰ অনেক ৰোগী আছিল, তেওঁলোক আটায়কে অশুচি (অস্পশ্চ)বুলি গণ্য কৰা হৈছিল।

[b] **৫:১৪ কিন্তু … পৰীক্ষা** মোচিৰ বিধান কয় পুৰোহিতহে সিদ্ধান্ত দিব পাৰে, এজন ছালৰ বেমাৰি সুস্থ হোৱাৰ।

ভয়ৰ মনোভাৱেৰে পৰিপূৰ্ণ হৈ কলে, “আজি আমি এক
অদ্ভূত কৰ্ম দেখিলো।”

### লেবিয়ে (মথি) যীচুক অনুসৰন কৰা

*(মথি ৯:৯–১৩; মাৰ্ক ২:১৩–১৭)*

২৭ইয়াৰ পিছত যীচু বাহিৰলৈ ওলাই গৈ কৰতোলা চৰাত
এগৰাকী কৰতোলোতাক বহি থকা দেখা পালে, তেওঁৰ
নাম লেবী আছিল। যীচুৱে তেওঁক কলে, “মোৰ পাচে পাচে
আঁহা!” ২৮লেবী উঠিল আৰু সকলো এৰি যীচুৰ অনুগামী
হল।

২৯তেতিয়া লেবীয়ে যীচুৰ নিমিতে তেওঁৰ নিজৰ ঘৰত
এক বৰ ভোজ পাতিলে, অনেক কৰতোলা লোক আৰু আন
আন মানুহেও ভোজত যোগ দিলে। ৩০কিন্তু ফৰীচী আৰু
বিধান-পণ্ডিত সকলে তেওঁৰ শিষ্য সকলক আপত্তি জনাই
কলে, “তোমালোকে কিয় কৰতোলা আৰু পাপী বিলাকৰ
সৈতে ভোজন পান কৰা?”

৩১উত্তৰত যীচুৱে তেওঁলোকক কলে, “ৰোগীলোকৰহে
চিকিত্সাৰ প্ৰয়োজন আছে,নিৰোগী লোকৰ নহয় ৩২মই
ধাৰ্মিক লোকক নহয় কিন্তু পাপীলোকৰহে মন পালটন
কৰিবলৈ আহিছোঁ।”

### যীচু আন ৰ্ধম্মনেতাসকলৰ দৰে নহয়

*(মথি ৯:১৪–১৭; মাৰ্ক ২:১৮–২২)*

৩৩তেওঁলোকে যীচুক কলে, “যোহনৰ শিষ্যবিলাকে প্ৰায়ে
লঘোণ দিয়ে আৰু প্ৰাৰ্থনা কৰে। আৰু একেদৰেই ফৰীচী
বিলাকৰ শিষ্যসকলেও কৰে, কিন্তু আপোনাৰ শিষ্য বিলাকে
সদায়ে খোৱা বোৱা কৰে।”

৩৪যীচুৱে তেওঁলোকক সুধিলে, “দৰাৰ অতিথি সকলে
দৰা থকালৈকে লঘোণ দিয়েনে? ৩৫কিন্তু যি দিনা দৰাক
তেওঁলোকৰ লগৰ পৰা লৈ যোৱা হব। সেই দিনা,
তেওঁলোকেও শোকত লঘোণ দিব।”

৩৬যীচুৱে তেওঁলোকক আৰু এটা দৃষ্টান্ত দি কলে,
“কোনেও নতুন পোচাকৰ পৰা এডোখৰ কাটি পুৰনি
কাপোৰত তাপলি নামাৰে। আৰু কোনোবাই যদি তেনে
কৰে, তেতিয়া তেওঁৰ নতুন চোলাটোও নষ্ট হ’ব আৰু
নতুনৰ পৰা উলিয়াই অনা ডোখৰো পুৰনি তাপলিৰ লগত
মিল নাখাব। ৩৭কোনেও নতুন দ্ৰাক্ষৰস পুৰনি মোটত নথয়
তেনে কৰিলে নতুন দ্ৰাক্ষৰসে পুৰণি মোটখনো ফালি
পেলাব ৰসো পৰি যাব আৰু মোটো নষ্ট হব। ৩৮মানুহে
সদায়ে নতুন দ্ৰাক্ষৰস নতুন মোটতহে ভৰায়। ৩৯পুৰনি
দ্ৰাক্ষৰস পান কৰাৰ পাছত কোনেও নতুন দ্ৰাক্ষাৰস
নিবিচাৰে, কিয়নো তেওঁ কয় পুৰনিয়েই যথেষ্ট ভাল।”

### যীচু বিশ্ৰাম বাৰৰ প্ৰভু

*(মথি ১২:১–৮; মাৰ্ক ২:২৩–২৮)*

৬ ১এবাৰ বিশ্ৰাম-বাৰে যীচু শষ্য ক্ষেত্ৰ মাজেৰে গৈ
আছিল। আৰু তেওঁৰ শিষ্যসকলে শষ্যৰ থোক
চিঙি চিঙি হাতেৰে মোহাৰি খাই আছিল। ২তেতিয়া ফৰীচী
বিলাকে কলে, “যি কৰ্ম বিশ্ৰাম বাৰে মোচিৰ বিধানৰ বিৰুদ্ধে
কৰা উচিত নহয় সেইটো তোমালোকে কিয় কৰিছা?”

৩যীচুৱে উত্তৰ দি কলে, “তোমালোকে পঢ়া নাইনে?
দায়ূদ আৰু তেওঁৰ লগৰীয়া সকলৰ ভোক লগাত দায়ূদে কি
কৰিছিল? ৪তেওঁ ঈশ্বৰৰ গৃহত সোমাই ঈশ্বৰলৈ উৎসৰ্গ কৰা
পিঠা লৈ খাইছিল আৰু তেওঁৰ লগৰ বিলাককো দিছিল।
মোচিৰ বিধান মতে সেই পিঠা পুৰোহিতৰ বাদে আনে
খোৱাটো কাৰো বাবে উচিত নাছিল।” ৫যীচুৱে ফৰীচী
সকলক কলে, “এই হেতুকে মানৱ পুত্ৰৰ বিশ্ৰামবাৰৰ
ওপৰত অধিকাৰ আছে।”

### যীচুৱে বিশ্ৰামবাৰে এগৰাকি ব্যক্তিক সুস্থ কৰা

*(মথি ১২:৯–১৪; মাৰ্ক ৩:১–৬)*

৬আন এটা বিশ্ৰামবাৰত যীচুৱে নাম ঘৰত সোমাই উপদেশ
দি আছিল। তাতে এজন সোঁহাত শুকাই যোৱা ব্যক্তি
আছিল। ৭যিহুদী বিধান পণ্ডিত আৰু ফৰীচী সকলে, যীচুৱে
বিশ্ৰামবাৰে কাৰোবাক সুস্থ কৰেনে নকৰে তালৈ লক্ষ্য কৰি
আছিল। তেওঁলোকে যীচুক দোষাৰোপ কৰিবলৈ কিবা চেলু
বিচাৰি আছিল। ৮যীচুৱে তেওঁলোকৰ মনৰ ভাৱ জানি সেই
শুকান হতীয়া মানুহজনক কলে, “উঠা আৰু সকলোৰে
সন্মূখত থিয় হোৱা!” আৰু সেই ব্যক্তিজন থিয় হল
৯তেতিয়া যীচুৱে তেওঁলোকক কলে, “মই তোমালোকক
এটা প্ৰশ্ন কৰো, বিশ্ৰামবাৰে ভাল কৰ্মনে বেয়া কৰ্ম কৰাটো
উচিত? কাৰোবাৰ জীৱন ৰক্ষা কৰা উচিত নে কাৰোবাৰ
জীৱন নষ্ট কৰা উচিত?”

১০যীচুৱে তেওঁৰ চাৰিওফালে থকা প্ৰতিজন মানুহকে
চালে আৰু শুকান হতীযা মানুজনক কলে, “তোমাৰ হাত
পোনকৈ মেলা।” তেওঁ তেনেকৈ কৰিলত তেওঁৰ হাত
পুনৰ সুস্থ হৈ গল। ১১ইয়াকে দেখি যিহুদী বিধান পণ্ডিত
আৰু ফৰীচী সকলে খংঙত জ্বলি উঠিল আৰু পৰস্পৰে
আলোচনা কৰিব ধৰিলে~যে যীচুক কি কৰিব পৰা যাব?

### যীচুৱে তেওঁৰ বাৰগৰাকী পাঁচনিক মনোনীত কৰা

*(মথি ১০:১–৪; মাৰ্ক ৩:১৩–১৯)*

১২কেইদিন মানৰ পাছত যীচুৱে প্ৰাৰ্থনা কৰিবৰ বাবে পৰ্বতৰ
ওপৰলৈ গ’ল আৰু গোটেই ৰাতি তেওঁ ঈশ্বৰক প্ৰাৰ্থনা কৰি
কটালে। ১৩পিচ দিনা ৰাতিপুৱা তেওঁ শিষ্যসকলক ওচৰলৈ
মাতিলে, আৰু তেওঁলোকৰ মাজৰ পৰা বাৰজনক মনোনীত
কৰি তেওঁলোকক তেওঁ পাঁচনি[a] নাম দিলে,

১৪ চিমোন (যাক তেওঁ পিতৰ নাম দিলে,)
আৰু তেওঁৰ ভায়েক আন্দ্ৰিয়,
যাকোব
আৰু যোহন,

[a] **৬:১৩ পাঁচনি** যিবিলাকক যীচুৱে মনোনীত কৰিছিল শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ আৰু তেওঁক সহায় কৰাৰ কাৰনে।

ফিলিপ,
বার্থলময়,
১৫ মথি,
থোমা,
আলফয়ৰ পুতেক যিহুদা
যাকোব আৰু উদ্যোগী[a] চিমোন
১৬ যাকোবৰ পুতেক যিহুদা
আৰু ইস্কোৰীতীয় যিহুদা (যিজন পাছত যীচুৰ বিৰুদ্ধে থিয় হল)।

### যীচুৱে লোকসকলক শিক্ষা দিয়া আৰু সুস্থ কৰা

*(মথি ৪:২৩–২৫; ৫:১–১২)*

১৭যীচুৱে পাঁচনি সকলৰ সৈতে পৰ্বতৰ পৰা তললৈ নামি আহি এক সমতল ঠাইত থিয় হল। তাত বহুসংখ্যক শিষ্য আছিল। তেওঁলোকৰ লগত গোটেই যিহুদিয়া, জেৰুচালেম, সমূদ্ৰ কাষৰীয়া জিলা বিলাকৰ নগৰ তুৰ আৰু চিদোনৰো অনেক লোক আছিল। ১৮তেওঁলোকে তেওঁৰ উপদেশ শুনিবলৈ আৰু ৰোগৰ পৰা মুক্তি পাবলৈ আহিছিল। অশুচি আত্মাই ধৰা বিলাকক তেওঁ সুস্থ কৰিলে। ১৯লোকসমূহে তেওঁক স্পৰ্শ কৰিবলৈ বিচাৰিছিল কিয়নো তেওঁৰ পৰা শক্তি বাহিৰ ওলাই আছিল আৰু সকলো ৰোগীক সুস্থ কৰিছিল।

২০তেতিয়া যীচুৱে নিজৰ শিষ্য সকললৈ চাই কলে,

"হে দৰিদ্ৰ বিলাক, তোমালোকে ধন্য
কিয়নো ঈশ্বৰৰ ৰাজ্য তোমালোকৰ;
২১ ভোকাতুৰ সকল তোমালোক ধন্য
কিয়নো তোমালোকে তৃপ্ত হবা,
আৰু আজি ক্ৰন্দন কৰা সকল ধন্য
কিয়নো তোমালোকে আনন্দিত হবা আৰু হাঁহিবলৈ পাবা।

২২"মানৱ-পুত্ৰৰ কাৰণে মানুহে তোমালোকক ঘিন কৰিব, তেওঁলোকে তোমালোকক নিজৰ গোষ্ঠীৰ পৰা বহিস্কাৰ কৰিব, তোমালোকৰ নিন্দা কৰিব, তোমালোকৰ নাম লোৱাটোও ভুল বুলি বিবেচনা কৰিব। যেতিয়া তোমালোকে এইবোৰৰ সম্মুখীন হ'বা, তেতিয়া তোমালোকে ঈশ্বৰৰ ধন্য হবা। ২৩যেতিয়া সেয়া ঘটিব আনন্দিৰে উল্লাসিত হৈ জপিয়াবা কিয়নো স্বৰ্গত তোমালোকে মহান পুৰস্কাৰ পাবা! তেওঁলোকৰ পূৰ্ব-পুৰুষ সকলেও ভাৱবাদী সকলক এনেদৰেই কৰিছিল।

[a] **৬:১৫ উদ্যোগী** এজন গোড়া যিহুদীক বৰ্ণনা কৰে, যিজনে যিহুদী ধৰ্মৰ সকলো নীতিবিধি পৰম্পৰা, মাটি, মন্দিৰ আদি গোড়ামীভাবে মানিচলে। এই ইচ্ছাই এইটোও বুজায় যে এই সকলো পবিত্ৰতা ৰক্ষা কৰিবলৈ বাহিস্কাৰ যিকোনো ভাবুকি, যেনে ৰোমান শাসন আদিৰ পৰা যিকোনো কাম কৰিবলৈ উৎগীত। এনেকুৰা যিহুদী নীতিত উৎসৰ্গীত সকলৰ দলকেই উদ্যোগী বোলা হয়। টোকা মথি ১০:৪; মাৰ্ক ৩:১৮; উদ্যোগী আৰামিক শব্দ বা কানানীয়ান একেই অৰ্থ বুজায়।

২৪ "কিন্তু হে ধনৱন্ত বিলাক,
তোমালোকে সুখ বিলাস কৰি আছা তোমালোক সন্তাপৰ পাত্ৰ।
২৫ হে তৃপ্ত হোৱা বিলাক তোমালোকে সন্তাপৰ পাত্ৰ
কিয়নো তোমালোক ভোকত থাকিবা,
হে হাঁহি থকা বিলাক তোমালোক সন্তাপৰ পাত্ৰ
কিয়নো তোমালোকে শোক কৰিবা আৰু ক্ৰন্দন কৰিবা।

২৬"হে মানুহে প্ৰশংসা কৰা লোক সকল তোমালোক সন্তাপৰ পাত্ৰ, কিয়নো তোমালোকৰ পূৰ্ব-পুৰুষ সকলেও ভূৱা ভাৱবাদী সকলক এনেদৰেই ব্যৱহাৰ কৰিছিল।

### তোমাৰ শত্ৰুক প্ৰেম কৰিবা

*(মথি ৫:৩৮–৪৮; ৭:১২)*

২৭"কিন্তু শ্ৰোতাসকলক মই কওঁ, "তোমালোকৰ শত্ৰুবিলাকক প্ৰেম কৰিবা। তোমালোকক ঘিন কৰা সকলৰ উপকাৰ কৰিবা। ২৮শাও দিয়া বিলাকক আৰ্শীবাদ কৰিবা আৰু যি বিলাকে তোমালোকক বেয়া ব্যৱহাৰ কৰে তেওঁলোকৰ বাবে প্ৰাৰ্থনা কৰিবা, ২৯যদি কোনোবাই তোমাৰ এখন গালত চৰ মাৰে, তেওঁক আনখন গালো পাতি দিবা, যদি কোনোবাই তোমাৰ বৰ চোলাটো কাঢ়ি লৈ যায় তেন্তে তেওঁক তোমাৰ চোলাটো লবলৈও বাধা নিদিবা। ৩০তোমাক খোজা প্ৰতি জনকে দিবা। যদি কোনোবাই তোমাক কিবা বস্তু ৰাখি থয় তেন্তে তাক ঘূৰাই নুখুজিবা। ৩১আনে তোমালোকক যেনে ব্যৱহাৰ কৰিলে তোমালোকে ভাল পোৱা, তোমালোকেও আনক তেনেদৰেই ব্যৱহাৰ কৰিবা।

৩২"যদি তুমি তোমাক প্ৰেম কৰা বিলাককে কেৱল প্ৰেম কৰা তেন্তে তুমি কি প্ৰশংসা পাবা? কিয়নো পাপী বিলাকেও তেওঁলোকক প্ৰেম কৰা বিলাকক প্ৰেম কৰে। ৩৩যিবিলাকে তোমালোকৰ উপকাৰ কৰে, তোমালোকে যদি কেৱল তেওঁলোকৰহে উপকাৰ কৰা তেন্তে কি প্ৰশংসা পাবা? পাপী বিলাকেওতো তেনেকৈ কৰে। ৩৪তোমালোকে যদি যিবিলাকৰ পৰা ঘূৰাই পাবা কেৱল তেওঁলোককহে ধাৰ দিয়া তেন্তে কি প্ৰশংসা পাবা? কিয়নো পাপী বিলাকেও পৰিশোধ বিচাৰিহে আনক ধাৰ দিয়ে।

৩৫"মই তোমালোকক কৈছোঁ তোমালোকৰ শত্ৰুক প্ৰেম কৰিবা আৰু তেওঁলোকৰ ভালটোহে কৰিবা, কোনো ধৰণৰ পৰিশোধৰ আশা নকৰি ধাৰ দিবা। যদি তোমালোকে এইদৰে কৰা তেতিয়াহে তোমালোকে মহান পুৰস্কাৰ পাবা আৰু তোমালোক সৰ্ব্বোপৰি ঈশ্বৰৰ সন্তান হবা, কিয়নো ঈশ্বৰে অকৃতজ্ঞ আৰু দুষ্ট লোককো দয়া কৰে। ৩৬তোমালোকৰ পৰম পিতৃ দয়ালু, তোমালোকো তেনে দয়ালু হোৱা।

### পৰচৰ্চ্চা কৰাৰ পৰা সাৱধান

*(মথি ৭:১–৫)*

৩৭"আনৰ বিচাৰ নকৰিবা তেহে তোমাৰো বিচাৰ কৰা

নহব, আনক দোষী নকৰিবা তেহে তোমাকো দোষী কৰা নহব; আনক ক্ষমা কৰিবা তেহে তোমাকো ক্ষমা কৰা হব।” ৩৮আনক দিয়া তেতিয়া তুমিও পাবা। তোমাক বেছিহে দিয়া হ’ব। তোমাৰ হাতত তুমি দাঙিব পৰাতকৈও বেছি বাকি দিব। তোমাক ইমানেই বেছি দিয়া হ’ব~যে সেই বোৰে তোমাৰ কোচ ওপচি পৰিব। যিদৰে তুমি আনক দিবা ঈশ্বৰে তোমাকো সেইদৰেই দিব।

৩৯যীচুৱে তেওঁলোকক এটি দৃষ্টান্ত কলে, “এজন অন্ধই আন এজন অন্ধক বাট দেখুৱাব পাৰেনে? তেওঁলোক দুয়োজনে একেলগে গাঁতত নপৰিব জানোঁ? ৪০কোনো শিষ্যই গুৰুতকৈ ডাঙৰ নহয়। কিন্তু শিষ্যই উপযুক্ত প্ৰশিক্ষন পোৱাৰ পিছত তেওঁৰ গুৰুৰ নিচিনা হৈ যায়।

৪১“তুমি কিয় ভায়েৰাৰ চকুত থকা কুটা ডালিলৈ চোৱা কিন্তু নিজৰ চকুত থকা চতি ডাললৈ লক্ষ্যই নকৰা ৪২তুমি নিজৰ চকুৰ কুটাডালিকে দেখা নাই তেন্তে তোমাৰ ভাইক তোমাৰ চকুৰ পৰা কুটাডালি উলিয়াই দিওঁ দিয়া বুলি কেনেকৈ কবা? হে কপটীয়া প্ৰথমে তোমাৰ চকুৰ পৰা চতি ডাল উলিওৱা তেহে ভায়েৰাৰ চকুৰ পৰা কুটা ডালি উলিয়াবলৈ ভালদৰে দেখা পাবা।

### মাত্ৰ ভাল গছেহে ভাল ফল ধাৰন কৰে

*(মথি ৭:১৭–২০; ১২:৩৪–৩৫)*

৪৩“ভাল গছে বেয়া ফল নধৰে আৰু বেয়া গছে ভাল ফল নধৰে ৪৪প্ৰতিজোপা গছ তাৰ ফলৰ পৰাই চিনা যায়; মানুহে কাঁইটীয়া গছৰ পৰা ডিমৰু ফল নাপাৰে আৰু বনৰীয়া পুলিৰ পৰাও আঙুৰ নচপায়। ৪৫ভাল মানুহে তেওঁলোকৰ হূদয়ত সদায় ভাল বস্তু সাঁচি ৰাখে। সেয়েহে তেওঁলোকৰ পৰা ভাল বস্তু ওলায়। বেয়া মানুহে তেওঁলোকৰ হূদয়ত বেয়া বস্তু সাঁচি ৰাখে। সেয়েহে তেওঁলোকৰ পৰা সদায় বেয়া বস্তু ওলাই। কিয়নো এজন মানুহে মূখেৰে তাকে কয় যি তেওঁৰ হূদয়ৰ (মনৰ) পৰা বাহিৰলৈ ওলাই আহে।

### দুই প্ৰকাৰ ব্যক্তি

*(মথি ৭:২৪–২৭)*

৪৬“তোমালোকে কিয় মোক প্ৰভু, প্ৰভু বুলি মাতা, কিন্তু মই যি কওঁ তাকে নুশুনা। ৪৭যি সকলে মোৰ ওচৰলৈ আহে মোৰ উপদেশ শুনে আৰু পালন কৰে, তেওঁলোক কেনে ধৰনৰ মানুহ, তোমালোকক কওঁ। ৪৮তেওঁলোক সেইজন ব্যক্তিৰ নিচিনা, যি জনে দ্ ভেটি খান্দি শিলৰ ওপৰত ঘৰ সাজিলে। যেতিয়া ঢল আহিল, তেতিয়া পানীৰ কোবাল সোঁতে ঘৰত খুন্দা মাৰিলে, কিন্তু তাক লৰাব নোৱাৰিলে, কিয়নো ঘৰটো মজবুতকৈ সজা হৈছিল,

৪৯“কিন্তু যি জনে মোৰ উপদেশ শুনি পালন নকৰে তেওঁ সেইজন ব্যক্তিৰ নিচিনা যি জনে ভেঁটি নোহোৱাকৈযে তেওঁৰ ঘৰ সাজিলে, যেতিয়া ঢল আহিল পানীৰ কোবাল সোঁতে ঘৰত জোৰেৰে খুন্দা মাৰিলে তেতিয়া তৎক্ষণাত ঘৰটো ভাঙি পৰিল আৰু সম্পূৰ্ণকৈ নি:শেষ হৈ গল।

### যীচুৱে এগৰাকী বিষয়াৰ দাসক সুস্থ কৰা

*(মথি ৮:৫–১৩; যোহন ৪:৪৩–৫৪)*

৭ ১যীচুৱে এই সকলোবোৰ সকলোখিনি কথা কৈ শেষ কৰাৰ পিছত তেওঁ কফৰনাহুমলৈ গল। ২তাত এজন সেনাপতি আছিল যাৰ দাসৰ ইমান অসুক হৈছিল যে তেওঁ মৃতপ্ৰায় অৱস্থাত আছিল। সেইজন দাস তেওঁৰ (সেনাপতিৰ) অতি মূল্যবান আছিল। ৩যেতিয়া সেনাপতিযে যীচুৰ বিষয়ে শুনিলে তেতিয়া তেওঁ কেইজন মান বৃদ্ধ যিহুদী লোকক তেওঁৰ ওচৰলৈ পঠিয়ালে, যাতে তেওঁ আহি দাস জনৰ জীৱন ৰক্ষা কৰে। ৪বৃদ্ধ যিহুদী নেতাকেইজন যীচুৰ ওচৰলৈ আহি সেনাপতিজনক সহায় কৰিবলৈ মিনতি জনালে। তেওঁলোকে যীচুক কলে, “সেনাপতি জন বাস্তবিকতে সহায় পোৱাৰ যোগ্য ৫কিয়নো তেওঁ আমালৈ এটি নাম-ঘৰো সাজি দিছে।”

৬তেতিয়া যীচু তেওঁলোকৰ লগত যাবলৈ ললে। ঘৰখনৰ পৰা অলপ দূৰৈত থাকোঁতে সেনাপতিজনে নিজৰ কেইজন মান বন্ধুক কৈ পঠিয়ালে যে, “প্ৰভু আপুনি নিজকে কষ্ট নিদিব, আপুনি যে মোৰ ঘৰৰ ভিতৰলৈ আহিব মই এনে সৎ মানুহ নহয়। ৭ময়ো নিজে আপোনাৰ ওচৰলৈ যোৱাৰ যোগ্যতা আছে বুলি নাভাৱোঁ। আপুনি মাত্ৰ এষাৰ কথা কওক তাতে মোৰ দাস সুস্থ্ হব। ৮কিয়নো মইয়ো আনৰ অধীনত কাম কৰা লোক আৰু মোৰ অধীনতো বহু সেনা আছে। মই এজনক ‘যা’ বুলিলে সি যায়, আনজনক ‘আহ’ বুলিলে সি আহে, আৰু মোৰ দাসক এইটো ‘কৰ’ বুলি কলে সি কৰে।”

৯যীচুৱে এই কথা শুনি বিস্ময় মানিলে যীচুৱে তেওঁৰ পিছে পিছে গৈ থকা লোকসমূহৰ ফালে ঘূৰি চাই কলে, “মই তোমালোকক কওঁ এনে বিশ্বাসী মই আনকি ইস্ৰায়েলৰ মাজতো পোৱা নাই।”

১০সেনাপতিয়ে যি বিলাকক পঠাইছিল তেওঁলোকে ঘৰলৈ উভতি গৈ দাসজনক সুস্থ অৱস্থাত পালে।

### যীচুৱে এগৰাকী বিধৱাৰ পুতেকক জীয়াই তোলা

১১পিচদিনা যীচু নায়িন নামৰ এখন নগৰলৈ গল, তেওঁৰ শিষ্যসকল আৰু বহুত মানুহৰ দল এটাও তেওঁৰ লগত গৈছিল ১২তেওঁ নগৰৰ দুৱাৰ মূখ পাওঁতেই মৃত ব্যক্তি এজনক বাহিৰলৈ উলিয়াই নিয়া দেখিলে। মৃত ব্যক্তি জন বিধৱা তিৰোতাৰ একমাত্ৰ সন্তান আছিল। নগৰৰ অনেক লোক তেওঁৰ লগত কবৰস্থানলৈ আহিছিল। ১৩যেতিয়া প্ৰভুৱে তেওঁক দেখা পালে তেওঁৰ প্ৰতি প্ৰভুৰ দয়া উপজিল আৰু তেওঁক কলে, “নাকান্দিবা!” ১৪তেতিয়া তেওঁ আগবাঢ়ি আহি মৃত দেহ শুৱাই থোৱা চাঙীখন চুলে। চাঙী কঢ়িয়াই নিয়া মানুহ বিলাকে থমকি ৰল। যীচুৱে মৃত ব্যক্তি জনক কলে, “ডেকা মানুহ, মই তোমাক কওঁ, থিয় হোৱা।” ১৫তৎক্ষণাত মৰা মানুহজন উঠি বহিল আৰু কথা কবলৈ আৰম্ভ কৰিলে। যীচুৱে তেওঁক মাকৰ হাতত গতাই দিলে।

১৬তাত থকা প্ৰতিজন মানুহৰ মন ভয় আৰু ঈশ্বৰৰ প্ৰতি ভক্তিৰে ভৰি পৰিল। তেওঁলোকে ঈশ্বৰৰ প্ৰশংসা কৰি

কবলৈ ধৰিলে, “আমাৰ মাজত এজন মহান ভাৱবাদীৰ
আবিৰ্ভাৱ হৈছে!” আৰু “ঈশ্বৰে তেওঁৰ লোকবিলাকক
সহায় কৰিবলৈ আহিছে!”
১৭যীচুৰ বিষয়ে এই সংবাদ সমগ্ৰ যিহুদীয়া আৰু তাৰ
ওচৰে পাজৰে থকা ঠাই বোৰত বিয়পি গল।

## যোহনে তেওঁৰ শিষ্যসকলক যীচুক প্ৰশ্ন সুধিবলৈ পঠিওৱা

*(মথি ১১:২–১৯)*

১৮যোহনৰ শিষ্যসকলে এই সকলোবোৰ সংবাদ তেওঁক
দিলেগৈ। তেতিয়া যোহনে তেওঁৰ দুজন শিষ্যক মাতিলে,
১৯তেওঁলোকক প্ৰভুৰ ওচৰলৈ পঠাই দি সুধিবলৈ কলে
যে, “আহিব লগা জনা আপুনিয়েই নে, নতুবা আমি
আনকোনোবা এজনলৈ বাট চাম নেকি?”
২০তেতিয়া দুয়োজন শিষ্যই যীচুৰ ওচৰলৈ আহি কলে,
“বাপ্তিস্মদাতা যোহনে আমাক আপোনাক সুধিবলৈ পঠাইছে
যে, ‘আহিব লগা জনা আপুনিয়েই নে নহলে আমি আন
কাৰোবলৈ বাট চাম নেকি?’”
২১সেই সময়ত যীচুৱে অনেক ৰোগীয়া বিলাকক আৰু
বেদনা, দুষ্টআত্মা গ্ৰস্থ লোকক সুস্থ কৰিছিল আৰু দৃষ্টিহীন
বিলাকক দৃষ্টি প্ৰদান কৰিছিল। ২২যীচুৱে যোহনৰ শিষ্য সকলক
কলে, “তোমালোকে যোৱা আৰু যি যি বিলাক দেখিলা আৰু
শুনিলা সেই সকলোবোৰ সংবাদ যোহনক দিয়াগৈ। অন্ধই
দৃষ্টি পাইছে, খোৰাই খোজ কাঢ়িছে, কুষ্ঠ ৰোগীক সুস্থ কৰা
হৈছে, কলা বিলাকে শুনিবলৈ পাইছে, মৃতবিলাকক জীৱনলৈ
তোলা হৈছে, আৰু দৰিদ্ৰসকলৰ আগত শুভবাৰ্তা ঘোষনা
কৰা হৈছে। ২৩যিসকলৰ মোক গ্ৰহন কৰিব লৈ কোনো
সমস্যা নাই তেওঁলোকে মহান আৰ্শীবাদ পাব।”
২৪যোহনৰ শিষ্য দুজন যোৱাৰ পাছত যীচুৱে লোকসমূহক
যোহনৰ বিষয়ে কবলৈ আৰম্ভ কৰিলে। তোমালোকে
অৰন্যলৈ কি চাবলৈ গৈছিলা? সেইজনক নেকি যিজন বতাহে
লৰোৱা নল এডালৰ দৰে দুৰ্বল? ২৫তেন্তে কি চাবলৈ গৈছিলা?
কোমল ভাল মিহি ধূনীয়া কাপোৰ পিন্ধা মানুহক নে? নহয়
সাধাৰণতে মূল্যবান ধূনীয়া কাপোৰ পিন্ধা লোক বিলাক
আৰু বিলাসীভাবে জীৱন কটোৱাসকল ৰাজ ভৱনত থাকে।
২৬গতিকে মোক কোৱা তোমালোকে নো কি চাবলৈ গৈছিলা?
কোনোবা ভাৱবাদীক নে? হয় যোহন এগৰাকী ভাৱবাদী। কিন্তু
মই তোমালোকক কওঁ তেওঁ ভাৱবাদীতকৈয়ো মহান। ২৭যি
জনাৰ বিষয়ে শাস্ত্ৰত লিখা আছে:

‘চোৱা মই মোৰ দূতক আপোনাৰ আগতে পঠিয়াইছোঁ
তেওঁ আপোনাৰ বাবে বাট যুগুত কৰিব।’

*মলাখী ৩:১*

২৮মই তোমালোকক কওঁ যে পৃথিৱীত জন্ম পোৱা সকলৰ
ভিতৰত, যোহনতকৈ মহান কোনো নাই কিন্তু ঈশ্বৰৰ
ৰাজ্যত সৰুতকৈয়ো সৰু জনেও তেওঁতকৈ মহান।”
২৯(সকলো মানুহ আৰু কৰতোলা লোকসকলেও
যীচুৰ এই কথা শুনি ঈশ্বৰৰ শিক্ষা শুদ্ধ বুলি সম্মত হল।
তেওঁলোকৰ আটায়ে যোহনৰ পৰা বাপ্তিস্ম গ্ৰহন কৰিছিল।
৩০কিন্তু ফৰীচী আৰু বিধান-পণ্ডিত সকলে তেওঁৰ পৰা
বাপ্তিস্ম গ্ৰহন নকৰিবলৈ থিৰাং কৰি ঈশ্বৰৰ ইচ্ছাক অগ্ৰাহ্য
কৰিছিল।)
৩১“এই যুগৰ লোকবিলাকৰ বিষয়ে মই কি কম?
তেওঁলোকক মই কিহৰ লগত তুলনা কৰিম? ৩২তেওঁবিলাক
হাট-বজাৰত বহি থকা লৰা-ছোৱালীবোৰৰ নিচিনা ইজনে
সিজনক কয়,

‘আমি তোমালোকৰ বাবে বাঁহী বজালো,
কিন্তু তোমালোকে নানাচিলা।
আমি তোমালোকৰ নিমিতে শোকৰ গীত গালো
কিন্তু তোমালোকে নাকান্দিলা।’

৩৩কিয়নো বাপ্তাইজক যোহন আহিল আৰু তেওঁ সাধাৰন
আহাৰ নাখাইছিল আৰু দ্ৰাক্ষাৰসো পান কৰা নাছিল আৰু
তোমালোকে কোৱা তেওঁৰ গাত ভূতে লম্ভিছে বুলি,
৩৪পাছে মানৱ পুত্ৰ আহিল তেওঁ ভোজন পান কৰিলে আৰু
তোমালোকে কোৱা এইজন খাৰৈচ আৰু মদপী, কৰতোলা
আৰু পাপী বিলাকৰ বন্ধু! ৩৫ঈশ্বৰে তেওঁৰ জ্ঞানত আমাক
পঠিয়ালে আৰু বহুতো লোকে আনকি আমাকো গ্ৰহন
নকৰিলে কিন্তু যিসকলে আমাক গ্ৰহন কৰিলে তেওঁলোকৰ
দ্বাৰা ঈশ্বৰৰ জ্ঞান সত্য বুলি প্ৰমানিত হল।

## যীচু, এজন ফৰীচী আৰু এগৰাকী পাতকী তিৰোতা

৩৬ফৰীচীবিলাকৰ এজনে যীচুক তেওঁৰ লগত ভোজন
কৰিবলৈ নিমন্ত্ৰণ কৰিলে সেয়ে যীচুৱে ফৰীচীজনৰ ঘৰলৈ
গৈ ভোজন কৰিবলৈ আহাৰৰ মেজত ঠাই গ্ৰহন কৰিলে।
৩৭সেই নগৰতে এগৰাকী পাতকী তিৰোতা আছিল। তেওঁ
শুনিবলৈ পালে~যে যীচুৱে ফৰীচীৰ ঘৰত ভোজন কৰিবলৈ
আহিছে। সেয়ে তেওঁ মূল্যবান সুগন্ধী তেলেৰে ভৰা এটা
স্পটিকৰ বটল আনিলে আৰু ৩৮তাই যীচুৰ চৰণৰ পিচফালে
থিয় হৈ কান্দিবলৈ ধৰিলে। তাইৰ চকুৰ পানীৰে যীচুৰ চৰণ
তিয়াই পেলালে। তেতিয়া তাই তেওঁৰ চৰণ মূৰৰ চুলিৰে
মচি চৰণত চুমা খালে আৰু সুগন্ধি তেল ঘঁহি দিলে।
৩৯তেওঁক নিমন্ত্ৰণ কৰা ফৰীচীজনে এই সকলো দেখি,
তেওঁ মনতে কলে, “এওঁ সচাকৈয়ে ভাৱবাদী হোৱা হলে,
তেওঁৰ ভৰি স্পৰ্শ কৰা তিৰোতা গৰাকী যে পাপী এই কথা
নিশ্চয় জানিলেহেঁতেন!”
৪০তেতিয়া যীচুৱে ফৰীচীজনক কলে, “হে চিমোন
তোমাক কবলৈ মোৰ কিছু কথা আছে।”
চিমোনে কলে, “হে, গুৰু কওক।”
৪১যীচুৱে কলে, “কোনো মহাজনৰ দুজন ধৰুৱা আছিল।
এজনৰ পাঁচশ ৰূপৰ মুদ্ৰা আৰু আনজনৰ পঞ্চাচটা ৰূপৰ
মুদ্ৰাৰ ধাৰ আছিল। ৪২পাচে তেওঁলোকে ধাৰ পৰিশোধ
কৰিব নোৱাৰাত মহাজনে দুয়োজনৰে ধাৰ ক্ষমা কৰিলে।

এই দুয়োজনৰ ভিতৰত, কোন জনে তেওঁক অধিক প্ৰেম কৰিব?”

৪৩চিমোনে উত্তৰ দিলে, “মই ভাবো যি জনৰ অধিক ধাৰ আছিল।”

যীচুৱে তেওঁক কলে, “তুমি ঠিক উত্তৰ দিলা।” ৪৪তেতিয়া যীচুৱে তিৰোতাগৰাকীৰ ফালে মূখ ঘূৰাই চিমোনক কলে, “তুমি এই তিৰোতাগৰাকীক দেখিছানে? মই তোমাৰ ঘৰলৈ আহিলো কিন্তু তুমি মোক ভৰি ধূবলৈ পানী নিদিলা, কিন্তু তেওঁ চকুৰ পানীৰে মোৰ চৰণ তিয়াই নিজৰ চুলিৰে মচিলে। ৪৫তুমি মোক চুমা ৰে অভ্যৰ্থনা নকৰিলা, কিন্তু মই অহাৰে পৰা তেওঁ মোৰ চৰণ দুখনত চুমা খাবলৈ ধৰিলে। ৪৬তুমি মোৰ মূৰত তেল ঘঁহি মোক সম্মান কৰা নাই কিন্তু তেওঁ মোৰ ভৰিত সুগন্ধি তেল বাকি দিলে ৪৭সেয়ে মই তোমাক কওঁ তেওঁ দেখুউৱা অত্যন্ত প্ৰেমৰ বাবে তেওঁৰ অধিক হোৱা পাপ ক্ষমা কৰা হল। যিজনৰ অলপ ক্ষমা কৰা হয়, তেওঁ অলপহে প্ৰেম কৰে।”

৪৮তেতিয়া যীচুৱে তিৰোতাগৰাকীক কলে, “তোমাৰ পাপ ক্ষমা কৰা হল।”

৪৯তেতিয়া তেওঁৰে সৈতে ভোজনত বহাবিলাকে নিজৰ ভিতৰতে কবলৈ ধৰিলে, “পাপকো ক্ষমা কৰিব পৰা এওঁনো কোন?”

৫০পাচে যীচুৱে তিৰোতাজনীক কলে, “তোমাৰ বিশ্বাসেই তোমাক তোমাৰ পাপসমূহৰ পৰা ৰক্ষা কৰিলে, শান্তিৰে যোৱা।”

## যীচুৰ লগৰ দলটি

**৮** ১ইয়াৰ পিচদিনা যীচুৱে নগৰে-চহৰে, আৰু গাৱেঁ-ভূঞেঁ গৈ লোকবিলাকক ঈশ্বৰৰ ৰাজ্যৰ শুভৰাৰ্তা প্ৰচাৰ কৰিবলৈ ধৰিলে। তেওঁৰ সৈতে বাৰজন পাঁচনি ২আৰু অশুচি আত্মা আৰু বিভিন্ন ৰোগৰ পৰা সুস্থ হোৱা কেইগৰাকী মান তিৰোতাও আছিল। এই তিৰোতা সকলৰ ভিতৰত মগ্দলীনী মৰিয়ম (যাৰ পৰা সাতোটা অশুচি আত্মা খেদোৱা হৈছিল) ৩কুচৰ পত্নী যোহানা (কুচ এজন প্ৰধান কৰ্মচাৰী আছিল। তেওঁ হেৰোদৰ সম্পতিৰ তত্ত্বাৱধায়ক আছিল) চোচন্না আৰু আন বহুতো। এই তিৰোতাসকলে নিজৰ নিজৰ সম্পতিৰ পৰা খৰচ কৰি যীচু আৰু তেওঁৰ শিষ্য সকলৰ সেৱা শুশ্ৰূষা কৰিছিল।

## বীজ সিঁচা এগৰাকী খেতিয়কৰ দৃষ্টান্ত

*(মথি ১৩:১–১৭; মাৰ্ক ৪:১–১২)*

৪যেতিয়া বিভিন্ন নগৰৰ পৰা বহুত মানুহ আহি তেওঁৰ ওচৰত এক বিৰাট জন সমাবেশৰ সৃষ্টি কৰিলে। তেতিয়া যীচুৱে দৃষ্টান্তৰে কথা কবলৈ ধৰিলে:

৫“এজন খেতিয়কে কঠীয়া সিচিঁবলৈ ওলাই গল। তেওঁ পথাৰত কঠীয়া সিচোঁতে কিছুমান কঠীয়া বাটৰ ওপৰত পৰাত মানুহে গচকিলে আৰু আকাশৰ চৰাইবোৰেও আহি খুটি খালে। ৬আন কিছুমান কঠীয়া শিলাময় মাটিত পৰিল, আৰু গজাৰ পিচত মাটিত জীপ (পানী) নোহোৱাত শুকাই গল। ৭আন কিছুমান কঠীয়া কাঁইট্টিয়া বনৰ মাজত পৰাত কাঁইট্টিয়া বন গজি বাঢ়ি তাক হেঁচি মাৰিলে। ৮আৰু আন কিছুমান কঠীয়া ভাল মাটিত পৰিল আৰু কঠীয়া বাঢ়ি এশ গুণতকৈ অধিক ফল উৎপন্ন কৰিলে।”

এই দৃষ্টান্ত কৈ শেষ কৰি তেওঁ উচ্চ স্বৰে কলে, “যি সকলে মোক শুনিবলৈ সমৰ্থ আছে তেওঁ শুনুক।”

৯যীচুৰ শিষ্য সকলে তেওঁক সুধিলে, “এই দৃষ্টান্তৰ অৰ্থ কি?”

১০তেওঁ কলে, “ঈশ্বৰৰ ৰাজ্যৰ ৰহস্যবোৰৰ বিষয়ে জনাৰ বাবে তোমালোকক বাচিলোৱা হৈছে, কিন্তু আন সকলক মই দৃষ্টান্তৰে কওঁ যাতে,

‘তেওঁলোকে দেখোতে দেখিব কিন্তু দেখা নাপাব
আৰু শুনোতে শুনিব কিন্তু বুজি নাপাব।’ *যিচয়া ৬:৯*

## যীচুৱে শস্য দৃষ্টান্তৰ বিষয়ে বুজাই দিয়ে

*(মথি ১৩:১৮–২৩; মাৰ্ক ৪:১৩–২০)*

১১“এই দৃষ্টান্তৰ অৰ্থ এয়ে যে: কঠীয়া হৈছে ঈশ্বৰৰ শিক্ষা, ১২বাটৰ ওপৰত পৰা কঠীয়াৰ অৰ্থ হৈছে, যিবিলাকে বাক্য শুনে, কিন্তু তেওঁলোকে বিশ্বাস নকৰে আৰু পৰিত্ৰাণ নাপায়, সেয়ে চয়তানে আহি তেওঁলোকৰ হৃদয়ৰ পৰা ঈশ্বৰৰ বাক্য কাঢ়ি লৈ যায়। ১৩শিলাময় ঠাইত পৰা কঠীয়াৰ অৰ্থ হৈছে, যিবিলাকে বাক্য শুনে আৰু আনন্দৰে গ্ৰহণ কৰে কিন্তু বাক্য তেওঁলোকত শিপাব নোৱাৰাত তেওঁলোকে কিছুদিনৰ বাবেহে বিশ্বাস কৰে, কিন্তু পৰীক্ষাৰ সময়ত তেওঁলোক ঈশ্বৰৰ পৰা আতঁৰি আহে।

১৪“কাইটঁনিত পৰা কঠীয়াৰ অৰ্থ হৈছে যিবিলাকে বাক্য শুনে কিন্তু জীৱনৰ যাত্ৰাত নানা ধৰণৰ চিন্তা ধন সম্পতি মোহ, আৰু বিলাসৰ জীৱন যাপনৰ চিন্তাৰ হেচাঁত চেপা খাই নিস্ফল হৈ যায়। ১৫ভাল মাটিত প’ৰা কঠীয়াৰ অৰ্থ হৈছে যিবিলাকে বাক্য শুনি শুদ্ধ আৰু সৰল মনত ঠাই দিয়ে আৰু ধৈৰ্য্যৰে ভাল ফল উৎপন্ন কৰে।

## নিজৰ বোধজ্ঞানৰ ব্যৱহাৰ

*(মাৰ্ক ৪:২১–২৫)*

১৬“কোনোৱে চাকি জ্বলাই চৰিয়াৰে ঢাকি নথয়, বা বিচনাৰ তলত নাৰাখে কিন্তু গছাৰ ওপৰতহে থয় যাতে ভিতৰলৈ অহা মানুহে যেন যথেস্ট পোহৰ দেখা পায়। ১৭কিয়নো লুকাই থকা প্ৰতিটো বস্তু প্ৰকাশিত হ’ব আৰু প্ৰতিটো গোপন ৰস্তু জনাজাত হ’ব আৰু সকলোৱে দেখা পাব। ১৮এতেকে তোমালোকে মনোযোগ দি শুনা কিয়নো যাৰ জ্ঞান আছে তেওঁক আৰু অধিক দিয়া হব আৰু যাৰ জ্ঞান নাই তাৰ যি অলপ আছে তাকো তেওঁৰ পৰা নিয়া হব।”

## যীচুৰ শিষ্যসকলেই তেওঁৰ প্ৰকৃত পৰিয়াল

*(মথি ১২:৪৬–৫০; মাৰ্ক ৩:৩১–৩৫)*

১৯তেতিয়া যীচুৰ মাক আৰু তেওঁৰ ভায়েক সকল তেওঁৰ

ওচৰলৈ আহিল, কিন্তু মানুহৰ ভীৰৰ বাবে তেওঁৰ কাষ চাপিব নোৱাৰিলে, ২০তেতিয়া যীচুক কোনোবাই কলে, “আপোনাৰ মাতৃ আৰু ভাই সকল বাহিৰত থিয় হৈ আছে, তেওঁলোকে আপোনাক লগ কৰিব বিচাৰিছে।”

২১কিন্তু যীচুৱে তেওঁলোকক উত্তৰ দিলে, “যিবিলাকে ঈশ্বৰৰ বাক্য শুনি পালন কৰে তেওঁলোকেই মোৰ মাতৃ আৰু ভাই।”

## যীচুৰ শিষ্যসকলে তেওঁৰ শক্তি দেখা

*(মথি ৮:২৩–২৭; মাৰ্ক ৪:৩৫–৪১)*

২২কোনো এদিন যীচুৱে নিজৰ শিষ্য বিলাকৰ সৈতে এখন নাৱত উঠিল আৰু তেওঁলোকক কলে, “বলা আমি সৰোবৰৰ সিপাৰলৈ যাওঁহক।” তেতিয়া তেওঁলোকে নাওঁ এৰি দিলে। ২৩তেওঁলোকে নাওঁ বাই থাকোঁতে যীচু টোপনি গল। অকস্মাতে সৰোবৰৰ ওপৰেদি প্ৰচণ্ড ধূমূহা বলিবলৈ ধৰিলত তেওঁলোকৰ নাৱত পানী সোমাবলৈ ধৰিলে, তেওঁলোক বিপদত পৰিল, ২৪সেয়ে তেওঁলোকে আহি যীচুক জগাই কলে, “প্ৰভু! প্ৰভু! আমি বুৰিব ধৰিছো।”

তেতিয়া যীচু থিয় হৈ বতাহ আৰু ঢৌক ডবিয়ালে, সৰোনৰ ক্ষান্ত হল আৰু ২৫যীচুৱে তেওঁলোকক সুধিলে, “তোমালোকৰ বিশ্বাস কত হেৰাল?”

কিন্তু তেওঁলোকে খুব ভয় খাইছিল আৰু আশ্চৰ্য্য বোধ কৰিছিল। তেওঁলোকে পৰস্পৰে কবলৈ ধৰিলে, “এওঁনো কোন, এওঁ বতাহ পানীকো আজ্ঞা দিয়ে আৰু সিহঁতেও মানে?”

## যীচুৱে অশুচি আত্মা ধৰা ব্যক্তি এজনক মুক্ত কৰে

*(মথি ৮:২৮–৩৪; মাৰ্ক ৫:১–২০)*

২৬যীচু আৰু তেওঁৰ শিষ্যবিলাকে গালীলৰ বিপৰীতে সৰোবৰৰ সিপাৰৰ গেৰাচেনীয়া নগৰ মানুহবিলাকৰ[a] অধিনত থকা অঞ্চললৈ গল। ২৭তাত তেওঁ নাৱঁৰ পৰা পাৰত উঠাৰ লগে লগে অশুচি আত্মাই ধৰা মানুহ এজন নগৰৰ পৰা আহি তেওঁৰ আগত ওলাল। সি বহুত দিন ধৰি কাপোৰ কানি পিন্ধা নাছিল, আৰু ঘৰত নাথাকি মৰিশালিৰ গুহাত বাস কৰিছিল।

২৮–২৯সি যীচুক দেখা পাই, তেওঁৰ চৰণত দীঘল দি পৰিল আৰু বৰ মাতেৰে কলে, “হে ঈশ্বৰৰ পুত্ৰ যীচু! মোৰ্ লগত আপোনাৰ কি কাম? মই আপোনাক অনুৰুধ কৰিছো মোক যাতনা নিদিব! কিয়নো যীচুৱে সেই অশুচি আত্মাক ব্যক্তিজনৰ পৰা ওলাই যাবলৈ আজ্ঞা দিছিল। ব্যক্তি জনক বহুত বাৰ অশুচি আত্মাই ধৰিছিল তেনে সময়ত মানুহবিলাকে বলপূৰ্ব্বকভাবে ধৰি তেওঁক হাতে ভৰিযে শিকলিৰে বান্ধি ৰাখিব চেষ্টা কৰিছিল কিন্তু সি শিকলি চিঙি পেলাইছিল আৰু অশুচি আত্মাৰ দ্বাৰা চালিত হৈ সেই ঠাইলৈ গুচি গৈছিল যত কোনোৱেই বাস নকৰিছিল।”

৩০যীচুৱে তাক সুধিলে, “তোৰ নাম কি?”

সি উত্তৰ দিলে, “মোৰ নাম বাহিনী।”[b] (কাৰণ তেওঁৰ গাত অনেক অশুচি আত্মা সোমাইছিল।) ৩১পাচে যীচুৱে যাতে তেওঁলোকক অগভীৰ দ খা[c] নপঠায় তাৰ বাবে অশুচি আত্মাবোৰে তেওঁক কাকুতি মিনতি কৰিছিল। ৩২সেই সময়ত সেই ঠাইৰে পৰ্বতৰ নামনিত এজাক গাহৰি চৰি আছিল, অশুচি আত্মাবোৰে সেই গাহৰি বোৰত সোমাবলৈ অনুমতি বিচাৰিলে। আৰু যীচুৱে অনুমতি দিলত ৩৩মানুহটোৰ পৰা অশুচি আত্মাবোৰে ওলাই গাহৰি বোৰত সোমালেগৈ, আৰু গাহৰিৰ জাকটোৱে সৰোবৰৰ ওখ ঠাইৰ পৰা তীব্ৰ গতিৰে নামি সৰোবৰত বুৰি মৰিল।

৩৪তেতিয়া ৰখীয়াবোৰে এই ঘটনা দেখি পলাই গল, আৰু সিহঁতে নগৰৰ আৰু চৌপাশে থকা অঞ্চলত বাতৰিটো দিলে। ৩৫সেয়ে লোকসমূহে কি ঘটিছে তাকে চাবলৈ ওলাই আহিল, তেওঁলোকে যীচুৰ ওচৰলৈ গৈ অশুচি আত্মাই ধৰা ব্যক্তিজনক কাপোৰ-কানি পিন্ধি সুস্থ মনেৰে বহি থকা দেখিলে, আৰু তেওঁলোকৰ ভয় লাগিল। ৩৬যিবিলাকে এই ঘটনা দেখিছিল তেওঁবিলাকে বাকী সকলক কেনেকৈ অশুচি আত্মাই ধৰা ব্যক্তিজন সুস্থ হল বিবৰি কলে। ৩৭তেতিয়া গেৰাচেনীয়া অঞ্চলৰ সকলোৱে যীচুক তেওঁলোকৰ ঠাইৰ পৰা আঁতৰি যাবলৈ অনুৰুধ কৰিলে। কিয়নো তেওঁলোকে বৰ ভয় খাইছিল।

সেয়ে যীচুৱে নাৱত উঠি তাৰ পৰা গালীললৈ উভতিল। ৩৮যি জন ব্যক্তিৰ পৰা অশুচি আত্মা ওলাইছিল তেওঁ যীচুক নিজৰ লগত লৈ যাবলৈ মিনতি কৰি আছিল, কিন্তু যীচুৱে তেওঁক এইবুলি কৈ পঠালে য়ে ৩৯“ঘৰলৈ যোৱা ঈশ্বৰে তোমালৈ যি মহৎ কৰ্ম কৰিলে তাক কোৱাগৈ।”

তেতিয়া মানুহজনে গৈ যীচুৱে তেওঁলৈ কেনে মহৎ কৰ্ম কৰিলে সেই কথা সকলো নগৰত ঘোষনা কৰিলে।

## যীচুৱে এগৰাকী মৃত ছোৱালীক জীৱন দিয়ে আৰু এগৰাকী ৰোগীয়া মহিলাক সুস্থ কৰে।

*(মথি ৯:১৮–২৬; মাৰ্ক ৫:২১–৪৩)*

৪০যেতিয়া যীচু গালীললৈ উভতি আহিল এক বৃহৎ জনসমূহে তেওঁক স্বাগতম জনালে, কিয়নো সকলোৱে তেওৰ অপেক্ষাত আছিল। ৪১–৪২তেতিয়া যায়ীৰ নামৰ এজন লোক যীচুৰ ওচৰলৈ আহিল। তেওঁ তাৰে যিহুদী নাম ঘৰৰ অধিকাৰী আছিল। তেওঁ যীচুৰ চৰণত পৰি তেওঁক তেওঁৰ ঘৰলৈ যাবলৈ কাকুতি মিনতি কৰি মাতিলে। কিয়নো তেওঁৰ বাৰ বছৰীয়া একমাত্ৰ ছোৱালীজনী ৰোগীয়া আৰু মৃতপ্ৰায় অৱস্থাত আছিল।

[a] **৮:২৬ গেৰাচেনীয়াৰ নগৰৰ মানুহবিলাকৰ** কিছুমান গ্ৰীক লিপিত গেডাৰনেচ আৰু আনবিলাকত গেৰগেচিন ব্যৱহাৰ হোৱা দেখা যায়।

[b] **৮:৩০ বাহিনী** এই নামৰ অৰ্থ অসংখ্য। বাহিনী প্ৰায় ৬,০০০ পুৰুষ সেনাৰ বাহিনীত।

[c] **৮:৩১ অগভীৰ দ খাল** বা নৰক, পাতাল যত অশুচি আত্মাবিলাক থাকে।

যীচু গৈ থাকোঁতে লোক বিলাকে তেওঁৰ চাৰিওফালে
হেঁচা ঠেলা কৰি আছিল। ৪৩তেওঁলোকৰ মাজত এগৰাকী
তিৰোতা আছিল যি গৰাকীয়ে বাৰ বছৰ ধৰি তেজযোৰা
ৰোগত ভূগি আছিল। তেওঁৰ ওচৰত যি আছিল সকলোখিনি
চিকিৎসকৰ ওচৰত খৰচ কৰিও সুস্থ হব পৰা নাছিল।
৪৪তেওঁ পাছফালৰ পৰা আহি যীচুৰ কাপোৰৰ দহি চুলে
আৰু তেওঁৰ ৰক্তস্ৰাৱ তৎক্ষণাত বন্ধ হল। ৪৫তেতিয়া যীচুৱে
সুধিলে, "মোক কোনে স্পৰ্শ কৰিলে?"

তেওঁলোকে সকলোৱে কথাষাৰ অস্বীকাৰ কৰি থাকোঁতে
পিতৰে কলে, "হে গুৰু লোকসমূহে চাৰিওফালৰ পৰা
হেঁচা-ঠেলা কৰি আছে।"

৪৬যীচুৱে কলে, "কোনোবাইতো মোক চুলে কাৰণ মোৰ
পৰা শক্তি ওলাই যোৱা মই গম পালো।" ৪৭তেতিয়া সেই
তিৰোতা গৰাকীয়ে দেখিলে যে তেওঁ আৰু লুকাব নোৱাৰে,
তেওঁ কঁপি কঁপি আহি যীচুৰ চৰণত পৰিল, আৰু সকলোৰে
আগত তেওঁনো কিয় তেওঁক চুইছিল আৰু কেনেকৈ তেওঁ
তেতিয়াই সুস্থ হল, এই সকলো কথা কলে। ৪৮যীচুৱে
তেওঁক কলে, "আইটি তোমাৰ বিশ্বাসেই তোমাক সুস্থ
কৰিলে, শান্তিৰে যোৱা।"

৪৯তেওঁ কৈ থাকোতেই নাম-ঘৰৰ বিষয়াৰ ঘৰৰ পৰা
এজনে আহি কলে, "আপোনাৰ ছোৱালীজনী ঢুকাল,
গুৰুজনাক আৰু আমনি নিদিব।"

৫০যীচুৱে তেওঁলোকৰ কথোপকথন শুনি নাম-ঘৰৰ
বিষয়াক কলে, "ভয় নকৰিবা: মাত্ৰ বিশ্বাস ৰাখা তাই সুস্থ
হব।"

৫১যেতিয়া যীচু তেওঁৰ ঘৰলৈ আহিল, তেওঁ নিজৰ
লগত পিতৰ, যোহন, যাকোব আৰু ছোৱালীজনীৰ পিতৃ-
মাতৃৰ বাদে আন কাকো ভিতৰলৈ আহিবলৈ নিদিলে।
৫২সকলোৱে ছোৱালীজনীৰ কাৰণে কান্দি কান্দি, শোক
কৰি আছিল। যীচুৱে কলে, "নাকান্দিবা, ছোৱালীজনী মৰা
নাই তাই শুইহে আছে।"

৫৩কিন্তু আটায়ে তেওঁক হাঁহিলে কিয়নো তেওঁলোকে
জানিছিল যে ছোৱালীজনী মৰিল। ৫৪কিন্তু যীচুৱে
ছোৱালীজনীৰ হাতত ধৰি কলে, "আইটি উঠা!"
৫৫তৎক্ষণাত ছোৱালী জনীৰ প্ৰান ঘুৰি আহিল আৰু তাই
তেতিয়াই উঠিল। যীচুৱে তেওঁলোকক কলে, ছোৱালী
জনীক কিছু আহাৰ খাবলৈ দিয়া। ৫৬এইবোৰ দেখি তাইৰ
মাক-বাপেকে বিস্ময় মানিলে; কিন্তু এই ঘটনাৰ কথা কাকো
নকবলৈ যীচুৱে তেওঁলোকক আদেশ দিলে।

## যীচুৱে বাৰজন পাচঁনিক পঠোৱা

৯ ১যীচুৱে তেওঁৰ বাৰজন পাঁচনিক একেলগে
মাতিলে। তেওঁ তেওঁলোকক অশুচি আত্মাই ধৰা
লোকবিলাকক মুক্ত কৰিবলৈ ক্ষমতা প্ৰদান কৰিলে।
আৰু নানা ধৰণৰ ৰোগীয়াবিলাকক সুস্থ কৰিবলৈ শক্তি
দিলে। ২তাৰ পাছত তেওঁ তেওঁলোকক ঈশ্বৰৰ ৰাজ্যৰ
বিষয়ে শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ আৰু নৰিয়াত পৰি থকা
লোকসকলক সুস্থ কৰিবলৈ পঠিয়াই দিলে। ৩যীচুৱে
তেওঁলোকক কলে, "তোমালোকে যাত্ৰাৰ নিমিত্তে
একোকে নলবা। হাতত লাখুটি জোলোঙা, আহাৰ, ধন
নাইৰা আন এযোৰ কাপোৰ নলবা। ৪তোমালোকে যি ঘৰত
প্ৰৱেশ কৰিবা সেই নগৰ ত্যাগ নকৰা মানে তাতেই থাকিবা।
৫যি ঠাইত তোমালোকক আদৰ নকৰে সেই ঠাই এৰি যাবা,
আৰু যোৱাৰ সময়ত তেওঁলোকৰ বিৰুদ্ধে সাক্ষ্যৰ অৰ্থে
তোমালোকৰ ভৰিৰ তলুৱাৰ ধূলিও জোকাৰি পেলাবা।"

৬পাঁচনি বিলাকে ওলাই গৈ সকলোবোৰ ঠাইতে ঘুৰি ঘুৰি
শুভবাৰ্তা প্ৰচাৰ কৰিলে আৰু সেই সকলো ঠাইতে নৰিয়াত
পৰা বিলাকক সুস্থ কৰিলে।

## যীচুৰ বিৰুদ্ধে হেৰোদে হত বুদ্ধি হয়

*(মথি ১৪:১–১২; মাৰ্ক ৬:১৪–২৯)*

৭গালীলত ৰোমানসকলে[a] হেৰোদক ৰজা হিচাপে নিযুক্তি
দিছিল, যীচুৱেও গালীলত বাস কৰিছিল যেতিয়া ৰজা
হেৰোদে ঘটি থকা ঘটনাৰ বাৰ্তা শুনিলে, তেওঁ বিমোৰত
পৰিল। কিয়নো কোনো কোনোৱে কলে, যোহন বাপ্তাইজক
পুনৰ জীৱিত হল, ৮আন কিছুমানে কৈছিল এলিয়াৰ
আবিৰ্ভাৱ হৈছে, আৰু আন কিছুমানে কৈছিল অতীতৰ
কোনোবা ভাৱবাদী জী উঠিছে। ৯কিন্তু হেৰোদে কলে,
"যোহনক মই শিৰচ্ছেদ কৰালো, কিন্তু যি জনৰ বিষয়ে
শুনিছো এওঁনো কোন?" সেয়ে হেৰোদে যীচুক চাবলৈ
বৰ চেষ্টা কৰিলে।

## যীচুৱে ৫,০০০ হাজাৰতকৈ অধিক লোকক খুউৱা

*(মথি ১৪:১৩–২১; মাৰ্ক ৬:৩০–৪৪; যোহন ৬:১–১৪)*

১০যেতিয়া পাঁচনি বিলাক উভতি আহিল, তেতিয়া
তেওঁলোকে যি কৰিছিল, সেই সকলোবোৰ যীচুক কলে।
তাৰপিচত তেওঁ তেওঁলোকক নিজৰ সৈতে লৈ তাৰ পৰা
মনে মনে বৈৎচৈদা নামৰ নগৰলৈ গ'ল। যীচুৱে কিছুসময়
একলে পাঁচনিসকলৰ লগত থাকিব বিচাৰিছিল। ১১কিন্তু
লোকসমূহে এই কথা গম পাই তেওঁৰ পিছে পিছে গল।
যীচুৱে তেওঁলোকক আদৰণি জনাই ঈশ্বৰৰ ৰাজ্যৰ বিষয়ে
কলে, আৰু যিমান ৰোগীয়া আছিল সকলোকে সুস্থ কৰিলে।

১২সন্ধিয়া পৰত সেই বাৰজন শিষ্যই তেওঁৰ ওচৰলৈ
আহি কলে, "লোকসমূহক আখে পাখে থকা গাঁৱবোৰলৈ
আৰু পাঁম বোৰলৈ যাবলৈ কওঁক যাতে তেওঁলোকে
তাত শুৱলৈ আৰু খাবলৈ পায়, কিয়নো আমি সকলোৱে
একেবাৰে ভিতৰুৱা নিৰ্জন ঠাইত আছোঁ।"

১৩কিন্তু যীচুৱে তেওঁলোকক কৈছিল, "তোমালোকেই
এওঁলোকক কিবা খাবলৈ দিয়া।"

তেওঁলোকে কলে, "আমাৰ ওচৰত কেৱল পাঁচটা
পিঠা আৰু দুটি মাছৰ বাদে আৰু একোৱেই নাই। আমি

[a] **৯:৭ ৰোমান** আক্ষৰিকভাবে চতুৰ্থ ভাগৰ শাসনকৰ্তা, এটা মৰু অঞ্চলৰ শাসনকৰ্তা বুজায় যিজনে ৰজাতকৈ তলৰ দায়িত্বৰ ৰজাত নিৰ্ভৰ কৰিব এইজনা হেৰোদ মহান হেৰোদ আন্তিপাচৰ পুত্ৰ।

গৈ সকলোৰে বাবে আহাৰ কিনি অনাটো আপুনি বিচাৰিছেনেকি?” ১৪তেওঁলোক অসংখ্য মানুহ (প্ৰায় পাঁচহাজাৰ পুৰুষ তাত আছিল।)

যীচুৱে নিজৰ শিষ্য বিলাকক কলে, “তেওঁলোকক পঞ্চাচ পঞ্চাচজনীয়া শাৰীকৈ বহিবলৈ দিয়া।”

১৫সেয়ে তেওঁলোকে তেনেকৈয়ে প্ৰত্যেক লোকক বহালে। ১৬তেতিয়া যীচুৱে পাচোঁটা পিঠা আৰু মাছ দুটিক লৈ আকাশলৈ চাই আহাৰৰ বাবে ইশ্বৰক ধন্যবাদ দিলে আৰু টুকুৰা কৰি লোকসমূহক ভগাই দিবলৈ শিষ্য বিলাকক দিলে যাতে তেওঁলোকে লোকসমূহক ভগাই দিয়ে। ১৭লোকসমূহে খাই তৃপ্ত হল আৰু বাচি থোৱা টুকুৰা তেওঁৰ শিষ্য বিলাকে বাৰটা পাচিত ভৰালে।

## পিতৰে কয় যে যীচুৱেই সেই মচীহ

*(মথি ১৬:১৩–১৯; মাৰ্ক ৮:২৭–২৯)*

১৮এসময়ত যেতিয়া যীচুৱে অকলশৰে প্ৰাৰ্থনা কৰি আছিল তেতিয়া তেওঁৰ শিষ্য বিলাক তালৈ আহিল। তেওঁ তেওঁলোকক সুধিলে, “লোকবিলাকে মোক কোন বুলি কয়?”

১৯তেওঁলোকে উত্তৰ দিলে, “কিছুমানে যোহন বাপ্তাইজক বুলি কয়, কিছুমানে কয় এলিয়া, আৰু কিছুমানে কয় অতীতৰ কোনোবা ভাৱবাদীয়ে জী উঠিছে।”

২০যীচুৱে তেওঁলোকক কলে, “আৰু তোমালোকেনো মোক কোন বুলি কোৱা?”

পিতৰে উত্তৰ দিলে, “আপোনিয়েই ,মছীহ, ঈশ্বৰৰ পৰা অহা জনা।”

২১যীচুৱে এই বিষয়ে কাকো নকবলৈ তেওঁলোকক সাৱধান কৰি দিলে।

## যীচুৱে তেওঁক বধ কৰা হ’ব বুলি জনোৱা

*(মথি ১৬:২১–২৮; মাৰ্ক ৮:৩১–৯:১)*

২২সেই সময়ত যীচুৱে কলে, “মানৱপুত্ৰই নিশ্চয়ে অনেক দুঃখ কষ্ট ভোগ কৰিব লাগিব। তেওঁক বৃদ্ধ যিহুদী নেতা বিলাক আৰু বিধান-পণ্ডিত সকলৰ দ্বাৰা অগ্ৰাহ্য কৰি বধ কৰা হব। কিন্তু তিনি দিনৰ দিনা তেওঁ পুনৰ মৃত্যুৰ পৰা জী উঠিব।”

২৩আকৌ যীচুৱে তেওঁলোকক কলে, “কোনোবাই যদি মোৰ শিষ্য হব বিচাৰে তেন্তে নিজেই নিজক অস্বীকাৰ কৰিব লাগিব আৰু তেওঁ প্ৰতি দিনে নিজৰ ক্ৰুচ নিজে তুলিব লাগিব। ২৪কিয়নো যিজনে নিজৰ জীৱন ৰক্ষা কৰিব বিচাৰে তেওঁ তাক হেৰুৱাব আৰু যিজনে মোৰ বাবে নিজৰ জীৱন ত্যাগ কৰিব তেওঁ তাক পাব। ২৫যদি কোনোবাই গোটেই জগতখন পাইয়ো নিজক হেৰোৱাই বা নষ্ট কৰে তেন্তে তেওঁৰ কি লাভ হব?” ২৬কোনোৱে যদি মোৰ বাবে বা মোৰ শিক্ষাৰ বাবে লাজ পায় মই মানৱ পুত্ৰইও যেতিয়া নিজ গৌৰৱেৰে পৰম পিতৃ আৰু পবিত্ৰ দূত সকলৰ সৈতে আহিম তেতিয়া ময়ো সেই জনত লাজ পাম। ২৭মই সঁচাকৈ তোমালোকক কৈছোঁ ইয়াত এনে কিছুমান লোক আছে যি সকলে ঈশ্বৰৰ ৰাজ্য দেখাৰ আগতে মৃত্যু ভোগ নকৰিব।

## যীচুক মোচি আৰু এলীয়াৰ লগত দেখা গ’ল

*(মথি ১৭:১–৮; মাৰ্ক ৯:২–৮)*

২৮এই সকলোবোৰ কথা কোৱাৰ প্ৰায় আঠদিনৰ পাছত যীচুৱে পিতৰ, যোহন আৰু যাকোবক লগত লৈ প্ৰাৰ্থনা কৰিবলৈ পাহাৰৰ ওপৰলৈ উঠি গৈছিল। ২৯যেতিয়া যীচুৱে প্ৰাৰ্থনা কৰিছিল তেওঁৰ মূখমণ্ডলে অন্য ৰূপ লৈছিল আৰু তেওঁৰ কাপোৰ চকমকীয়া বগা হৈছিল। ৩০তেতিয়া দুজন মানুহে তাত দেখা দিলে আৰু তেওঁৰ লগত কথা পাতিব ধৰিলে। তেওঁলোক মোচি আৰু এলিয়া আছিল, ৩১তেওঁলোককো অতি শুভ্ৰ আৰু মহিমাময় দেখা গৈছিল আৰু যীচুৰ মৃত্যুৰ দ্বাৰা যি কাৰ্য্য জেৰুচালেমত[a] সম্পন্ন হ’ব সেই বিষয়ে কথোপকথন কৰিছিল। ৩২পিতৰ আৰু লগৰবিলাক গভীৰ টোপনীত আছিল। কিন্তু টোপনীৰ পৰা সাৰ পাই তেওঁলোকে যীচুৰ মহিমা দেখা পাইছিল, তেওঁলোকে আন দুজন লোককো তেওঁৰ লগত থিয় হৈ থকা দেখা পাইছিল। ৩৩মোচি আৰু এলিয়াই বিদায় লৈ যাওঁতেই, পিতৰে যীচুক কলে, “প্ৰভু আমি ইয়াত থকাটো ভাল, আমি ইয়াত তিনিটা পজাঁ ঘৰ সাজোঁ এটা আপোনাৰ কাৰনে, এটা মোচিৰ কাৰনে আৰু এটা এলিয়াৰ কাৰনে।” (তেওঁ কি কৈছিল তাক তেওঁ নিজে জনা নাছিল)

৩৪পিতৰে এইবোৰ কথা কৈ থাকোতেই এচপৰা মেঘ আহি তেওঁলোকক ছাঁ দি ঢাকি ধৰিলে। যি মৰ্হুত্ততে মেঘে তেওঁলোকক ঢাকি ধৰিলে পিতৰ, যোহন আৰু যাকোব বৰ ভয় খালে, ৩৫তেতিয়া আকাশৰ পৰা এটা বাণী আহিল, “এওঁ মোৰ প্ৰিয় পুত্ৰ, এওঁক মই মনোনীত কৰিছোঁ এওঁৰ কথা শুনা।”

৩৬এই বাণীৰ শব্দবিলাক শেষ হোৱাৰ পিছত তেওঁলোকে যীচুক অকলে দেখিলে, সেই সময়ত তেওঁলোকে কি দেখিছিল কাকো নোকোৱাকৈ মনে মনে থাকিল।

## যীচুৱে এজন লৰাক দুষ্ট আত্মাৰ পৰা মুক্ত কৰা

*(মথি ১৭:১৪–১৮; মাৰ্ক ৯:১৪–২৭)*

৩৭পিছদিনা খন যীচুৱে পিতৰ, যোহন আৰু যাকোবৰ সৈতে পৰ্ব্বতৰ পৰা নামি আহিলে তেতিয়া বহু মানুহৰ দল এটাই যীচুক লগ ধৰিলে। ৩৮তেতিয়া লোকসমূহৰ মাজৰ পৰা এজন লোকে চিঞঁৰি কলে, “হে গুৰু মই অনুৰুধ কৰিছোঁ মোৰ লৰাটিৰ ওপৰত অনুগ্ৰহ কৰক। তেওঁ মোৰ একমাত্ৰ পুত্ৰ, ৩৯হঠাৎ এক অশুচি আত্মাই তাক ধৰে আৰু সি চিঞঁৰিবলৈ ধৰে, অশুচি আত্মাই তাক এনেকৈ আছাৰি পেলাই যে তাৰ মূখৰ পৰা ফেন ওলাই আহে, সি লৰাটিক নেৰি বৰ কষ্ট দি আছে। ৪০মই আপোনাৰ শিষ্য বিলাকক

[a] **৯:৩১ জেৰুচালেম** আক্ষৰিকভাবে তেওঁলোকে তেওঁৰ যাত্ৰাৰ বাবে আলোচনা কৰিছিল যিটো অতি শীঘ্ৰই জেৰুচালেমত সম্পন্ন হব।

অশুচি আত্মাক খেদাবৰ বাবে নিবেদন কৰিছিলো কিন্তু
তেওঁলোকে খেদাব নোৱাৰিলে।
৪১তেতিয়া যীচুৱে উত্তৰ দিলে, "হে অল্পবিশ্বাসী আৰু
অপথে যোৱা লোক, মই কিমান দিনলৈকে তোমালোকৰ
লগত থাকিম আৰু তোমালোকক সহি থাকিম? তোমাৰ
লৰাটি ইয়ালৈ আনা।"
৪২যেতিয়া লৰাটি আহি আছিল অশুচি আত্মাই তাক
আছাৰি মাটিত বগৰাই দিলে। কিন্তু যীচুৱে যেতিয়া অশুচি
আত্মাক কঠোৰ আদেশ দি দবিয়ালে, তেতিয়া লৰাটি সুস্থ
হল আৰু লৰাটিৰ বাপেকক চমজাই দিলে। ৪৩তেওঁলোক
সকলোৱে ঈশ্বৰৰ এই পৰাক্ৰম দেখি বিস্ময় মানিলে।

### যীচুৱে নিজৰ মৃত্যুৰ বিষয়ে কোৱা

*(মথি ১৭:২২–২৩; মাৰ্ক ৯:৩০–৩২)*

যীচুৱে যিবোৰ কৰিছিল সেইবোৰ চাই মানহবিলাক
আচৰিত হৈ থাকোঁতেই যীচুৱে নিজৰ শিষ্যবিলাকক কলে,
৪৪"এতিয়া মই কোৱা কথাত ভালকৈ মনোযোগ দিয়া।
মানৱ পুত্ৰক আন মানুহৰ হাতত শোধাই দিয়া হব।" ৪৫কিন্তু
শিষ্য বিলাকে এই কথাৰ অৰ্থ বুজি নাপালে। এই কথা
গুপ্ত আছিল সেয়ে তেওঁলোকে বুজি নাপালে। কিন্তু এই
কথাষাৰৰ বিষয়ে তেওঁলোকে যীচুক শুধিবলৈ ভয় কৰিলে
তেওঁনো কি কৈছিল।

### শ্ৰেষ্ঠ কোন?

*(মথি ১৮:১–৫; মাৰ্ক ৯:৩৩–৩৭)*

৪৬যীচুৰ শিষ্যসকলে তেওঁলোকৰ মাজত কোন শ্ৰেষ্ঠ?
এই বিষয়ে তৰ্কাতৰ্কি কৰিছিল। ৪৭যীচুৱে জানিলে যে
তেওঁলোকে মনত কি ভাবি আছে। সেয়ে তেওঁ এটি শিশুক
লৈ তেওঁৰ ওচৰত থিয় কৰাই ৪৮তেওঁলোকক কলে, "যদি
কোনোৱে এই শিশুটিক মোৰ নামত গ্ৰহণ কৰে তেওঁ
মোকেই গ্ৰহণ কৰে। আৰু যদি কোনোৱে মোক গ্ৰহণ
কৰে, তেওঁ ঈশ্বৰক গ্ৰহণ কৰে যিজনাই মোক পঠিয়াইছে,
এইকাৰণে তোমালোকৰ ভিতৰত যিজনে সকলোতকৈ নম্ৰ
তেঁৱেই সকলোতকৈ ডাঙৰ।"

### যিজন তোমাৰ বিপক্ষে নহয় তেওঁ তোমাৰ সপক্ষ

*(মাৰ্ক ৯:৩৮–৪০)*

৪৯যোহনে উত্তৰ দি কলে, "প্ৰভু আমি আপোনাৰ নামত
এজন ব্যক্তিক অশুচি আত্মাক খেদোৱা দেখিছিলো, আমি
তেওঁক মানা কৰিছিলো, কিয়নো তেওঁ আমাৰ মাজৰ
নাছিল।"
৫০যীচুৱে তেওঁক কলে, "তেওঁক মানা নকৰিবা যিজন
তোমাৰ বিৰুদ্ধী নহয় তেওঁ তোমাৰ সপক্ষে।"

### এখন চমৰীয়া গাঁও

৫১যীচুৱে যেতিয়া জানিলে যে তেওঁ মৰি আৰু মৃত্যুৰ পৰা
পুনৰুত্থিত হব লাগিব আৰু স্বৰ্গলৈ যোৱাৰ সময় নিশ্চেই ওচৰ
গতিকে তেওঁ জেৰুচালেমলৈ যাবলৈ থিৰাং কৰিলে। ৫২তেওঁ
কেইজনমানক তেওঁৰ আগে আগে পঠিয়ালে। তেওঁলোকে
তেওঁৰ বাবে ঠাই যুগুত কৰিবলৈ চমৰীয়া প্ৰদেশৰ এখন
নগৰত সোমালে, ৫৩কিন্তু চমৰীয়া লোক বিলাকে যীচুক
আদৰ নকৰিলে, কিয়নো তেওঁ জেৰুচালেমলৈ গৈ আছিল।
৫৪যেতিয়া তেওঁৰ শিষ্যসকলে, যাকোব আৰু যোহনে এইটো
দেখিলে তেতিয়া তেওঁলোকে যীচুক কলে, "প্ৰভু আমি
স্বৰ্গৰ জুইক আদেশ দি এইলোক সকলক ধ্বংস কৰাতো
বিচাৰেনেকি?"[a]
৫৫কিন্তু যীচুৱে ঘুৰি সকলোকে কোৱাৰ বাবে দবিয়ালে।[b]
৫৬তেতিয়া তেওঁ আৰু তেওঁৰ শিষ্যসকল অন্য নগৰলৈ গল।

### যীচুৰ অনুগামী হোৱা

*(মথি ৮:১৯–২২)*

৫৭যেতিয়া তেওঁলোকে বাটেদি গৈ আছিল কোনোবা এজন
লোকে যীচুক মাত লগাই কলে, "আপুনি যলৈকে যায় ময়ো
আপোনাৰ পাছে পাছে যাম।"
৫৮যীচুৱে তেওঁক কলে, "শিয়ালৰ গাঁত আছে, আৰু
আকাশৰ চৰাইবোৰৰো বাঁহ আছে কিন্তু মানুহৰ পুত্ৰৰ মূৰ
থবলৈয়ো ঠাই নাই।"
৫৯যীচুৱে অন্য এজনক কলে, "মোৰ পাছত আহাঁ।"
কিন্তু সেইজনে কলে, "প্ৰভু প্ৰথমতে গৈ মোৰ দেউতাক
কবৰ দিবলৈ অনুমতি দিয়ক।"
৬০যীচুৱে কলে, "মৃতবিলাকে নিজ নিজ মৃতক বিলাকক
নিজে কবৰ দিয়ক। তুমি গৈ ঈশ্বৰৰ ৰাজ্যৰ বিষয়ে ঘোষণা
কৰা।"
৬১আন এজনেও কলে, "প্ৰভু, প্ৰথমতে মোক পৰিয়ালৰ
মানুহৰ পৰা বিদায় লৈ আহিবলৈ দিয়ক।"
৬২যীচুৱে তেওঁক কলে, "যদি কোনোৱে নাঙলৰ মুঠিত
হাত দি পিছলৈ চায় তেওঁ ঈশ্বৰৰ ৰাজ্যৰ কাৰনে এতিয়াও
যুগুত নহয়।"

### যীচুৱে বাসত্তোৰজনক পঠিওৱা

১০ ১ইয়াৰ পিছত প্ৰভুৱে বাসত্তোৰ[c] জন শিষ্যক
নিযুক্তি কৰিলে আৰু যি যি নগৰবিলাকত আৰু
ঠাইবোৰত তেওঁ নিজে যাবলৈ ইচ্ছা কৰিছিল, সেইবোৰ
ঠাইত তেওঁলোকক দুজন দুজনকৈ, আগতীয়াকৈ পঠিয়ালে।
২তেওঁ তেওঁলোকক কলে, "শস্যৰ ক্ষেত্ৰ বহুত কিন্তু দাৰলৈ
বনুৱা তাকৰ। ঈশ্বৰেই শস্য ক্ষেত্ৰৰ গৰাকী, প্ৰাৰ্থনা কৰা যে
তেওঁৰ শস্যক্ষেত্ৰলৈ অধিকৈ বনুৱা পঠিয়াই দিয়ে।

[a] **৯:৫৪** যেনেকৈ এলিয়াই কৰিছিল বুলি গ্ৰীক লিপিত যোগ আছে।

[b] **৯:৫৫** কিছুমান গ্ৰীক লিপিত এনেকৈ আছে "আৰু তেওঁ কলে, 'তোমালোকে কি স্বভাৱৰ আত্মাৰ হয় তাক নাজানা। মানৱ পুত্ৰ মানুহৰ জীৱন বিনষ্ট কৰিবলৈ অহা নাই, তেওঁলোকক উদ্ধাৰ কৰিবলৈহে।

[c] **১০:১**বাসত্তোৰ কিছুমান গ্ৰীক লিপিত সত্তোৰ আছে। ১৭ পদতো আছে।

৩“তোমালোক যোৱা, কিন্তু মনত ৰাখিবা! মই
তোমালোকক মেৰ-পোৱালিৰ দৰে ৰাংকুকুৰবোৰৰ মাজলৈ
পঠিয়াইছোঁ, ৪ধন, মোনা, পাদুকা, এইবোৰ একোকে নলবা,
আৰু ব যাওঁতে বাটৰ মানুহৰ সৈত্যে কথা নাপাতিবা।
৫কাৰোবাৰ ঘৰত সোমাওতে প্ৰথমে, ‘এইঘৰত শান্তি
হওক বুলি কবা।’ ৬যদি সেই ঘৰত শান্তি প্ৰিয় লোক থাকে
তেন্তে তোমালোকৰ শান্তি তেওঁত স্থিতি হব। কিন্তু যদি
সেই ব্যক্তি জন শান্তি প্ৰিয় নহয় তেন্তে তোমালোকৰ শান্তি
তোমালোকলৈ উলটি আহিব। ৭শান্তিপ্ৰিয় লোকজনৰ ঘৰত
থাকিবা আৰু তেওঁলোকে যিয়েই খাবলৈ-পান কৰিবলৈ
দিয়ে তাকে গ্ৰহণ কৰিবা কিয়নো বনুৱা তেওঁৰ বেচৰ
যোগ্য। সেই ঘৰ এৰি বেলেগৰ ঘৰত থাকিবলৈ নাযাবা।
৮“যদি কেতিয়াবা তোমালোকে কোনো এখন
নগৰত প্ৰৱেশ কৰা আৰু যদি সেই নগৰৰ লোকসমূহে
অভিনন্দনেৰে আদৰ কৰি যি আহাৰ বাঢ়ি দিয়ে তাকেই
খাবা। ৯তাত নিবাস কৰা ৰোগী বিলাকক সুস্থ কৰিবা আৰু
তেওঁলোকক কবা ‘ঈশ্বৰৰ ৰাজ্য ওচৰ পালেহি।’
১০“যদি তোমালোকে কোনো এখন নগৰলৈ যোৱা
আৰু সেই ঠাইৰ লোকসমূহে তোমালোকক আদৰ নকৰে,
তেন্তে সেই নগৰৰ আলিবাটত গৈ কবা, ১১তোমালোকৰ
নগৰৰ যি ধূলি আমাৰ ভৰিত লাগিছে, আমি তোমালোকৰ
অহিতে মচি পেলাইছোঁ, কিন্তু মনত ৰাখি থবা যে ঈশ্বৰৰ
ৰাজ্য ওচৰ পালেহি।” ১২মই তোমালোকক কৈছোঁ যে
সেই দিনা সেইখন নগৰৰ লোকসমূহৰ দশাতকৈ চদোমৰ[a]
লোকসমূহৰ দশা লঘু হব।

## অবিশ্বাসীসকলৰ প্ৰতি যীচুৰ সাৱধানবাণী

*(মথি ১১:২০–২৪)*

১৩“হে কোৰাচিন, হে বৈৎচৈদা[b] তোমালোক সন্তাপৰ পাত্ৰ;
তোমালোকে মই কৰা বহুতো আচৰিত কাৰ্য্য দেখিলা।
কিন্তু তথাপিও তোমালোকে জীৱন পৰিৱৰ্তন নকৰিলা।
তোমালোকৰ মাজত কৰা আচৰিত কাৰ্য্যবোৰ যদি তুৰ আৰু
চিদোনত[c] কৰা হ’লহেঁতেন তেওঁলোকে কেতিয়াবাই পাপ
কৰ্ম ত্যাগ কৰি অনুতাপেৰে মন পৰিৱৰ্তন কৰিলেহেঁতেন।
১৪কিন্তু মহা বিচাৰৰ দিনা তোমালোকে যেনে আশা কৰিছা
তেনেকুৱা নহব তুৰ আৰু চিদোনৰ দশাতকৈ তোমালোকৰ
দশা অধিক গুৰুত্বৰ হব। ১৫আৰু হে কফৰনাহুম তুমি
ভাবিছা যে তোমাক স্বৰ্গলৈ তোলা হব নহয় তোমাক মৃত্যু
স্হানলৈ পেলাই দিয়া হব।
১৬“যেতিয়া কোনোবাই তোমালোকৰ কথা শুনে
তেতিয়া তেওঁলোকে মোৰেই কথা শুনে। যদি কোনোবাই
তোমাক গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে তেন্তে মোকেই
গ্ৰহণ নকৰে। যেতিয়া কোনোবাই মোক গ্ৰহণ নকৰে
তেতিয়া তেওঁ মোক পঠোৱা জনাকো গ্ৰহণ নকৰে। s

## বাসত্তোৰজন ঘুৰি অহা

১৭যেতিয়া বাসত্তোৰজনে আনন্দৰে উভতি আহি কলে,
“হে প্ৰভু আপোনাৰ শক্তিত যেতিয়া আমি আজ্ঞা দিলো
আনকি আত্মাবোৰেও মানিলে।”
১৮যীচুৱে তেওঁলোকক কলে, “মই চয়তানক আকাশৰ
পৰা বিজুলীৰ দৰে পৰা দেখিলো, ১৯সি আমাৰ শত্ৰু। কিন্তু
তোমালোকে জনি থোৱা যে তাৰ ওচৰত থকা শক্তিতকৈও
অধিক শক্তি মই তোমালোকক দিছো। সাঁপ আৰু বিছাবোৰক
ভৰিৰে গচকাৰ অধিকাৰৰ সমৰ্থ মই তোমালোকক দিছোঁ।
তোমালোকক কোনোৱে একো অপকাৰ কৰিব নোৱাৰিব।
২০অশুচি আত্মাবোৰ যে তোমালোকৰ বাধ্য হৈছে এই
কথাত আনন্দ নকৰিবা, কিন্তু তোমালোকৰ নাম যে স্বৰ্গত
লিখা হল এই কথাৰ বাবে আনন্দিত হোৱা।”

## পিতৃৰ ওচৰত যীচুৰ প্ৰাৰ্থনা

*(মথি ১১:২৫–২৭; ১৩:১৬–১৭)*

২১তেতিয়া যীচুৱে পবিত্ৰ আত্মাত পূৰ্ণ হৈ আনন্দিত হৈ
কলে, “হে পিতৃ হে স্বৰ্গ আৰু পৃথিৱীৰ প্ৰভু! মই তোমাৰ
স্তুতি কৰিছোঁ যে তুমি এই সকলোবোৰ কথা জ্ঞানী আৰু
শিক্ষিত লোক বিলাকৰ পৰা গোপনীয়কৈ ৰাখিও শিশু
দৰে লোকসকলৰ কাৰণে প্ৰকাশ কৰিলা। হে পৰম পিতৃ!
তোমাৰ বাবে সেই দৰে কৰাটোৱেই সন্তোষজনক আছিল।
২২“মোৰ পিতৃয়ে মোক বিশ্বাস কৰে আৰু মোক সকলো
বস্তৰ ওপৰত অধিকাৰ দিয়া হৈছে। পিতৃৰ বাহিৰে কোনোৱে
নাজানে পুত্ৰ কোন, আৰু পুত্ৰৰ অবিহনে কোনেও পিতৃক
নাজানে। আৰু যি সকলৰ আগত পুত্ৰই প্ৰকাশ কৰিবলৈ
মনোনীত কৰে তেওঁলোকৰ বিনে কোনেও তেওঁক নাজানে।”
২৩তেতিয়া যীচুৱে শিষ্যসকলৰ ফালে ঘুৰি গোপনীয়
ভাৱে তেওঁলোকক কলে, “তোমালোকে এতিয়া যিবোৰ
দেখিছা সেইবোৰ দেখাৰ বাবে তোমালোক ধন্য। ২৪মই
তোমালোকক কওঁ যে অনেক ভাৱবাদী আৰু ৰজাই
তোমালোকে দেখা বস্তবোৰ চাবলৈ হেপাহ কৰিও চাবলৈ
নাপালে, আৰু তোমালোকে এতিয়া শুনা কথাবোৰ
শুনিবলৈ বিচাৰিও শুনিবলৈ নাপালে।”

## দয়ালু চমৰীয়াৰ দৃষ্টান্ত

২৫তেতিয়া এজন অভিজ্ঞ বিধান পণ্ডিত থিয় হল আৰু যীচুক
পৰীক্ষা কৰিবৰ বাবে যীচুক সুধিলে, “গুৰু অনন্ত জীৱন
পাবলৈ হলে মই কি কৰিব লাগিব?”

[a] **১০:১২ চদোম** ঈশ্বৰে ধ্বংস কৰা এটা নগৰ, গমোৰা নগৰৰ সৈত্যে কাৰণ তাত থকা লোকবিলাক অধৰ্মী আছিল। (আদি ১৯)

[b] **১০:১৩ কোৰাচিন, বৈত্চৈদা** যিহুদী নগৰ যত মানুহবিলাকে শাস্ত্ৰ জানিছিল আৰু ঈশ্বৰত বিশ্বাস কৰিছিল। যিহুদী বিলাকে বিশ্বাস কৰিছিল যে বিচাৰদিনা অযিহুদীবিলাকতকৈ তেওঁলোক ভাল ব্যৱহাৰ পোৱাৰ যোগ্য যিহেতু তেওঁলোক যিহুদী আৰু ঈশ্বৰৰ লোক।

[c] **১০:১৩ তুৰ আৰু চিদোন** অযিহুদী নগৰ, ফনেচীয়াৰ কাষত (বৰ্ত্তমানৰ লিবানোন) বিখ্যাত অধৰ্ম আৰু মিছা দেবতাবোৰৰ পূজা কৰা নগৰ।

২৬যীচুৱে তেওঁক কলে, "বিধানত কি বুলি লিখা আছে?
তাৰ পৰা তুমি কি বুজি পালা?"
২৭তেওঁ উত্তৰ দিলে, "তুমি নিজৰ সমস্থ মন, সমস্থ প্ৰাণ
সকলো শক্তি আৰু সম্পূৰ্ন চিত্তেৰে নিজৰ প্ৰভু পৰমেশ্বৰক
প্ৰেম কৰা[a] আৰু নিজৰ চুবুৰীয়াক নিজৰ নিচিনাকৈ প্ৰেম
কৰা।"[b]
২৮তেতিয়া, যীচুয়ে তেওঁক কলে, "তুমি সঠিক উত্তৰ
দিলা, তেন্তে তুমিও এইদৰে কৰা তেহে অনন্ত জীৱন
পাবা।"
২৯কিন্তু তেওঁ নিজকে শুদ্ধ ভাৱে জীৱন কৰা যেন
দেখুৱাই সুধিলে, "মোৰ চুবুৰীয়ানো কোন?"
৩০যীচুৱে উত্তৰ দি তেওঁক কলে, "শুনা এজন মানুহ
জেৰুচালেমৰ পৰা যিৰিহোলৈ গৈ থাকোতে কিছুমান
ডকাইতে তেওঁক ধৰি লৈ আক্ৰমন কৰি আধামৰাকৈ মাৰি
বাটতে এৰি তেওঁৰ যি যি আছিল সকলো বস্তুলৈ গুচি গল।
৩১"এনেতে সেই বাটেৰে এজন পুৰোহিত গৈ আছিল।
যেতিয়া মানুহজনক দেখিলে তেওঁ বিপৰীত ফালে মূখ
ঘুৰাই গুচি গল। ৩২সেইটো বাটেৰে এজন লেবীও[c] যাত্ৰা
কৰি গৈ আছিল, তেওঁ যেতিয়া মানুহজনক দেখা পালে
তেওঁত মূখ ঘুৰাই গুচি গল।
৩৩"এজন চমৰীয়াও সেই বাটেৰেই গৈ আছিল, তেওঁ
যেতিয়া পৰি থকা মানুজনক দেখা পালে তেওঁৰ মানুহজনৰ
প্ৰতি দয়া উপজিল। ৩৪সেয়ে চমৰীয়া জনে তেওঁৰ ওচৰলৈ
গৈ মানুহজনৰ ঘাঁবোৰত তেল আৰু দ্ৰাক্ষাৰস বাকি ঘাবোৰ
কাপোৰেৰে বান্ধি দিলে। চমৰীয়াৰ এটা গাধ আছিল, তেওঁ
সেই মানুহজনক গাধটোৰ ওপৰত তুলি লৈ অতিথিশালাত
নি তেওঁক সেৱা শুশ্ৰূষা কৰিবলৈ ধৰিলে। ৩৫পিছদিনা
তেওঁ মানুহজনক চোৱাচিতা কৰিবলৈ অতিথি শালাৰ কাম
কৰা ব্যক্তি জনক দুটা ৰূপৰ মুদ্ৰা উলিয়াই দি কলে, আৰু
যদি বেছি খৰচ হয় তেন্তে মই ঘুৰি আহি তোমাক দিম।"
৩৬তেতিয়া যীচুৱে তেওঁক কলে, "এতিয়া কোৱাচোন
বাৰু তুমি কি ভাবিলা এই তিনি জনৰ ভিতৰত ডকাইত
বিলাকে আঘাত কৰা মানুহজনৰ চুবুৰীয়া কোন হল?"
৩৭বিধান-পণ্ডিত জনে কলে, "যি জনে তেওঁক প্ৰেম
কৰিলে তেৱেঁই।"
যীচুৱে তেওঁক কলে, "তুমিও গৈ তেনেকৈয়ে কৰা
যেনেকৈ সেইজনে কৰিছিল।"

## মাৰ্থা আৰু মৰিয়ম

৩৮যেতিয়া যীচু আৰু তেওঁৰ শিষ্যসকল গৈ আছিল
তেওঁলোকে এখন নগৰত সোমালে। মাৰ্থা নামৰ এগৰাকী
মহিলাই তেওঁক সাদৰ সম্ভাষণ জনাই তেওঁৰ ঘৰত ৰাখিলে।
৩৯তেওঁৰ ভনীয়েকৰ নাম আছিল মৰিয়ম, যি গৰাকীয়ে
যীচুৰ চৰণৰ ওচৰত বহি তেওঁ কোৱা কথা শুনি আছিল।
৪০অন্যহাতে মাৰ্থাই সকলোৰে শুশ্ৰষা কৰাত অতি ব্যস্ত
হব লগা হোৱাত যীচুৰ ওচৰলৈ আহি কলে, প্ৰভু, আপুনি
চিন্তা নকৰেনে যে, আহাৰ যুগুত কৰাৰ সকলো কাম মোৰ
ভনীয়ে মোলৈ এৰি থলে? মোক সহায় কৰিবলৈ তাইক
কওক।
৪১প্ৰভুৱে উত্তৰ দিলে, "মাৰ্থা, মাৰ্থা, তুমি অনেক বিষয়ত
চিন্তিত আৰু ব্যস্ত হৈ আছা। ৪২কিন্তু প্ৰয়োজনীয় এটাহে,
আৰু মৰিয়মে সেই উত্তম ভাগ মনোনীত কৰিলে আৰু তাক
তেওঁৰ পৰা নিয়া নহব।"

## যীচুৱে প্ৰাৰ্থনাৰ বিষয়ে শিকোৱা

*(মথি ৬:৯–১৫)*

**১১** ১এদিন যীচুৱে এখন নিৰ্জন ঠাইত প্ৰাৰ্থনা কৰি
আছিল। তেওঁৰ প্ৰাৰ্থনা কৰি শেষ হোৱাত তেওঁৰ
এগৰাকী শিষ্যই তেওঁক কলে, "প্ৰভু যোহনে যিদৰে
তেওঁৰ শিষ্য সকলক প্ৰাৰ্থনা কৰিবলৈ শিকাইছিল আমাকো
তেনেদৰেই প্ৰাৰ্থনা কৰিবলৈ শিকাওক।"
২যীচুৱে তেওঁলোকক কলে, "তোমালোকে প্ৰাৰ্থনা কৰা
সময়ত এনেদৰে কবা,

'পিতৃ আপোনাৰ পবিত্ৰ নামৰ পূজনীয় হওক;
আপোনাৰ ৰাজ্য আহক;
৩ আমাৰ দৈনিক আহাৰ আজি আমাক দিয়ক।
৪ আমাৰ পাপবোৰ ক্ষমা কৰক;
যেনেকৈ আমাৰ বিৰুদ্ধে অন্যায় কৰা সকলক
আমি ক্ষমা কৰিলো।
আমাক পৰীক্ষিত হবলৈ নিদিব।'"

## প্ৰয়োজনীয় বস্তুবোৰ ঈশ্বৰক খোজা

*(মথি ৭:৭–১১)*

৫–৬তেতিয়া যীচুৱে তেওঁলোকক কলে, "ধৰিলোৱা
তোমালোকৰ মাজৰ কোনোবা এজনৰ বন্ধু আছে। আৰু
মাজ ৰাতি তুমি তেওঁৰ ওচৰলৈ গৈ কোৱা, হে বন্ধু মোক
তিনি খন ৰুটি ধাৰলৈ দিয়া কাৰণ যাত্ৰাৰ পৰা মোৰ এজন
বন্ধু এইমাত্ৰ মোৰ ঘৰলৈ আহিছে কিন্তু তেওঁক খাবলৈ
দিবৰ বাবে মোৰ একো নাই। ৭তোমাৰ বন্ধুৱে যদি ঘৰৰ
ভিতৰৰ পৰাই কয়, মোক আমনি নিদিবা এতিয়া দুৱাৰো
বন্ধ আৰু লৰা-ছোৱালী কেইটা মোৰ লগত শুই আছে,
সেয়ে মই উঠি গৈ তোমাক একো দিব নোৱাৰো। ৮মই
তোমালোকক কওঁ তেওঁ তোমাৰ বন্ধু হোৱা হেতুকে তেওঁ
উঠি তোমাক একো নিদিলেও, তুমি সঘনাই খুজি থাকিলে
তেওঁ উঠি আহি তোমাৰ যিমান প্ৰয়োজন সিমান খিনি
তোমাক দিব। যিহেতু তোমালোকে নেৰানেপেৰাই কৈ
খুজিবলৈ লাজ নকৰিলা। ৯সেয়ে মই তোমালোকক কওঁ
সঘনাই খোজা তেহে ঈশ্বৰে তোমালোকক দিব, বিচৰা

[a] **১০:২৭** উদ্ধৃত দ্বি. বি. ৬:৫
[b] **১০:২৭** উদ্ধৃত লেবীয়া ১৯:১৮
[c] **১০:৩২ লেবী** লেবীয় জাতিৰ মানুহ, যিসকলে পবিত্ৰ মন্দিৰ আৰু তম্বুত পুৰোহিত সকলক সহায় কৰিছিল। পিচলৈ কিছু লেবীয়া সকল শাসনকৰ্ত্তা সকলৰ কাৰনে কাম কৰিছিল।

তেহে পাবা আৰু সঘনাই ঢুকুৰিওৱা তেহে তোমালোকলৈ দুৱাৰ মুকলি কৰি দিয়া হব। ১০যদি কোনোৱে সঘনাই খোজে তেওঁ পাব যি জনে সঘনাই বিচাৰে তেওঁ দেখিবলৈ পায়। আৰু যিজনে সঘনাই টুকুৰিযাই তেওঁলৈ দুৱাৰ মেলি দিয়া হয়। ১১তোমালোকৰ কোনজন বাপেকে পুতেকে মাছ খুজিলে মাছৰ সলনি সাঁপ দিব? ১২নাইবা কণী বিচাৰিলে তেওঁক কেকোৰা বিছা দিব? ১৩তোমালোকে অবোধ হৈও যদি তোমালোকৰ সন্তান বিলাকক ভাল বস্তু দিব জানা, তেনেহলে স্বৰ্গত থকা পিতৃয়ে তেওঁক খোজা বিলাকক পবিত্ৰ আত্মা নিদিবনে?”

## যীচুৰ শক্তিৰ উৎস

*(মথি ১২:২২–৩০; মাৰ্ক ৩:২০–২৭)*

১৪এদিনাখন যীচুৱে যেতিয়া এজন কথা কব নোৱাৰা মানুহৰ পৰা এটা বোবা ভূতক বাহিৰ কৰি আছিল। ভূতটো মানুহজনৰ পৰা ওলাই যোৱাত বোবা মানুহজনে কথা কবলৈ ধৰিলে, তাকে দেখি মানুহবোৰে বিস্ময় মানিলে। ১৫কিন্তু কিছুমান মানুহে কলে, “তেওঁ ভূতৰ প্ৰধান বিলজেবুলৰ[a] শক্তিৰ সহায়েৰেহে ভূতবোৰক বাহিৰ কৰে।”

১৬আন কিছুমান লোকে তেওঁক পৰীক্ষা কৰি চাবলৈ ঈশ্বৰৰ কিবা আচৰিত চিন[b] দেখুৱাব কলে। ১৭কিন্তু তেওঁ তেওঁলোকৰ মনৰ ভাৱ জানি তেওঁলোকক কলে, “কোনো ৰাজ্য যদি নিজৰ বিৰুদ্ধে থিয় হয় তেন্তে সেইখন ৰাজ্য ধংসপ্ৰাপ্ত হয়। নিজৰ ভিতৰতে হাই-কাজিয়া কৰা পৰিয়াল খণ্ড-বিখণ্ড হয়। ১৮সেয়ে যদি চয়তান নিজৰে বিৰুদ্ধী হয় তেন্তে তেওঁৰো ৰাজ্য তিষ্টি থাকিব নোৱাৰিব। মই তোমালোকক এই কথা সোধাৰ কাৰণ হল যিহেতু তোমালোকে মোক চয়তানৰ সহায়েৰে ভূতবোৰক খেদায়, বুলি কৈছা, ১৯মই যদি চয়তান বেলজুবুলৰ শক্তিৰ দ্বাৰা ভূতবোৰক খেদাওঁ তেনেহলে তোমালোকৰ অনুগামী সকলে কাৰ সহায়েৰে খেদায়? তোমালোকৰ মানুহ বিলাকেই প্ৰমাণ কৰিলে যে তোমালোক শুদ্ধ নহয়।” ২০কিন্তু মই যদি ঈশ্বৰৰ শক্তিৰে[c] ভূতবোৰক খেদাওঁ, তেনেহলে এইটো স্পষ্ট যে ঈশ্বৰৰ ৰাজ্য তোমালোকৰ ওচৰলৈ আহিল।

২১“যেতিয়া এজন বলৱান লোকে অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত হৈ নিজৰ ঘৰখনক পহৰা দিয়ে তেতিয়া তেওঁৰ সম্পতি সুৰক্ষিত হয়। ২২কিন্তু যেতিয়াই তেওঁতকৈ বলৱান লোক এজনে তেওঁক আক্ৰমণ কৰি পৰাজিত কৰে, তেতিয়া যি অস্ত্ৰ-শস্ত্ৰৰ ওপৰত তেওঁ নিৰ্ভৰ কৰিছিল সেইবোৰক বেছি বলৱান জনে হস্তগত কৰিব আৰু প্ৰথম মানুহজনৰ সা-সম্পত্তিবোৰ বন্ধুৰে সৈতে্য ভাগৰাটি লব।

২৩“যি জন মোৰ সপক্ষ নহয়, তেওঁ মোৰ বিপক্ষ, আৰু যি জনে মোৰ সৈতে নচপায় তেওঁ সিচৰিত পেলায়।

## শূন্যতাৰ পৰিণাম বিপদ

*(মথি ১২:৪৩–৪৫)*

২৪“যেতিয়া এটা অশুচি আত্মা এজন ব্যক্তিৰ পৰা ওলাই আহে, তেতিয়া ই শুকান ঠাইবোৰত জিৰণী বিচাৰি ফুৰে। সি যেতিয়া কতো জিৰণী লবলৈ ঠাই নাপায়, তেতিয়া সি কয়, “মই এৰি ওলাই অহা সেই ঘৰলৈকে ঘুৰি যাম। ২৫যেতিয়া সি ঘুৰি আহে সেই ঘৰখন সাৰি-মচি পৰিপাতিকৈ থোৱা পায়। ২৬তেতিয়া সি গৈ নিজতকৈয়ো অধম আন সাতোটা আত্মা লগত লৈ আহে আৰু সিহঁতে তাত সোমাই বাস কৰে। আৰু সেই ব্যক্তি জনৰ অৱস্থা আগতকৈ আৰু বেছি মৰাত্মক হয়।”

## ঈশ্বৰৰ আশীৰ্বাদপ্ৰাপ্ত লোক

২৭যীচুৱে এই কথাখিনি কৈ থাকোতেই এগৰাকী তিৰোতাই উচ্চ স্বৰে তেওঁক কবলৈ ধৰিলে, “ধন্য সেই তিৰোতা গৰাকী যিয়ে আপোনাক জন্ম দিলে আৰু পিয়াহ খুৱালে।”

২৮কিন্তু যীচুৱে কলে, “হয় তথাপি যি সকলে ঈশ্বৰৰ বাক্য শুনি পালন কৰে তেওঁলোকৰহে ঈশ্বৰৰ আৰ্শীব্বাদ আছে।”

## কিছুমান লোকে যীচুৰ ক্ষমতাক সন্দেহ কৰে

*(মথি ১১:৩৮–৪২; মাৰ্ক ৮:১২)*

২৯লোকসমূহৰ ভিৰ বাঢ়ি অহাত, যীচুৱে কলে, “এই কালৰ লোকবিলাক অধম। তেওঁলোকে ঈশ্বৰৰ পৰা আশ্চৰ্য্যৰ চিন চাব বিচাৰে। কিন্তু যোনাৰ চিনৰ বাহিৰে তেওঁলোকক আৰু একো চিন দিয়া নহব। ৩০যোনা যেনেকৈ নীনৱে নগৰ[d] বাসীৰ বাবে চিন আছিল সেইদৰে মানৱ পুত্ৰ এই কালৰ বাবে চিন হব।

৩১“মহাবিচাৰৰ দিনা দক্ষিণৰ ৰাণীযে[e] থিয় হৈ এই যুগৰ মানুহবিলাকক দোষী কৰিব, কিয়নো তেওঁ পৃথিৱীৰ সুদুৰ প্ৰান্তৰ পৰা চলোমনৰ জ্ঞানৰ কথা শুনিবলৈ যাত্ৰা কৰি আহিছিল। মই তোমালোকক কওঁ চলোমনতকৈও মহান এজনা ইয়াত উপস্থিত আছে, কিন্তু তোমালোকে তেওঁৰ কথা নুশুনা।

৩২“সেই মহাবিচাৰৰ দিনা নীনৱি নগৰৰ মানুহ বিলাকে সৈতে্য তোমালোকক এতিয়া যি সকলে জীবীত তুলনা কৰা হব। তেওঁলোকে তোমালোকৰ দোষ প্ৰমান কৰিবলৈ সাক্ষী হব। কিয়নো তেওঁলোকে যোনাৰ প্ৰচাৰত পাপ পথৰ পৰা অনুতপ্ত হৈ ঘুৰিলে: কিন্তু যোনাতকৈও মহান এজনাৰ কথা তোমালোকে শুনি আছা কিন্তু তোমালোকে নিজৰ মন্দ পথৰ পৰা পৰিবৰ্তন হবলৈ ইচ্ছা নকৰা।

[a] **১১:১৫ বিলজেবুলৰ** আক্ষৰিকভাবে চয়তান ১৮, ১৯ পদত চাওঁক।

[b] **১১:১৬ ঈশ্বৰৰ … চিন** আক্ষৰিকভাবে স্বৰ্গৰ পৰা কিবা এটা চিন, প্ৰমান।

[c] **১১:২০ শক্তি** আক্ষৰিকভাবে ঈশ্বৰৰ আঙুলি — এইটো ঈশ্বৰৰ শক্তিৰ মাত্ৰ এটা সূক্ষ্ম অংশহে বুজায়।

[d] **১১:৩০ নীনৱে** যত যোনাই প্ৰচাৰ কৰিছিল (যোনা ৩) চাওক।

[e] **১১:৩১ দক্ষিনৰ ৰাণী** চীবাৰ ৰাণী তাই ১,৬০০ কিমি যাত্ৰা কৰি ঈশ্বৰৰ জানৰ কথা চলোমনৰ পৰা শিকিব আহিছিল। ১ ৰাজা ১০:১–১৩

## তোমালোক জগতৰ পোহৰ

*(মথি ৫:১৫; ৬:২২–২৩)*

৩৩কোনেও চাকি জ্বলাই ভূগৰ্ভস্থ কোঠালী বা পাচিৰ তলত
লুকুৱাই নথয়, তাৰ সলনি তেওঁ তাক গছাৰ ওপৰতহে থয়,
যাতে ঘৰলৈ সোমাই অহা সকলোৱে পোহৰ দেখিবলৈ
পায়। ৩৪চকুৱেই তোমালোকৰ শৰীৰৰ একমাত্ৰ পোহৰৰ
উৎস, যদি কোনো মানুহক ভাল দৃষ্টিৰে সহায় কৰিব বিচৰা
তেতিয়া তুমি দ্বীপ্তিময় হৈ উঠিবা। কিন্তু যদি তুমি কোনো
মানুহক বেয়া দৃষ্টিৰে চোৱা তেতিয়া তুমি অন্ধকাৰত ডুব
যাবা।[a] ৩৫সেয়ে সাৱধান হবা, তোমাত থকা পোহৰ যেন
অন্ধকাৰময় নহয়। ৩৬যদি তোমালোকৰ গোটেই শৰীৰ
দীপ্তিমন্ত হয় আৰু অকণো আন্ধাৰ নাথাকে তেনেহলে
উজ্বল চাকিয়ে পোহৰ দিয়াৰ দৰে, তোমালোকৰ গোটেই
শৰীৰ জোৰ্তিময় হব।

## যীচুৱে ধৰ্ম্মীয় নেতা সকলক সমালোচনা কৰা

*(মথি ২৩:১–১৬; মাৰ্ক ১২:৩৮–৪০; লূক ২০:৪৫–৪৭)*

৩৭এইবোৰ কথা কৈ শেষ কৰিলত এজন ফৰীচীয়ে তেওঁৰে
সৈতে ভোজন কৰিবলৈ নিমন্ত্ৰণ কৰাত যীচুৱে তেওঁৰ ঘৰলৈ
গৈ ভোজন কৰিবলৈ মেজত আওঁজি তেওঁৰ আসন গ্ৰহন
কৰিলে। ৩৮কিন্তু ভোজন কৰাৰ আগেয়ে ৰীতি মতে যীচুৱে
নিজে হাত ধুৱাৰ ৰীতিমতে নুধুৱাৰ বাবে ফৰীচীজনে বৰ
আচৰিত মানিলে। ৩৯প্ৰভুৱে তেওঁক কলে, “তোমালোক
ফৰীচীসকলে কাঁহি-বাতিৰ বাহিৰৰ অংশহে পৰিস্কাৰ কৰা;
কিন্তু তোমালোকে কেৱল ঠগা আৰু লোকসমূহৰ হানি
কৰা। ৪০তোমালোকে মূৰ্খ। যিজনে বাহিৰ ফালটো সৃষ্টি
কৰিলে তেৱেঁই ভিতৰ ফালটোও সৃষ্টি কৰা নাই জানোঁ?
৪১তোমাৰ ভিতৰ ফালে যি আছে তাক ধ্যান দিয়া সেইবোৰ
দৰিদ্ৰ বিলাকক দি সহায় কৰা, তেতিয়াহে তুমি সম্পূৰ্ণকৈ
বাহিৰে ভিতৰে পৰিস্কাৰ হবা।
৪২“কিন্তু তোমালোকে ফৰীচী বিলাক সন্তাপৰ পাত্ৰ!
কিয়নো তোমালোকে পুদিনা, অৰুদ আৰু আন সকলো
শাকৰ দশম ভাগ দান কৰা; কিন্তু আনৰ প্ৰতি ন্যায় বিচাৰ
আৰু ঈশ্বৰলৈ প্ৰেম-ভক্তিক অৱহেলা কৰা। এইবিলাক
বিষয় তোমালোকে ধ্যান দিয়া উচিত আৰু সেই একেদৰে
আন বিলাকো পালন কৰা।
৪৩“তোমালোক ফৰীচী বিলাক সন্তাপৰ পাত্ৰ! কিয়নো
তোমালোকে নাম-ঘৰবোৰত প্ৰধান আসন আৰু হাট-
বজাৰত সন্মানপূৰ্বক নমস্কাৰ পাবলৈ ভাল পোৱা।
৪৪তোমালোক সন্তাপৰ পাত্ৰ! কিয়নো তোমালোক চিহ্নিত
নোহোৱা মৈদামৰ নিচিনা, যি মৈদামৰ ওপৰেদি মানুহে
নজনাকৈ খোজ কাঢ়ি যায়।”
৪৫তেনেতে এজন বিধান পণ্ডিতে যীচুক কলে, “হে গুৰু
এইবোৰ কথা কৈ আপুনি আমাক অপমান কৰিছে।”
৪৬যীচুৱে উত্তৰ দিলে, “তোমালোক বিধান-পণ্ডিতসকল
সন্তাপৰ পাত্ৰ! কিয়নো তোমালোকে বহুত কঠোৰ নিয়ম
বনাইছা যিবোৰ মানিবলৈ কষ্টকৰ। তোমালোকে আনক
সেই নিয়মবোৰ মানিবলৈ বাধ্য কৰোৱা।[b] কিন্তু সেই
নিয়মবোৰ মানিবলৈ তোমালোকে চেষ্টা কৰিবও নিবিচৰা।
৪৭তোমালোক সন্তাপৰ পাত্ৰ! তোমালোকৰ পূৰ্ব-পুৰুষ
সকলে, ভাৱবাদীসকলক বধ কৰিলে আৰু তোমালোকে
তেওঁলোকৰ মৈদাম সাজিঁছা। ৪৮সেয়ে তোমালোকেই
সাক্ষ্য দিছা যে তোমালোকে পূৰ্ব-পুৰুষ সকলে কৰা কাৰ্য্যক
সমৰ্থন কৰিছা, কিয়নো তেওঁলোকে ভাৱবাদী সকলক বধ
কৰিলে, আৰু তেওঁলোকৰ মৈদান সাজিঁছা। ৪৯এই কাৰণেই
ঈশ্বৰৰ জ্ঞানে কৈছে, মই ভাৱবাদী আৰু পাঁচনি সকলক
পঠিয়াম কিছুমানক তেওঁলোকে বধ কৰিব আৰু কিছুমানক
তাড়না কৰিব।
৫০“সেয়ে আৰম্ভনিৰে পৰা ভাৱাবাদী সকলৰ যিসকলক
বধ কৰা হল, তোমালোকেই শাস্তি ভূগিব লাগিব;
৫১হেবেলৰ[c] ৰক্ত পাতৰ কাৰনে তোমালোকে শাস্তি পাবা
আৰু জখৰিয়াৰ ৰক্তপাতৰ বাবে তোমালোকক শাস্তি
প্ৰদান কৰা হব যাক মন্দিৰ আৰু বেদীৰ মাজত বধ কৰা
হৈছিল। হয় মই তোমালোকক কৈছোঁ তোমালোকৰ
ওপৰ পিতৃসকলৰ দ্বাৰাই হোৱা সকলো ৰক্তপাতৰ শাস্তি
তোমালোকক দিয়া হব।
৫২“হে বিধান পণ্ডিত সকল তোমালোক সন্তাপৰ
পাত্ৰ! তোমালোকে ঈশ্বৰৰ জ্ঞানৰ চাবি কাঠি কাঢ়ি নিলা;
তোমালোকে নিজেও নিশিকা আৰু আনকো শিকিবলৈ
নিদিয়া।”
৫৩যীচু সেই ঠাইৰ পৰা যোৱাৰ সময়ত ফৰীচীবিলাকে
আৰু বিধান পণ্ডিত সকলে তেওঁৰ বিৰুদ্ধে শত্ৰুতাৰ ভাৱ
পোষন কৰি তেওঁক বহুত ধৰণৰ প্ৰশ্ন কৰিলে। ৫৪আৰু তেওঁ
কিবা ভুল কলে দোষাৰূপ কৰি তেওঁলোকে ষড়যন্ত্ৰ কৰি
ফান্দত পেলাই বন্দী বনাবলৈ প্ৰচেষ্টা কৰিলে।

## ফৰীচীসকলৰ দৰে নহবা

**১২** ১আকৌ হাজাৰ হাজাৰ মানুহে গোট খালত
তেওঁলোকৰ মাজত গচকা-গচকি হল।
যীচুৱে মানুহবোৰক কথা কোৱাৰ আগমূৰ্হতত তেওঁৰ
শিষ্যসকলক কলে, “তোমালোকে ফৰীচী বিলাকৰ
খমিৰলৈ সাৱধান হবা অৰ্থাৎ তেওঁলোকৰ কপটতাৰ
বিষয়ে সাৱধান হবা। ২লুকুৱাই থোৱা সকলো বস্তু প্ৰকাশ
কৰা হব। গোপনীয় ভাৱে ৰখা সকলো বস্তু জনাজাত

[a] **১১:৩৪ তুমি অন্ধকাৰত ডুব যাবা** আক্ষৰিকভাবে চকুৱেই শৰীৰক পোহৰ যদি চকু সিদ্ধ হয়, তেন্তে সৰ্বশৰীৰ উজ্জ্বল হয়। কিন্তু যদি এইটোৱেই মন্দ হয়, তেন্তে গোটেই শৰীৰ অন্ধকাৰময় হয়।

[b] **১১:৪৬ মানিবলৈ বাধ্য কৰোৱা** আক্ষৰিক ভাবে তোমালোক আনৰ ওপৰত গধুৰ বোজা জাপি দিয়া যিবিলাক কঢ়িয়াবলৈ তেওঁলোকৰ বাবে কঠিন।

[c] **১১:৫১ হেবেল** জখৰিয়া ইব্ৰী পুৰনি নিয়মত এই লোককেই প্ৰথমে আৰু শেষতে বধ কৰা হৈছিল।

হব, ৩তোমালোকে আন্ধাৰত কোৱা কথা বোৰ পোহৰত
প্ৰকাশ কৰা হব; আৰু ভিতৰ কোঠালিত যি কথা
গোপনভাৱে কৈছিলা সেই কথা ঘৰৰ মোধচৰ ওপৰৰ
পৰা ঘোষণা কৰা হব।

## কেৱল ঈশ্বৰলৈহে ভয় কৰা

*(মথি ১০:২৮–৩১)*

৪তেতিয়া যীচুৱে মানুহবিলাকক কলে, “কিন্তু মোৰ বন্ধু
সকল মই তোমালোকক কৈছোঁ, মানুবিলাকলৈ ভয়
নকৰিবা কিয়নো তেওঁলোকে মাত্ৰ শৰীৰহে বধ কৰিব পাৰে
কিন্তু তাৰ পাছত একো কৰিব নোৱাৰে। ৫যি জনাৰ বধ
কৰাৰ পাচতো নৰকত পেলোৱাৰ ক্ষমতা আছে সেইজনা
ঈশ্বৰলৈহে ভয় কৰিবা।
৬“পাচোঁটা ঘৰচিৰিকা চৰাই দুপইচাত বেচা নহয় জানো?
তথাপি ঈশ্বৰে সিহঁতৰ এটাকো পাহৰি নাযায়। ৭ঈশ্বৰে
তোমালোকৰ মূৰৰ চুলিও কিমানডাল আছে তাকো জানে।
সেয়ে ভয় নকৰিবা, তোমালোকে অনেক ঘৰচিৰিকাত কৈ
বহুমূলীয়া।

## তোমাৰ বিশ্বাসৰ বাবে লজ্জিত নহবা

*(মথি ১০:৩২–৩৩; ১২:৩২; ১০:১৯–২০)*

৮“মই তোমালোকক কৈছোঁ যিজন ব্যক্তিয়ে মোক
সকলোৰে আগত স্বীকাৰ কৰে, মানৱ পুত্ৰও তেওঁক ঈশ্বৰৰ
আগত স্বীকাৰ কৰিব যে তোমালোক মোৰ হোৱা। ৯কিন্তু
যি জনে মোক মানুহবিলাকৰ আগত স্বীকাৰ নকৰে, তেওঁক
ঈশ্বৰৰ স্বৰ্গদূত বিলাকৰ ওচৰত স্বীকাৰ কৰা নহব।
১০“মানৱ-পুত্ৰৰ বিৰুদ্ধে কোৱা সকলো কথা ক্ষমা কৰা
হব, কিন্তু পবিত্ৰ আত্মাৰ বিৰুদ্ধে কথা কোৱা জনক ক্ষমা
কৰা নহব।
১১“যেতিয়া তোমালোকে নাম-ঘৰলৈ, নেতা আৰু বিশেষ
অন্য লোকৰ ওচৰলৈ নিয়া হব, তেতিয়া নিজৰ পক্ষে কি
কব লাগিব তালৈ চিন্তা নকৰিবা। ১২কাৰন তোমালোকে
সেই সময়ত কি কব লাগিব পবিত্ৰ আত্মাই তোমালোকক
শিকাই দিব।

## যীচুৱে স্বাৰ্থপৰতাৰ বিষয়ে দিয়া সাৱধান বাণী

১৩লোক সমূহৰ মাজৰ পৰা কোনোবা এজন মানুহে তেওঁক
কলে, “হে গুৰু আমাৰ পিতৃ ঢুকাল, আৰু তেওঁ আমালৈ
কিছু সম্পতি এৰি গৈছে, মোৰ ককাইক পিতৃৰ সম্পতি
মোৰ সৈতে ভগাবলৈ কওঁক।”
১৪কিন্তু যীচুৱে তেওঁক কলে, “হে ভাই তোমালোকৰ
পৈতৃক সম্পতি ভাগ-বতৰা কৰিবলৈ কোনে মোক
বিচাৰকৰ্তা পাতিলে?” ১৫তেতিয়া যীচুৱে তেওঁলোকক
কলে, “সাৱধান হোৱা, সকলো প্ৰকাৰৰ লোভৰ পৰা
নিজকে আঁতৰাই ৰাখা কিয়নো প্ৰয়োজনতকৈ বেছি
থাকিলেও মানুহৰ জীৱনত সুখ আৰু শান্তি নাথাকে।”
১৬তেতিয়া যীচুৱে এটি দৃষ্টান্ত দি কলে, “এজন ধনী মানুহ
আছিল, তেওঁৰ যথেষ্ট খেতিৰ পথাৰ আছিল, এবাৰ তেওঁৰ
পথাৰত বৰ ভালকৈ শস্য উৎপন্ন হল। ১৭তেওঁ নিজে চিন্তা
কৰি কলে, ‘মই কি কৰিম? মোৰ শস্যবোৰ ৰাখিবলৈ যথেষ্ট
ঠাই নাই।’
১৮“তেতিয়া তেওঁ কলে, ‘মই মোৰ ভৰালবোৰ ভাঙি
তাতোত কৈয়ো ডাঙৰ ভৰাঁল এটা সাজিম, আৰু মোৰ
শস্যবোৰ আৰু বস্তু বোৰ তাতে ৰাখিম, মই ইয়াকে কৰিম।
১৯তেতিয়া মই নিজকে কম, হে মোৰ প্ৰাণ তোমাৰ
প্ৰয়োজন অনুসাৰে সকলো উত্তম বস্তুৰ এক বুজন পৰিমাণ
বহু বছৰৰ বাবে সাঁচি থোৱা আছে। আৰাম কৰা, ভোজন-
পান কৰি, আনন্দ কৰা।’
২০“কিন্তু ঈশ্বৰে সেই মানুহজনক কলে, ‘হে মূৰ্খ, আজি
ৰাতিয়েই তোমাৰ প্ৰাণ তোমাৰ পৰা নিয়া হব। তুমি যুগুত
কৰি থোৱা সম্পতি এতিয়া কোনে পাব?’
২১“নিজৰ বাবে সম্পদ সাঁচি ৰখা মানুহৰ এনেকুৱাই হয়,
কিন্তু ঈশ্বৰৰ দৃষ্টিত তেওঁ ধনী নহয়।”

## ঈশ্বৰৰ ৰাজ্যক প্ৰথম স্থান দিবা

*(মথি ৬:২৫–৩৪, ১৯–২১)*

২২যীচুৱে তেওঁৰ শিষ্য সকলক কলে, “সেয়ে মই
তোমালোকক কওঁ, কি খাম, বা কি পিন্ধিম বুলি
তোমালোকে চিন্তা নকৰিবা, ২৩কিয়নো ঈশ্বৰে আহাৰ
আৰু বস্ত্ৰতকৈ জীৱনক অধিক শ্ৰেষ্ঠ কৰিলে। ২৪চৰাই
বোৰৰ কথালৈ মন কৰাচোঁন সিবিলাকে নবয়, নাদায় আৰু
সাঁচি ৰাখিবলৈ ভৰাঁলো নাই কিন্তু ঈশ্বৰে সিহঁতলৈ আহাৰ
যোগায়। তোমালোক সেই চৰাইবোৰতকৈ বহু মূল্যৱান।
২৫তোমালোকৰ কোনোবাই চিন্তা কৰি নিজৰ জীৱনত
এঘন্টাও অতিৰিক্ত যোগ দিব পাৰিবানে? ২৬যিহেতু এই
ক্ষুদ্ৰ কামকে তোমালোকে কৰিব নোৱাৰা তেন্তে ডাঙৰ
কামৰ বাবে চিন্তা কিয় কৰা?
২৭“বনৰীয়া ফুলবোৰ কেনেকৈ বাঢ়ে, তাক গমি চোৱা
সিহঁত শ্ৰমো নকৰে বা কাপোৰো উৎপন্ন নকৰে কিন্তু মই
তোমালোকক কওঁ, ঐশ্বৰ্য্যশালী ৰজা চলোমনও সেইবোৰৰ
এটাৰ সমানো বিভূষিত নাছিল। ২৮ঈশ্বৰে পথাৰৰ ঘাহঁবনকো
ইমান সুসজ্জিত কৰে, তেনেহলে ভাৱা তোমালোকৰ
বাবে তেওঁ কি নকৰিব। এইবোৰ আজি আছে কিন্তু কাইলৈ
জুইশালত পেলাই দিয়া হ’ব, তথাপিও ঈশ্বৰে সিহঁতক
সুন্দৰ কৰি স্বজিছে। তেন্তে হে অল্পবিশ্বাসী সকল ঈশ্বৰে
নিশ্চয়কৈ তোমালোকক তাতোতকৈ অধিক বিভূষিত
নকৰিবনে?
২৯“সেয়ে তোমালোকে, কি ভোজন কৰিম কি পান
কৰিম এই বোৰলৈ মনোযোগ নিদিবা, ৩০পৃথিৱীৰ নাস্তিক
লোকেহে এইবোৰ মনোযোগ দিয়ে। তোমালোকৰ পিতৃয়ে
তোমাৰ প্ৰয়োজনীয় সকলো বস্তুবোৰৰ বিষয়ে জানে।
৩১তাৰ পৰিবৰ্তে তোমালোকে প্ৰথমে ঈশ্বৰৰ ৰাজ্যৰ বিষয়ে
সম্পূৰ্ন ধ্যান দি বিচৰা, তেহে তেওঁ তোমালোকৰ অনান্য যি
সকলো প্ৰয়োজনীয় তাক দিব।

### সম্পত্তিত নিৰ্ভৰতা

৩২“মেৰৰ সৰু জাকটি তোমালোকে ভয় নকৰিবা;
তোমালোকৰ স্বৰ্গত থকা পিতৃয়ে তেওঁৰ ৰাজ্য তোমালোকৰ
সৈত্যে ভগাই লব বিচাৰিছে। ৩৩তোমালোকৰ সা-সম্পতি
বিক্ৰী কৰি ধনখিনি দৰিদ্ৰ সকলক দান কৰা, যদি তুমি
সেইদৰে কৰা তেতিয়া তুমি স্বৰ্গত তোমাৰ সম্পতিৰ ভৰাল
পাৱা। এইটোৱেই একমাত্ৰ উপায় যাৰ দ্বাৰা তুমি তোমাৰ
সম্পতি চিৰকালৰ বাবে নষ্ট নোহোৱাকৈ সাঁচিব পাৰিবা।
যি ঠাই চোৰ সোমাৱ নোৱোৰে আৰু পোকেত নষ্ট কৰিব
নোৱাৰে। ৩৪কিয়নো যাতে তোমালোকৰ ধন হব তাতে
তোমালোকৰ মনো থাকিব।

### সাজু হৈ থাকা

*(মথি ২৪:৪২–৪৪)*

৩৫“সদায় সাজু হৈ থাকিবা। সাজ-পোচাক পৰিধান কৰি
যুগুত হৈ তোমাৰ চাকি জলাই ৰাখিবা। ৩৬বিয়াৰ ভোজৰ
পৰা ঘুৰি আহি, দুৱাৰত টুকুৰিয়ালে ততালিকে দুৱাৰ মেলি
দিবলৈ সাজু হৈ থাকি প্ৰভুলৈ অপেক্ষা কৰা দাস বিলাকৰ
নিচিনা হোৱা। ৩৭প্ৰভু আহি যিবিলাক দাসক পহৰা দি
থকা দেখা পায়, তেওঁলোকক তেওঁ প্ৰশংসা কৰিব। মই
তোমালোকক সত্য কথা কওঁ তেওঁ আহি তেওঁলোকক
ভোজনৰ মেজত আসনদি নিজে বাঢ়ি দিব। ৩৮যদি তেওঁ
মাজৰাতি, বা ৰাতিৰ শেষ ভাগত আহি; তেওঁলোকক জাগি
থকা দেখা পায়, তেন্তে তেওঁলোকক প্ৰশংসা কৰিব।
৩৯“কিন্তু তোমালোক নিশ্চিত যে যদি গৃহস্থই চুৰ কোন
সময়ত আহিব জনাহেতেন তেওঁ কেতিয়াও চুৰক ঘৰত
সিন্ধি দি সোমাবলৈ নিদিলেহেঁতেন। ৪০তোমালোকেও সাজু
হৈ থাকিবা, কিয়নো তোমালোকে আশা নকৰা সময়তেই
মানৱৰ পুত্ৰ আহিব।”

### বিশ্বাসী দাস কোনজন?

*(মথি ২৪:৪৫–৫১)*

৪১পিতৰে কলে, “প্ৰভু এই দৃষ্টান্তটো আপুনি আমাকনে?
সকলোৰে বাবে কৈছে?”
৪২প্ৰভুৱে কলে, “কোনজন জ্ঞানী আৰু বিশ্বাসী দাস? যি
জনাৰ ওপৰত প্ৰভুৱে তেওঁৰ আন দাস বিলাকলৈ উচিত
সময়ত আহাৰ পানী যোগাবলৈ দায়িত্ব দিয়ে তেৱেঁই বিশ্বাসী
আৰু জ্ঞানী দাস। ৪৩প্ৰভু ঘৰলৈ ঘুৰি অহাৰ সময়ত যি দাসক
এইবোৰ কাম কৰা দেখা পাই তেওঁক প্ৰশংসা কৰিব। ৪৪মই
তোমালোকক সঁচাকৈ কৈছো, তেওঁ সেইজন দাসক
তেওঁৰ সকলো সম্পতিৰ গৰাকী বাচি লব।
৪৫“কিন্তু যদি সেই দাসজন বদমাছ হয় আৰু নিজৰ
মনতে ভাৱে যে মোৰ প্ৰভু অহাত পলম হ'ব তেতিয়া কি
হব? সি আন দাস-দাসীবিলাকক মাৰপিত কৰি সময়মতে
খাবলৈ নিদিব। কিন্তু নিজে ভোজন পান কৰি মতলীয়া
হৈ থাকিব ৪৬তেতিয়া সি আশা নকৰা সময়ত প্ৰভু আহি
উপস্থিত হ'ব আৰু প্ৰভুৱে সেইজন অবিশ্বাসী দাসক কঠোৰ
শাস্তি দি অযোগ্য দাস বিলাকৰ ঠাইত বাহিৰলৈ উলিয়াই
পঠিয়াব।
৪৭“যি জন দাসে প্ৰভুৰ ইচ্ছা জানিও নিজে প্ৰস্তুত হৈ
নাথাকে বা সেইমতে কাম নকৰে তেওঁ কঠোৰ শাস্তি পাব।
৪৮কিন্তু যি জনে প্ৰভুৰ ইচ্ছা নাজানি কোব খোৱাৰ যোগ্য
কাম কৰে তেওঁ কম কোব খাব। যিজনক অধিক দিয়া
হৈছিল তেওঁৰ পৰা বেছিকৈয়ে বিচৰা হব। আৰু যি জনক
সৰকৈ গতাই দিয়া হৈছিল তেওঁৰ পৰা আৰু অধিককৈ
বিচৰা হব আৰু অধিক দায়িবদ্ধতা হব।”

### যীচুৰ অনুগামীসকলৰ বিপদ

*(মথি ১০:৩৪–৩৬)*

৪৯যীচুৱে একেৰাহেই কৈ আছিল, “মই পৃথিৱীত জুই
জ্বলাবলৈহে আহিছো, সেই জুই আগতেই প্ৰজ্বলিত
হোৱা হলে কেনে ভাল আছিল। ৫০মই এটা কষ্টৰ বাপ্তিস্ম
লব লাগে, সেইটো শেষ নোহোৱা বাবে মই বহু কষ্ট
ভোগ কৰিছো। ৫১মই পৃথিৱীত শান্তি দিবলৈ আহিছোঁ
বুলি ভাৱিছানে? নহয়, মই পৃথিৱীত বিভেদহে কৰিবলৈ
আহিছো। ৫২এতিয়াৰ পৰা পাঁচজনীয়া পৰিয়ালত দুজনৰ
বিৰুদ্ধে তিনিজন আৰু তিনিজনৰ বিৰুদ্ধে দুজন ভাগ ভাগ
হব।

৫৩ পুতেকে বাপেকৰ বিৰুদ্ধে,
বাপেকে পুতেকৰ বিৰুদ্ধে,
জীয়েকে মাকৰ বিৰুদ্ধে,
মাকে জীয়েকৰ বিৰুদ্ধে,
বোৱাৰীয়েকে শাহুৱেকৰ বিৰুদ্ধে,
শাহুৱেকে বোৱাৰীয়েকৰ বিৰুদ্ধে যাব।”

### সময়বোৰক বুজি পোৱা

*(মথি ১৬:২–৩)*

৫৪তেতিয়া যীচুৱে মানুহবিলাকক কলে, “তোমালোকে
যেতিয়া পশ্চিমৰ পৰা ডাৱৰ উঠা দেখা তৎক্ষণাত
তোমালোকে কোৱা এতিয়া বৰষুণ হব আৰু সচাঁকৈ বৰষুণ
হয়। ৫৫যেতিয়া তোমালোকে দক্ষিণ ফালৰ পৰা বতাহ
বলা গম পোৱা তেতিয়া তোমালোকে কোৱা এতিয়া গৰম
কাল আহিব আৰু সেই দৰেই ঘটে। ৫৬হে কপটীয়া বিলাক!
তোমালোকে পৃথিৱী আৰু আকাশলৈ চাই, কি ঘটিব সেই
কথা বৰ ভালকৈ ধাৰণা কৰিব জানা তেন্তে বৰ্তমান সময়ৰ
কথা কিয় ধাৰণা কৰিব নাজানা?

### সমস্যাবোৰ সমাধান কৰা

*(মথি ৫:২৫–২৬)*

৫৭“শুদ্ধ কোনটো সেইটো তোমালোকে কিয় বিচাৰ নকৰা?
৫৮তুমি তোমাৰ বিৰুদ্ধে গোচৰ তৰা জনৰ লগত আগতে
নিস্পত্তি কৰা বিচাৰপতিৰ ওচৰলৈ বলপূৰ্ব্বকভাৱে টানি
নিয়াৰ আগেয়ে আৰু বিচাৰ পতিয়ে তোমাক আৰক্ষীৰ

হাতত গতাই দিব আৰু আৰক্ষীয়ে তোমাক কাৰাগাৰত
সোমোৱাই থব। ৫৯মই তোমালোকক কওঁ যি জৰিমনা হব
তাৰ শেষ পইচাটিও পৰিশোধ নকৰামানে কেতিয়াও তাৰ
পৰা ওলাই আহিব নোৱাৰিবা।”

## হৃদয়ৰ পৰিবৰ্ত্তন কৰা

১৩ ১সেই সময়ত তাত উপস্থিত থকা কেইজন মান
লোকে আহি গালীলত কেইজনমান ভক্তক
হত্যা কৰাৰ খবৰ যীচুক দিলেহি। পীলাতে তেওঁলোকক বধ
কৰিবলৈ আদেশ দিছিল ,সেই গালীলীয়া মানুহকেইজনক
বলি উৎসৰ্গা কৰি থকা অৱস্থাত হত্যা কৰা হৈছিল।
২যীচুৱে উত্তৰ দি কলে, “সেই গালীলীয়া মানুহ কেইজন
যে এনেদৰে মৰিল তাক দেখি তোমালোকে ভাৱিছানেকি
তেওঁলোক আন গালীলীয়া মানুহবোৰত কৈ অধিক পাপী
আছিল? ৩নহয়, মই তেওঁলোক ইমান অধিক পাপী নাছিল।
কিন্তু যদি তোমালোকে নিজ নিজ পাপৰ পৰা মন পালটন
নকৰা তেন্তে তোমালোকেও সেই মানুহবিলাকৰ দৰেই
মৰিবা। ৪যি ওঠৰ জন লোক চীলোহত থকা ওখ গড় ভাঙি
পৰোঁতে মৰিছিল তেওঁলোকৰ বিষয়ে তোমালোকে কি
ভাৱা। তোমালোকে ভাবিছা নেকি যে, জেৰুচালেমত
থকা মানুহবিলাকৰ ভিতৰত তেওঁলোকেই অধিক পাপী
আছিল। ৫নহয়, মই তোমালোকক কওঁ কিন্তু তেওঁলোক
ইমান অধিক পাপী নাছিল। তোমালোকেও যদি জীৱন আৰু
মন পালটন নকৰা তেনেহলে তোমালোকে এইদৰেই বিনষ্ট
হবা।”

## অনুপযোগী গছ

৬যীচুৱে আকৌ এই দৃষ্টান্ত কলে, “কোনো এজন ব্যক্তিয়ে
নিজৰ বাৰীত এজোপা ডিমৰু গছ লগাইছিল ফল লগাৰ
বতৰ হোৱাত ব্যক্তিজনে সেই গছৰ ফল বিচাৰি আহিল
কিন্তু তেওঁ একো নাপালে, ৭সেয়ে তেওঁ বাৰী চোৱাক
কলে, ‘চোৱা এই ডিমৰু গছ জোপাত মই তিনি বছৰ ফল
বিচাৰিলো কিন্তু কেতিয়াও একো নাপালো। সেয়ে ইয়াক
কাটি পেলোৱা। একো ফল উৎপন্ন নকৰাকৈ ই কিয় মাটি
দখল কৰি ৰাখিব।’ ৮বাৰীচোৱাই তেওঁক উত্তৰ দিলে,
‘মহাশয় আৰু এবছৰ অপেক্ষা কৰক, মই ইয়াৰ চাৰিওফালে
খানি অলপ সাৰ দিওঁ; ৯অহা বছৰলৈকে ইয়াত ফল ধৰিলে
তো ভালেই আৰু যদি ফল নধৰে তেন্তে আপুনি ইয়াক
কটোৱাই পেলাব।’”

## বিশ্ৰামবাৰে যীচুৱে সুস্থ কৰা

১০বিশ্ৰাম বাৰে যীচুৱে এটা নাম-ঘৰত শিক্ষা দি আছিল,
১১তাতে এগৰাকী তিৰোতা আছিল যি গৰাকীয়ে ওঠৰ বছৰ
কাল অশুচি আত্মাৰ অধীনত থকাৰ বাবে দুৰ্বল আৰু তাই
কুজি হোৱাৰ বাবে পোন হব পৰা নাছিল। ১২যীচুৱে তাইক
দেখা পাই তাইক মাতি আনি কলে, “হে নাৰী, তোমাৰ
দুৰ্বলতাৰ পৰা তুমি মুক্ত হলা।” ১৩এইবুলি কৈ যীচুৱে তাইৰ
গাত হাত দিলে, লগে লগে সেই তিৰোতা গৰাকী পোন হৈ
থিয় হ’ল আৰু ঈশ্বৰৰ প্ৰশংসা কৰিবলৈ ধৰিলে।
১৪যীচুৱে বিশ্ৰামবাৰে তাইক সুস্থ কৰাৰ বাবে নাম-
ঘৰৰ বিষয়ববীয়া সকলে খং কৰি লোক সমূহক কবলৈ
ধৰিলে, “কাম কৰিবলৈ সপ্তাহত ছয় দিন থাকে সেয়ে সেই
দিনবোৰত আহি নিজৰ ৰোগ বিলাক দূৰ কৰোৱা বা বিশ্ৰাম
বাৰে ৰোগ মুক্ত হবলৈ নাহিবা।”
১৫তেতিয়া প্ৰভুৱে উত্তৰ দিলে, “হে কপটীয়া বিলাক!
তোমালোকে বিশ্ৰামবাৰে নিজৰ বলধ, বা গাধ বোৰক পানী
খাবলৈ গোহালিৰ পৰা মেলি নিদিয়ানে?” ১৬তেন্তে এই
ওঠৰ বছৰ অশুচি আত্মাৰ কবলত থকা যি আব্ৰাহামৰ প্ৰকৃত
বংশধৰ এই গৰাকী তিৰোতাক বিশ্ৰাম বাৰে সেই কবলৰ
পৰা মুক্ত কৰিব নাপায়নে?” ১৭যীচুৱে এই কথা কোৱাত
তেওঁৰ বিৰুদ্ধে কোৱা বিলাকে লাজ পাই নিজে নিজে মূৰ
তল কৰিলে আৰু মানুহ বিলাকে তেওঁ কৰা আচৰিত কৰ্মৰ
বাবে আনন্দিত হ’ল।

## ঈশ্বৰৰ ৰাজ্যনো কেনেকুৱা?

*(মথি ১৩:৩১–৩৩; মাৰ্ক ৪:৩০–৩২)*

১৮তেতিয়া যীচুৱে কলে, “ঈশ্বৰৰ ৰাজ্য কেনেকুৱা? ইয়াক
কিহৰ লগত তুলনা কৰিব পাৰি? ১৯ঈশ্বৰৰ ৰাজ্য সৰিয়হ
গুটিৰ নিচিনা যাক কোনো এজন মানুহে লৈ পথাৰত সিচি
দিয়াত সেই বোৰ বাঢ়ি এজোপা গছ হল আৰু গছৰ ডাল
বোৰত চৰাইবোৰে বাহ সাজিলে।”
২০যীচুৱে আকৌ কলে, “ঈশ্বৰৰ ৰাজ্যক আৰু কিহৰ
লগত তুলনা কৰিম? ২১ঈশ্বৰৰ ৰাজ্য হৈছে খমিৰৰ নিচিনা
এগৰাকী তিৰোতাই খমিৰ লৈ যথেষ্ট ময়দা গুড়িৰ লগত
মিহলাই ৩০ কিলোতকৈ অধিক পিঠা তৈয়াৰ কৰে। খমিৰে
গোটেই লদাটো ফুলায়।”

## ঠেক দূৱাৰ

*(মথি ৭:১৩–১৪; ২১–২৩)*

২২যীচুৱে যেতিয়া নগৰ আৰু গাওবোৰত শিক্ষা দি দি
জেৰুচালেমলৈ গৈ আছিল। ২৩তেতিয়া কোনোবা এজনে
তেওঁক সুধিলে, “প্ৰভু কিমান মানুহে পৰিত্ৰান পাব? মাত্ৰ
কিছুমানুহে নেকি?”
যীচুৱে তেওঁক কলে, ২৪“দুৱাৰখন খুব ঠেক। সেয়েহে
ঠেক দুৱাৰেদি সোমাবলৈ পূৰ্ন চেষ্টা কৰা, কিয়নো মই
তোমালোকক কৈছোঁ ভিতৰত সোমাবলৈ বহুতেই চেষ্টা
কৰিব কিন্তু নোৱাৰিব। ২৫ঘৰৰ গৰাকীয়ে তেওঁৰ ঘৰৰ দুৱাৰ
বন্ধ কৰিলে তোমালোকে যদি বাহিৰত থিয় হৈ, দুৱাৰত
টুকুৰিয়াই থাকি কোৱা, ‘প্ৰভু আমালৈ দুৱাৰ মেলি দিয়ক।’
কিন্তু তেওঁ নেমেলিব তেওঁ তোমালোকক উত্তৰ দিব,
‘মই তোমালোকক নাজানো আৰু তোমালোক কৰ পৰা
আহিছা?’ ২৬তেতিয়া তোমালোকে কবা, ‘আমি আপোনাৰ
লগত ভোজন-পান কৰিলো আপুনি আমাক আমাৰ নগৰত
আৰু আলিবাটত শিক্ষা দিছিল। ২৭কিন্তু তেওঁ তোমালোকক

কব, 'মই নাজানো তোমালোক কৰ পৰা আহিছা? হে
দুস্কৰ্মকাৰী বিলাক মোৰ ওচৰৰ পৰা আতঁৰ হোৱা।'
২৮"ঈশ্বৰৰ ৰাজ্যত তোমালোকে আব্ৰাহাম, ইচাহাক,
যাকোব আৰু সকলো ভাৱবাদী বিলাকক দেখিবা কিন্তু
তোমালোক বাহিৰত পৰি থাকিবা যত ক্ৰন্দন আৰু দাঁত
কৰচনি হব। ২৯আৰু মানুহ বিলাকে পূৱ-পশ্চিম, উত্তৰ-
দক্ষিনৰ পৰা আহি ভোজনৰ আসনত ঠাই গ্ৰহন কৰিব।
৩০মনত ৰাখিবা তাত যিবিলাকে অন্তত আছে তেওঁবিলাক
শীৰ্ষত হব আৰু উচ্চস্থানত থকা বিলাক নিম্ন স্থানত হব।"

## যিৰুচালেমত যীচুৰ মৃত্যু

*(মথি ২৩:৩৭–৩৯)*

৩১সেই সময়ত কেইজনমান ফৰীচীয়ে আহি যীচুক কলে,
"আপুনি ইয়াৰ পৰা আন ঠাইলৈ আঁতৰি যাওক কিয়নো
হেৰোদে আপোনাক বধ কৰিবলৈ বিচাৰিছে।"
৩২তেতিয়া যীচুৱে তেওঁলোকক কলে, "তোমালোক
যোৱা আৰু সেই শিয়ালক[a] কোৱাগৈ, 'মই মানুহৰ পৰা
দুষ্টাত্মাবোৰক উলিয়াই আজিও সুস্থ কৰিম আৰু কাইলৈও
ৰোগী সুস্থ কৰিম। আৰু তৃতীয় দিনা মই মোৰ কাম সম্পূৰ্ণ
কৰিম।' ৩৩তাৰ পিচত মই নিশ্চয় জেৰুচালেমলৈ যাত্ৰা
কৰিম। কিয়নো সকলো ভাৱবাদী জেৰুচালেমতহে মৃত্যু
হোৱাটো উচিত হয়।
৩৪"হে জেৰুচালেম, হে জেৰুচালেম! তুমি তোমাৰ
ভাৱবাদী সকলক বধ কৰিলা। ঈশ্বৰে তোমাৰ ওচৰলৈ
পঠোৱা সকলক শিল দলিয়াই মাৰিলা। কুকুৰাই ডেউকাৰ
তলত যেনেকৈ পোৱালিবোৰক চপাই লয় তেনেকৈ মই
তোমাৰ সন্তানবোৰক কিমান বাৰ একগোট কৰি চপাই
লবলৈ বিচাৰিলো,কিন্তু তুমি সন্মত নহলা। ৩৫চোৱা এতিয়া
ঈশ্বৰে তোমাৰ গৃহ পৰিত্যাগ কৰিব। মই তোমাক কৈছো,
প্ৰভুৰ নামেৰে অহা জন ধন্য বুলি নোকোৱা পৰ্য্যন্ত তুমি
মোক আৰু দেখিবলৈ নাপাবা।[b]

## বিশ্ৰামবাৰে সুস্থ কৰা উচিত নে?

**১৪** ১এবাৰ বিশ্ৰামবাৰৰ দিনা যীচুৱে প্ৰধান ফৰীচীৰ
ঘৰত ভোজন কৰিবলৈ যোৱাৰ সময়ত
মানুহবিলাকে তেওঁলৈ লক্ষ্য কৰি আছিল। ২তেওঁৰ
সন্মূখত এজন হাত-ভৰি ফোলা জলন্ধৰীয়া ৰোগী[c] আছিল।
৩তেতিয়া যীচুৱে যিহুদী বিধান পণ্ডিত আৰু ফৰীচী সকলক
সুধিলে, "বিশ্ৰাম বাৰে কোনোবা ৰোগীক সুস্থ কৰিব কৰাটো
উচিত নে অনুচিত?" ৪কিন্তু তেওঁলোকে মনে মনে থাকিল।
সেয়ে যীচুৱে মানুহজনক সুস্থ কৰি পঠিয়াই দিলে। ৫পাচে
তেওঁ তেওঁলোকক সুধিলে, "যদি তোমালোকৰ কাৰোবাৰ
লৰা বা বলধ থাকে আৰু আনকি বিশ্ৰাম বাৰে যদি নাদত
পৰে, তেন্তে তোমালোকে ততালিকে তোমালোকৰ লৰা
বা বলদ নাদৰ বাহিৰলৈ সেই বিশ্ৰামবাৰেই নুতুলিবানে?"
৬ফৰীচী আৰু বিধান-পণ্ডিত সকলে তেওঁৰ প্ৰশ্নৰ একো
উত্তৰ দিব নোৱাৰিলে।

## নিজকে অপৰিহাৰ্য্য বুলি নেদেখুৱাবা

৭তেতিয়া যীচুৱে নিমন্ত্ৰিত সকলে বহিবলৈ উত্তম ঠাই
বিচৰা দেখা পাই তেওঁলোকককক এটা দৃষ্টান্তৰ কথা কলে,
৮"যেতিয়া কোনোজনে তোমালোকক বিয়াৰ ভোজলৈ
নিমন্ত্ৰণ কৰে, তোমালোকে গৈ উত্তম ঠাইত নবহিবা,
হয়তো তোমাতকৈয়ো মান্যৱন্ত লোকক তেওঁ নিমন্ত্ৰণ
কৰিছে। ৯যদি তুমি উত্তম ঠাইত বহিছা তেন্তে তেওঁলোকে
তোমাৰ ওচৰলৈ আহি কব সেই ঠাই এই মানুহজনক দিয়া,
তেতিয়া তুমি লাজ পাই পিচৰ শেষৰ ঠাইত বহিব লাগিব।
১০"সেয়ে কোনোবাই তোমাক নিমন্ত্ৰণ কৰিলে তুমি গৈ
পিচৰ শেষৰ ঠাইত বহিবা তেতিয়া তোমাক নিমন্ত্ৰণ কৰা
জনে তোমাৰ ওচৰলৈ আহি কব, বন্ধু ওপৰলৈ আহি ভাল
আসনত বহা। তেতিয়া নিমন্ত্ৰিত অতিথিসকলৰ সন্মূখত
সন্মানিত হবা। ১১কাৰণ যি জনে নিজকে ডাঙৰ বুলি ভাৱে
তেওঁক সৰু কৰা হব আৰু যিজনে নিজকে নম্ৰ কৰে তেওঁক
ডাঙৰ কৰা হব।"

## তোমাৰ প্ৰতিদান

১২তেতিয়া যীচুৱে নিমন্ত্ৰিত কৰা ফৰীচীক কলে, "তুমি
যেতিয়া দুপৰীয়াৰ বা ৰাতিৰ ভোজ আয়োজন কৰা তেতিয়া
কেৱল তোমাৰ বন্ধু, ককাই-ভাই,বাই-ভনী, সমন্ধীয় আৰু
ধনী চুবুৰীয়া সকলক নামাতিবা। কাৰণ তেওঁলোকেও
তোমাক নিমন্ত্ৰণ কৰিব আৰু সেই ধৰনেই তোমাৰ প্ৰতিদান
পাবা। ১৩সেই বাবে তোমালোকে যেতিয়া ভোজ পাতা
তেতিয়া দুখীয়া, নিচলা, কোঙা, খোৰা আৰু অন্ধ বিলাকক
নিমন্ত্ৰণ কৰিবা। ১৪তেতিয়া তোমালোকে ঈশ্বৰৰ আৰ্শীবাদ
পাবা কিয়নো তেওঁলোকে তোমালোকক ঘুৰাই নিমন্ত্ৰণ
কৰিব নোৱাৰে। ধাৰ্মিক বিলাকৰ যেতিয়া পুনৰুত্থান হব
তেতিয়া ঈশ্বৰে তোমালোকক ইয়াৰ প্ৰতিদান দিব।"

## মহাভোজলৈ নিমন্ত্ৰনৰ দৃষ্টান্ত

*(মথি ২২:১–১০)*

১৫যীচুৰ লগত ভোজন কৰিবলৈ বহা এজন লোকে এই
কথা শুনি যীচুক কলে, "যি জনে ঈশ্বৰৰ ৰাজ্যত ভোজন
কৰিব তেওঁ ধন্য!"
১৬তেতিয়া যীচুৱে তেওঁক কলে, "এজন ব্যক্তিয়ে এটা
ডাঙৰ ভোজৰ আয়োজন কৰি বহু মানুহক নিমন্ত্ৰণ কৰিলে।
১৭ভোজৰ সময় হোৱাত তেওঁ নিজৰ দাস এজনক পঠিয়াই
নিমন্ত্ৰিত অতিথি সকলক মাতি এই বুলি কোৱালে, 'আহাঁ
এতিয়া আহাৰ যুগুত আছে।' ১৮কিন্তু তেওঁলোক সকলোৱে
ক্ষমা প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। প্ৰথম জনে কলে, 'মই এডৰা

[a] **১৩:৩২ শিয়াল** এইটো হেৰোদক উদ্ধৃত কৰিকৈছে, যেনেকৈ তেওঁ শিয়ালৰ দৰে টেঙৰ আৰু ধূৰ্ত আছিল।
[b] **১৩:৩৫** উদ্ধৃত গীতমালা ১১৮:২৬
[c] **১৪:১ জলন্ধৰীয়া ৰোগ**শৰীৰ ফুলি ফুলি শকতহৈ বাঢ়ি যোৱা ৰোগ।

বাৰীমাটি কিনিলো তাক চাবলৈ যাব লাগে। অনুগ্ৰহ কৰি
মোক ক্ষমা কৰিব।’ ১৯আনজনে কলে, ‘মই এইমাত্ৰ পাঁচ
হাল বলদ কিনিলোঁ মই সিহঁতৰ প্ৰমাণ চাব লাগে, অনুগ্ৰহ
কৰি মোক ক্ষমা কৰিব।’ ২০আৰু তৃতীয় জনে কলে, ‘মই
অলপতে বিয়া কৰাইছোঁ গতিকে যাব নোৱাৰোঁ।’
২১“সেয়ে দাস জনে ঘুৰি আহি কি কি ঘটিলে সকলো
কথা তেওঁৰ প্ৰভুক জনালে, তেতিয়া সেই ঘৰৰ গৰাকীৰ
অত্যন্ত খং উঠিল, তেওঁ দাস জনক কলে, ‘তুমি এতিয়াই
নগৰৰ আলিবাটলৈ আৰু বাটৰ চুকলৈ গৈ দুখীয়া নিচলা,
কণা, কোঙা, খোৰা বিলাকক মাতি ইয়ালৈ লৈ আহাগৈ।’
২২“পাচত সেই দাসে তেওঁক আহি জনালে, ‘মহাশয়
আপোনাৰ আদেশ মতে কাম কৰা হৈছে: তথাপি এতিয়াও
আৰু বহু ঠাই খালি হৈ আছে।’ ২৩সেই গৰাকীজনে দাস
জনক কলে, ‘মোৰ ঘৰ যেন ভৰি পৰে সেয়ে ৰাজ-বাটলৈ
যোৱা আৰু মানুহবোৰক মাতি আহাঁ। ২৪মই নিমন্ত্ৰিত কৰা
বিলাকৰ এজনেও যেন মোৰ ভোজৰ অস্বাদ নাপায়।’”

## অনুগামীৰ সিদ্ধান্ত

*(মথি ১০:৩৭–৩৮)*

২৫যীচুৰ লগত বহুত মানুহ গৈ থাকোতে তেওঁ তেওঁলোকৰ
ফালে চাই কলে, ২৬“কোনোবাই যদি মোৰ পাছত আহিব
বিচাৰে কিন্তু তেওঁ নিজৰ পৰিয়ালক এৰিব নোৱাৰে তেন্তে
মোৰ শিষ্য হব নোৱাৰে। তোমালোকে মোক তোমালোকৰ
পিতৃ-মাতৃ, পত্নী, লৰা-ছোৱালী, ভাই-ভনী আনকি নিজৰ
জীৱনতকৈ মোক অধিক প্ৰেম কৰিব লাগিব। ২৭যি জনে
নিজৰ ক্ৰুচ নিজে বৈ মোৰ পাছত নাহে তেৱোঁ মোৰ শিষ্য
হব নোৱাৰে।
২৮“তোমালোকৰ কোনোৱে যদি এটা ঘৰ সাজিব খোজা
প্ৰথমতে বহি তাৰ কিমান খৰচ পৰিব, বা কাম সমাপ্ত
কৰিবলৈ সাৰ্মথ্য আছেনে নাই এইবোৰৰ সিদ্ধান্ত নলবা
জানো? ২৯কিয়নো তুমি যদি ভেটি স্থাপন কৰাৰ পাছত
ঘৰ সজাৰ কাম শেষ কৰিব নোৱাৰা, চাই থকা মানুহবোৰে
তোমাক হাঁহিব। ৩০আৰু তেওঁলোকে কব, ‘এই মানুহজনে
ঘৰ সাজিবলৈ আৰম্ভ কৰি এতিয়া শেষ কৰিব নোৱাৰা হল।’
৩১“এজন ৰজাই দহ হাজাৰ সেনা লৈ তেওঁৰ বিৰুদ্ধে
বিশ হাজাৰ সেনা লৈ অহা এজন ৰজাৰে সৈতে যুদ্ধ কৰিব
পাৰিবনে নোৱাৰে প্ৰথমতে বহি সেই কথা বিবেচনা কৰিব।
৩২যদি নোৱাৰে তেন্তে সিজন ৰজা দূৰৈত থাকোতেই
কটকী পঠিয়াই সন্ধিৰ নিয়মৰ কথা সুধি পঠিয়াব।
৩৩“সেইদৰে তোমালোকৰ ক্ষেত্ৰতো একেই নিয়ম
খাটিব। তোমালোকে সৰ্বোচ্চ ত্যাগ কৰি মোৰ শিষ্য হোৱা।
তাকে কৰিব নোৱাৰিলে তোমালোকে মোৰ শিষ্য হব
নোৱাৰা।

## তোমাৰ প্ৰভাৱ

*(মথি ৫:১৩; মাৰ্ক ৯:৫০)*

৩৪“লোন উত্তম বস্তু, কিন্তু লোণে যদি তাৰ সোৱাদ
হেৰোৱাই তেন্তে তোমালোকে কেনেকৈ পুনৰাই তাক
লোণীয়া কৰিবা, ৩৫সেইবোৰ ইন্ধন[a] বা সাৰৰ বাবেও
উপযুক্ত নহব সেয়ে মানুহে সেই লোণক পেলাই দিয়ে
“যি বিলাকৰ শুনিবলৈ কাণ আছে তেওঁ শুনক।”

## স্বৰ্গত আনন্দ

*(মথি ১৮:১২–১৪)*

**১৫** ১বহুতো কৰতোলা আৰু পাপী লোকে যীচুৰ
কথা শুনিবলৈ তেওঁৰ ওচৰলৈ আহিছিল।
২তেতিয়া ফৰীচী আৰু বিধান-পণ্ডিত সকলে অভিযোগ
কৰি কলে, “চোৰা এই মানুহজনে[b] পাপীবিলাকক গ্ৰহণ
কৰি তেওঁলোকৰ সৈতে ভোজন পান কৰিছে।”
৩যীচুৱে তেওঁলোকক এই দৃষ্টান্ত দি কলে, ৪“ধৰি লোৱা
তোমালোকৰ কোনো এজনৰ এশটা মেৰ-ছাগ আছিল
তাৰে এটা মেৰ হেৰাই গল, তেতিয়া তেওঁ কি কৰিব?
তেওঁ পথাৰত নিৰানব্বৈটা মেৰ-ছাগবোৰ এৰি থৈ হেৰুৱা
মেৰটোক নোপোৱালৈকে বিচাৰিব। ৫আৰু যেতিয়া তেওঁ
বিচাৰি পাব নথৈ আনন্দিত হব, তেওঁ তাক কান্ধত উঠাই
লৈ আহিব। ৬ঘৰলৈ গৈ তেওঁ নিজৰ বন্ধুবৰ্গ আৰু ওচৰ
চুবুৰীয়াক মাতি কব, মোৰে সৈত্যে আনন্দ কৰা কিয়নো মই
মোৰ হেৰুৱা মেৰ-ছাগটো পালোঁ। এনেদৰেই তোমালোকে
কৰা নহয়নে? ৭মই তোমালোকক কওঁ, সেই একেদৰেই
স্বৰ্গত সেই নিৰানব্বৈ জন ধাৰ্মিক লোকৰ বাবে যিমান
আনন্দ হয় তাতোতকৈ মন পালটন কৰা এজন পাপীৰ অৰ্থে
স্বৰ্গত স্বৰ্গদূত বিলাক অধিক আনন্দিত হব।
৮“ধৰি লোৱা এগৰাকী তিৰোতাৰ দহটা ৰূপৰ মুদ্ৰা
আছিল। তাৰে এটা হেৰাল। তেতিয়া তাই কি কৰিব?
তাই চাকি জ্বলাই ঘৰ সাৰিব আৰু তাক নোপোৱালৈকে
সাৱধানেৰে বিচাৰিব। ৯যেতিয়া তাই সেইটো বিচাৰি পাব
তেতিয়া তাই বান্ধৱী আৰু ওচৰ চুবুৰীয়াক একেলগে মাতি
গোটাই কব মোৰে সৈত্যে আনন্দ কৰা কিয়নো মোৰ
হেৰুৱা মুদ্ৰাটো বিচাৰি পালো, আহাঁ আমি একেলগে আনন্দ
কৰোঁইক। তাই তেনেকৈ কৰিব নহয়নে? ১০এই দৰেই মই
তোমালোকক কৈছোঁ এজন মন পালটন কৰা পাপী লোকৰ
বাবে ঈশ্বৰৰ স্বৰ্গদূত বিলাকেও আনন্দ কৰে।”

## দুজন পুত্ৰৰ কাহিনী

১১যীচুৱে পুনৰ কলে, “এজন ব্যক্তিৰ দুজন পুত্ৰ আছিল
১২সৰুজন পুতেকে বাপেকক কলে, ‘দেউতা আপোনাৰ
সম্পতিৰ পৰা মোৰ ভাগৰ অংশ মোক পৰা দিয়ক।’
তেতিয়া তেওঁ দুজন পুতেকৰ মাজত নিজৰ সম্পতি ভাগ
কৰি দিলে।

[a] **১৪:৩৫ ইন্ধন** মাটিৰ বাবে বা সাৰৰ উপযোগী নহয়, লোণ সাৰ হিচাবে ব্যৱহাৰ কৰা হৈছিল অথৱা সাৰৰ সৈত্যে মিহলাই ইন্ধনৰ কাৰনে ব্যৱহাৰ কৰা হৈছিল।

[b] **১৫:২ এই মানুহজনে**যীচুক বুজোৱা হৈছে। তেওঁৰ শত্ৰুবিলাক তেওঁৰ নাম লবলৈ বিচৰা নাছিল।

১৩“অলপ দিনৰ পাছত সৰুজন পুতেকে তেওঁৰ নিজৰ অংশৰ সম্পতি বেছি দূৰ দেশলৈ যাত্ৰা কৰিলে আৰু লম্পট আচৰণেৰে জীৱন নিৰ্বাহ কৰি সকলো ধন অপব্যয় কৰিলে। ১৪সকলো ধন অপব্যয় কৰাৰ পাছত, সেই দেশখনত ভীষন আকাল হল, আৰু আহাৰৰ বাবেও আনকি তেওঁৰ হাতত পইচা নোহোৱা হল। ১৫গতিকে তেওঁ সেই দেশৰ এজন মানুহৰ ঘৰত কাম বিচৰাত মানুহজনে তেওঁক পামত গাহৰি চৰাবলৈ পঠিয়াই দিলে। ১৬তেওঁ খুব ভোকত আছিল। কিন্তু গাহৰিয়ে খোৱা বস্তুবোৰক খাব বিচৰা স্বতেও তেওঁক কোনেও একোকে খাবলৈ নিদিলে।

১৭“অৱশেষত তেওঁ নিজে কৰা মূৰ্খতাৰ চেতনা পাই নিজৰ মনতে কলে, ‘মোৰ পিতৃৰ চাকৰ বিলাকেও প্ৰয়োজনতকৈ অধিক আহাৰ পাইছে কিন্তু মই ইয়াত একোও খাবলৈ নাপায় মৰিব লৈছোঁ। ১৮মই ইয়াৰ পৰা পিতৃৰ ওচৰলৈ যাম, আৰু তেওঁক কমগৈ দেউতা ঈশ্বৰৰ অহিতে পাপ কৰিলো ১৯মই আপোনাৰ পুত্ৰ বুলি কোৱাৰো যোগ্য নহওঁ, কিন্তু মোক আপোনাৰ এজন চাকৰৰ দৰে ৰাখক।’ ২০সেয়ে তেওঁ তাৰ পৰা দেউতাকৰ ওচৰলৈ যাত্ৰা কৰিলে।

### সৰু পুত্ৰৰ আগমন

“কিন্তু তেওঁ দূৰৈত থাকোতেই তেওঁৰ দেউতাকে দেখা পাই তেওঁৰ প্ৰতি মৰম উপজিলত তেওঁ দৌৰি গৈ পুতেকক সাৱটি চুমা খালে। ২১পুতেকে বাপেকক কলে, ‘দেউতা মই আপোনাৰ দৃষ্টিত স্বৰ্গৰ অহিতে পাপ কৰিছোঁ, মই এতিয়া আৰু আপোনাৰ পুত্ৰ বুলি কোৱাৰ যোগ্য নহওঁ।’

২২“কিন্তু দেউতাকে তেওঁৰ দাস বিলাকক কলে, ‘অতি শীঘ্ৰেই আটাইতকৈ উত্তম বস্ত্ৰ আনি ইয়াক পিন্ধোৱা ইয়াৰ হাতত আঙটি আৰু ভৰিত আটাইতকৈ ভাল জোতা পিন্ধোৱা ২৩শকত দামুৰি পোৱালিটো আনি মাৰা আৰু আমি ভোজন কৰি আনন্দ কৰোঁইক। ২৪কিয়নো মোৰ পুত্ৰ মৃত হৈও জীলে, তেওঁ হেৰাইছিল কিন্তু এতিয়া পোৱা গ’ল, সেয়ে তেওঁলোকে আনন্দ কৰিবলৈ ললে।

### বৰপুত্ৰৰ অভিযোগ

২৫“সেই সময়ত ডাঙৰজন পুত্ৰ পথাৰত আছিল, যেতিয়া তেওঁ আহি ঘৰৰ ওচৰ পালে তেওঁ গান-বাজনা আৰু নাচোনৰ শব্দ শুনিবলৈ পালে। ২৬তেতিয়া তেওঁ দাসসকলৰ এজনক মাতি সুধিলে, ‘এইবোৰ কি হৈছে?’ ২৭দাসজনে তেওঁক কলে, ‘আপোনাৰ ভায়েৰা ঘূৰি আহিলে, আৰু আপোনাৰ দেউতাৰাই তেওঁক সুস্থ শৰীৰে পোৱাৰ বাবে শকত দামুৰি পোৱালিটো আহাৰৰ কাৰনে ৰান্ধিলে।’

২৮“সেয়ে ডাঙৰজন পুত্ৰই খংত ভিতৰলৈ যাবৰ বাবে অমান্তি হ’ল, তেতিয়া দেউতাকে বাহিৰলৈ আহি তেওঁক বুজালে। ২৯কিন্তু তেওঁ দেউতাকক উত্তৰ দিলে, ‘চাওঁক মই ইমান বছৰ ধৰি এজন দাসৰ নিচিনাকে আপোনাৰ সেৱা শুশ্ৰূষা কৰি আছো, মই কেতিয়াও আপোনাৰ অবাধ্য হোৱা নাই, কিন্তু মোক আপুনি কি দিছে? আনকি মোৰ বন্ধু বৰ্গৰ সৈতে আনন্দ কৰিবলৈ এটি সৰু ছাগলী পোৱালীও দিয়া নাই। ৩০কিন্তু আপোনাৰ পুত্ৰই বেশ্যাৰ লগত আপোনাৰ সকলো সম্পতি অপব্যয় কৰিলে তাৰ কাৰণে আপুনি উত্তম দামুৰি পোৱালিটো মাৰি আহাৰ বাবে ৰান্ধিলে।’

৩১“দেউতাকে তেওঁক কলে, ‘হে মোৰ বোপা, তুমি সদায় মোৰ লগত আছা, মোৰ যিবোৰ আছে সেই সকলো তোমাৰেই ৩২কিন্তু তোমাৰ ভায়েৰা মৃত হৈছিল কিন্তু আকৌ জীলে, হেৰাই গৈছিল কিন্তু এতিয়া পোৱা গ’ল, সেই কাৰণেই আমি আজি আনন্দ কৰাটো উচিত।’”

### প্ৰকৃত ধন-সম্পত্তি

১৬ ১যীচুৱে তেওঁৰ শিষ্য সকলক কলে, “এজন ধনী মানুহ আছিল। মানুহজনৰ এজন ঘৰগিৰি আছিল। যি জনে তেওঁৰ সকলো সম্পত্তি চোৱা চিতা কৰিছিল। কিন্তু কিছুমান মানুহে আহি ধনী মানুহজনক ক’লে যে আপোনাৰ দাস জনে আপোনাৰ ধনৰ অপব্যয় কৰি আছে। ২সেয়ে মানুহজনে তেওঁক মাতি কলে, ‘মই শুনিবলৈ পাইছো তুমি মোৰ প্ৰতি বিশ্বাসী নহয়, মোৰ সম্পতিৰ হিচাপ নিকাচ মোক দিয়া। তোমাৰ কামৰ পৰা তোমাক মই বৰ্খাস্ত কৰিম।’

৩“তেতিয়া ঘৰগিৰি জনে নিজৰ মনতে ভাৱিলে, ‘মোৰ মালিকে মোক ঘৰগিৰিৰ বাবৰ পৰা বৰ্খাস্থ কৰিবলৈ ওলাইছে। এতিয়া মই কি কৰিম? পথাৰত মাটি খান্দিবলৈয়ো মোৰ গাত বল নাই ভিক্ষা বিচাৰিবলৈয়ো মোৰ লাজ লাগে। ৪মোৰ চাকৰি গলে, মানুহবিলাকে যাতে মোক আদৰ কৰি গ্ৰহণ কৰে, সেই হেতুকে মই কি কৰিব লাগিব বুজি পালো।’

৫“সেয়ে তেওঁ মালিক জনৰ প্ৰত্যেক জন ধৰুৱাক মাতিলে, তেওঁ প্ৰথমজনক সুধিলে, ‘মোৰ মালিকক তুমি কিমান দিবলগীয়া আছে?’ ৬তেওঁ কলে, ‘এশ পিপা[a] জলফাইৰ তেল।’ ঘৰগিৰি জনে কলে, ‘তোমাৰ এই হিচাপৰ খতখন লৈ বহি বেগাই এশ পিপাৰ ঠাইত পঞ্চাচ লিখা আৰু তোমাৰ হিচাপৰ আধা কৰা।’

৭“আকৌ দ্বিতীয় জনক সুধিলে, ‘তোমাৰ কিমান দিবলগীয়া আছে?’ তেওঁ কলে, ‘এশটা ডাঙৰ বস্তা ঘেহুঁ।’ ঘৰগিৰিয়ে তেওঁক কলে, ‘এইয়া তোমাৰ খতখন লোৱা আৰু এশ বস্তাৰ ঠাইত আশীটা ডাঙৰ বস্তা[b] বুলি লিখা।’

৮“পাছত সেই অবিশ্বাসী ঘৰগিৰি জনৰ চতুৰালীৰ বাবে তেওঁৰ মালিকে তেওঁক শলাগিলে। আত্মিক ব্যক্তিতকৈ সাংসাৰিক ব্যক্তি ব্যৱসাযৰ ক্ষেত্ৰত অধিক টেঙৰ হয়।

৯“মই তোমালোকক কওঁ, বন্ধু বনাবৰ বাবে তোমাৰ সম্পতিৰ যি আছে সকলো ব্যৱহাৰ কৰা, কিন্তু মই তোমালোকক কওঁ তোমালোকৰ যি আছে তাক ঈশ্বৰে

[a] **১৬:৬ এশ পিপা** ১০০ জাৰ উৎপাদিত হোৱা ক্ষেত্ৰৰ পথাৰ বৰ বৃহৎ সৰু সৰু ৩ টা ক্ষেত্ৰহে ইমান এবছৰত উৎপাদন কৰিব পাৰে।
[b] **১৬:৭ ডাঙৰ বস্তা**গ্ৰীক কৰনোচ ইব্ৰী কৰ প্ৰায় ২২০ লিটাৰ।

সৈতে বন্ধু স্হাপনৰ কাৰনে ব্যৱহাৰ কৰা তেতিয়া তেওঁ
তোমাক অনন্তকলীয়া ঘৰত আমন্ত্রন কৰিব।। ১০যিজন
অলপ বিষয়ত বিশ্বাসী তেওঁ অধিক বিষয়তো বিশ্বাসী যি জন
অলপ বিষয়ত অবিশ্বাসী তেওঁ অধিক বিষয়তো অবিশ্বাসী।
১১সেয়ে জাগতিক সম্পতিৰ ব্যৱহাৰৰ ক্ষেত্রত যদি বিশ্বাসী
নোহোৱা তেন্তে কোনে তোমালোকক প্রকৃত সম্পত্তিৰ[a]
ক্ষেত্রত বিশ্বাস কৰিব? ১২আৰু যিটো অন্যৰ সেইটোত
যদি বিশ্বাসী নোহোৱা তেন্তে যিটো তোমালোকৰ নিজৰ
হবলগীয়া প্রকৃত সম্পত্তি তাক কোনে তোমালোকৰ হাতত
দিব?

১৩"কোনো এজন দাসে একে সময়তে দুগৰাকী গৰাকীত
খাটিব নোৱাৰে; কিয়নো তেওঁ এজনক ভাল পাব আৰু
আনজনক ঘৃণা কৰিব নাইবা এজনৰ প্রতি বিশ্বাসী হব আৰু
আনজনৰ প্রতি অবিশ্বাসী হব। সেয়ে তোমালোকেও ঈশ্বৰ
আৰু ধন দুয়োটাতে একেলগে খাটিব নোৱাৰা।"

### ঈশ্বৰৰ বিধি সলনি কৰা নহয়

*(Mt. ১১:১২–১৩)*

১৪যীচুৱে কোৱা এই কথাবোৰ শুনি ফৰীচী সকলে উপলুঙা
কৰি হাঁহিব ধৰিলে, কিয়নো তেওঁলোক ধনী আৰু লুভীয়া
আছিল। ১৫যীচুৱে তেওঁলোকক কলে, "তোমালোকে
নিজক মানুহৰ আগত ধাৰ্মিক দেখুৱাব পাৰা কিন্তু ঈশ্বৰে
তোমালোকৰ হূদয়ৰ কথা জানে। মানুহৰ দৃষ্টিত যিটো
মূল্যৱান ঈশ্বৰৰ দৃষ্টিত তাৰ একো মূল্য নাই।

১৬"যোহন বপ্তাইজক অহাৰ আগতে মানুহবিলাকৰ বাবে
মোচিৰ বিধান আৰু ভাৱবাদী সকলৰ বাক্যই প্রমূখ্য আছিল।
যোহন বাপ্তাইজক অহাৰ সময়ৰ পৰা ঈশ্বৰৰ ৰাজ্যৰ বিষয়ে
শুভৰাৰ্তা প্রচাৰ কৰা হৈছে। আৰু প্রত্যেকজনকেই
ৰাজ্যত[b] প্রৱেশ কৰিবলৈ আহ্বান কৰা হল। ১৭কিন্তু ইয়াৰ
অৰ্থ এইটো নহয় যে মোচিৰ বিধানত লিখা এটা ক্ষুদ্র
অংশৰো পৰিবৰ্তন হ'ব। যদি আকাশ আৰু পৃথিৱীও লুপ্ত
হৈ যায় তথাপিও এইবোৰৰ পৰিবৰ্তন নহব।

### বিবাহ বিচ্ছেদ আৰু পুৰ্নবিবাহ

১৮উদ্যাহৰন স্বৰূপে "যিজনে নিজৰ ভাৰ্য্যাক ত্যাগ কৰি
আন এজনীক বিয়া কৰায় তেওঁ ব্যাভিচাৰ কৰে। আৰু
যি জনে ত্যাগ কৰা তিৰোতা গৰাকীক বিয়া কৰায় তেৰো
ব্যাভিচাৰ কৰে।"

### ধনী মানুহ আৰু লাজাৰ

১৯যীচুৱে কলে, "এজন ধনী মানুহ আছিল, তেওঁ অতি
মূল্যৱান কাপোৰ পিন্ধিছিল। প্রতিদিনেই তেওঁ বিলাসীতাৰে
জীৱন নিৰ্বাহ কৰিছিল। ২০সেই তাতেই লাজাৰ নামৰ এজন
দুখীয়া ব্যক্তি আছিল। লাজাৰৰ গাত ঘাঁৰে পৰিপূৰ্ণ আছিল
আৰু তেওঁ প্রায়ে ধনী ব্যক্তি জনৰ দুৱাৰ মুখলৈ আহিছিল।
২১লাজাৰে ধনী মানুহজনৰ খোৱা মেজৰ পৰা তলত পৰি
যোৱা আহাৰেৰে জীৱন কটাইছিল। কেতিয়াবা আনকি
তেওঁৰ ঘাঁ বোৰ কুকুৰবোৰেও চেলেকিছিল।

২২"কালক্রমে এদিনাখন এই দুখীয়া মানুহজন লাজাৰ
মৰিল, স্বৰ্গদুত বিলাকে তেওঁক তুলি লৈ বিশেষ অতিথিৰূপে
ভোজত আব্রাহামৰ কাষত বহুৱালে। পাছত ধনী মানুহজনো
মৰিল আৰু কবৰ দিয়া হল। ২৩তেওঁক মৃত্যুৰ ঠাইলে[c]
পঠিওৱা হল আৰু তেওঁক অন্ততঃ কষ্টদায়ক শাস্তি দিয়া
হৈ আছিল। তেওঁ ওপৰলৈ চাওঁতে লাজাৰক দূৰৈৰ পৰা
আব্রাহামৰ কাষত ভোজত দেখিলে। ২৪তেওঁ চিঞঁৰি কলে,
'হে পিতৃ আব্রাহাম! মোক দয়া কৰক, লাজাৰে যেন তেওঁৰ
আঙুলি পানীত জুবুৰিযাই আনি, মোৰ জিভাখন অলপ চেচা
কৰি দিয়ে সেয়ে তেওঁক মোৰ ওচৰলৈ পঠিয়াই দিয়ক,
কিয়নো মই এই অগ্নিকুণ্ডত বহুত যাতনা পাইছোঁ।'

২৫"কিন্তু আব্রাহামে কলে, 'মোৰ বোপা! মনত পেলোৱা,
তুমি জীয়াই থকা সময়ত সকলো উত্তম বস্তু তোমাক দিয়া
হৈছিল। কিন্তু লাজাৰে সকলো প্রকাৰৰ সমস্যাৰ সন্মূখীন
হৈ কষ্ট পাইছিল আৰু এতিয়া লাজাৰে ইয়াত সুখভোগ
কৰিছে আৰু তুমি কষ্ট ভোগ কৰি আছা। ২৬আনহাতে
তোমাৰ আৰু আমাৰ মাজত এক বিৰাট শূন্য ঠাই আছে।
কোনেও ইয়াৰ পৰা তালৈ যাব নোৱাৰে আৰু তাৰ পৰা
ইয়ালৈ আহিব নোৱাৰে।'

২৭"ধনী মানুহজনে কলে, 'তেন্তে হে পিতৃ আব্রাহাম মই
আপোনাক মিনতি কৰিছোঁ অনুগ্রহ কৰি লাজাৰক পৃথিবীত
থকা মোৰ পিতৃৰ ঘৰলৈ পঠিয়াই দিয়ক ২৮কিয়নো মোৰ
পাঁচজন ভাই সকল আছে তেওঁলোকে যেন এই কষ্টদায়ক
শাস্তিৰ ঠাইলৈ নাহে সেয়ে লাজাৰে গৈ তেওঁলোকক সৰ্তক
কৰি থৈ আহক।'

২৯"কিন্তু আব্রাহামে কলে, 'তেওঁলোকৰ লগত মোচিৰ
বিধান আৰু ভাৱবাদী সকলে লিখা শাস্ত্রসমূহ আছে সেইবোৰৰ
পৰাই তেওঁলোকক শুনিবলৈ আৰু শিকিবলৈ দিয়ক।'

৩০"ধনী মানুহ জনে কলে, 'নহয় পিতৃ আব্রাহাম! কিন্তু
যদি মৃত বিলাকৰ মাজৰ পৰা কোনোবাই তেওঁলোকৰ
ওচৰলৈ যায় তেতিয়া তেওঁলোকে জীৱন পৰিবৰ্তন কৰিব।'

৩১"কিন্তু আব্রাহামে কলে, 'তোমাৰ ভাই সকলে যদি
মোচি আৰু ভাৱবাদীয়ে লিখা কথাবোৰ পালন নকৰে
তেনেহলে মৃত বিলাকৰ মাজৰ পৰা কোনোবাই গলেও
তেওঁলোকে নুশুনিব।'"

### পাপ আৰু ক্ষমা

*(মথি–১৮:৬–৭, ২১–২২; মাৰ্ক–৯:৪২)*

**১৭** ১যীচুৱে তেওঁৰ শিষ্যসকলক কলে, "যি কৰ্মৰ
দ্বাৰা আন মানুহে যেন পাপত পতিত হয়, এনে
কৰ্ম কিছুলোকে সংঘটিত কৰে। এনে ঘটা তোমালোকে

[a] **১৬:১১ প্রকৃত সম্পত্তি** আন সম্ভাবিত অনুবাদ সত্য।
[b] **১৬:১৬ প্রত্যেকজনকেই ৰাজ্যত** বা সোনকালেই লোকবিলাকে ঈশ্বৰৰ ৰাজ্যত প্রৱেশ কৰি আছে।
[c] **১৬:২৩ মৃত্যুৰ ঠাই** আক্ষৰিকভাবে 'নৰক।'

বন্ধ কৰিব নোৱাৰা। কিন্তু যিজনে আনক এনে পাপ
কাম কৰিবলৈ বাধ্য কৰায় তেওঁ সন্তাপৰ পাত্র! ২তেওঁৰ
ডিঙিত জাঁত আৰি সমুদ্রত পেলাই দিয়াই তেওঁৰ বাবে
ভাল। কিয়নো তেতিয়া তেওঁ মোৰ কোনো এজন নম্র
শিষ্য[a] সকলৰ দ্বাৰা পাপ কৰ্ম কৰোৱাব নোৱাৰিব। ৩সেয়ে
তোমালোক সাৱধান হবা!

"ঈশ্বৰৰ পৰিয়ালৰ তোমাৰ ভায়েৰা বা ভনীয়ে যদি কিবা
ভূল কৰে তেওঁক বা তাইক সতৰ্ক কৰিবা; আৰু সেই
ব্যক্তিয়ে যদি মন দুখিত হৈ ভুলৰ ক্ষমা বিচাৰে তেন্তে সেই
ব্যক্তিক ক্ষমা কৰিবা। ৪সেই ব্যক্তি যদি তোমাৰ অহিতে
দিনটোত সাত বাৰলৈকে ভূল কৰে কিন্তু তেওঁ বা তাই
কৰা ভূলৰ বাবে দুখিত হৈ ক্ষমা বিচাৰে তেন্তে তুমি সেই
ব্যক্তিক ক্ষমা কৰা উচিত।"

## কিমান গভীৰ বিশ্বাস?

৫পাঁচনি সকলে যীচুক কলে, "আমাৰ বিশ্বাস বঢ়াই দিয়ক।"
৬প্ৰভুৱে কলে, "তোমালোকৰ বিশ্বাস যদি এটা সৰিয়হ
গুটিৰ সমানো ডাঙৰ হয় তেন্তে এই নুনি গছজোপাক যদি
কোৱা ইয়াৰ পৰা উভাল খাই সাগৰত পৰি তাতে নিজকে
ৰোৱা গৈ! তেতিয়া গছজোপাই তোমালোকৰ আজ্ঞা
মানিব।

## উত্তম দাসৰ কৰ্তব্য

৭"ধৰিলোৱা তোমালোকৰ কোনো এজনৰ এজন দাসে
পথাৰত হাল বাবলৈ বা মেৰ-ছাগ চৰাবলৈ গৈছে। যেতিয়া
তেওঁ কামৰ পৰা ঘূৰি আহিব, তুমি তেওঁক ভিতৰলৈ আহাঁ
আৰু খোৱা বুলি কবানে? ৮নিশ্চয় নকবা! তুমি তোমাৰ
দাসক কবা, মোৰ বাবে খোৱা যুগুত কৰা। আৰু মোৰ খোৱা
শেষ নোহোৱালৈকে মোক আলৈপৈচান ধৰা যেতিয়া মোৰ
খোৱা শেষ হ'ব তেতিয়া তুমি খাবা। ৯সেই দাসজনক তেওঁ
কৰা কৰ্মৰ বিনিময়ত তেওঁৰ গৰাকীয়ে বিশেষভাৱে ধন্যবাদ
দিবনে? তেওঁ মাত্র তেওঁৰ গৰাকীয়ে কোৱা কৰ্ম্মহে কৰিলে।
১০তোমালোকৰো একেদৰেই আশা মনোবৃত্তি হোৱা
উচিত। তোমালোকক যিবোৰ কৰ্ম্ম কৰিবলৈ দিয়া হৈছে
সেইবোৰ যেতিয়া কৰি শেষ কৰিবা তেতিয়া এইদৰে কবা
আমি অনুপযুক্ত দাস আমি কৃতজ্ঞতাৰ যোগ্য নহয়, আমি
আমাৰ কৰিবলগীয়া কৰ্তব্যহে কৰিলোঁ।"

## যীচুৱে এজন কুষ্ঠ ৰোগীক সুস্থ কৰা যি জন শত্ৰু আছিল

১১যীচুৱে জেৰুচালেমলৈ গৈ থাকোতে গালীল আৰু
চমৰিয়াৰ সীমাৰ মাজেৰে যাব লগীয়া হৈছিল। ১২এবাৰ
তেওঁ এখন সৰু নগৰত সোমালে আৰু দহ জন কুষ্ঠৰোগী
মানুহক লগ পালে, তেওঁলোক যীচুৰ ওচৰলৈ নাহি দূৰৈত
থিয় হল কিয়নো তেওঁলোক কুষ্ঠ ৰোগত আক্ৰান্ত হৈ
আছিল ১৩কিন্তু সেই মানুহবিলাকে চিঞঁৰি চিঞঁৰি কলে,
"যীচু মহাশয় আমাক দয়া কৰক!"
১৪যীচুৱে তেওঁলোকলৈ চাই কলে, "যোৱা আৰু
পুৰোহিতৰ আগত নিজকে দেখুওৱা।"[b]
যেতিয়া সেই দহ জন লোক পুৰোহিতৰ ওচৰলৈ গৈ
আছিল তেওঁলোক সুস্থ হৈছিল। ১৫তেওঁলোকৰ মাজৰ
এজনে নিজকে সুস্থ হোৱা দেখি যীচুৰ ওচৰলৈ ঘূৰি আহিল
আৰু বৰ মাতেৰে ঈশ্বৰৰ স্তুতি কৰিলে। ১৬আৰু যীচুৰ চৰণত
মূৰ দোৱাই তেওঁক ধন্যবাদ দিলে (তেওঁ চমৰীয়া আছিল)
১৭যীচুৱে কলে, "দহ জনক সুস্থ কৰা হল, তেন্তে আন ন
জন কত? ১৮এই মানুহজন আমাৰ মানুহ নোহোৱা স্বত্তেও
তেওঁ সুস্থ হৈ ঘূৰি আহি ঈশ্বৰক স্তুতি কৰিলে?" ১৯তেতিয়া
যীচুৱে মানুহজনক কলে, "উঠা তোমাৰ বিশ্বাসেই তোমাক
সুস্থ কৰিলে।"

## ঈশ্বৰৰ ৰাজ্যৰ আগমন

*(মথি ২৪:২৩–২৮, ৩৭–৪১)*

২০এবাৰ কিছুমান ফৰীচীয়ে যীচুক সুধিলে, "ঈশ্বৰৰ ৰাজ্য
কেতিয়া আহিব?"
যীচুৱে উত্তৰ দিলে, "ঈশ্বৰৰ ৰাজ্য আহি আছে, কিন্তু
সেয়া তোমালোকে ভবাৰ দৰে নহয় যাক তোমালোকে
দেখা পাবা। ২১মানুহে ঈশ্বৰৰ ৰাজ্য ইয়াত বা তাত আছে
বুলি কব নোৱাৰে! ঈশ্বৰৰ ৰাজ্য তোমালোকৰ ভিতৰতে
আছে।"

২২তেতিয়া যীচুৱে তেওঁৰ শিষ্যসকলক কলে, "এনে
এটা সময় আহিব, তোমালোকে মানৱ পুত্ৰৰ পুনৰ আগমনৰ
সময়ত[c] চাবলৈ ইচ্ছা কৰিবা, কিন্তু তোমালোকে চাবলৈ
নাপাবা। ২৩মানুহ বিলাকে তোমালোকক কব, চোৱা তেওঁ
সৌ তাত আছে বা চোৱা ইয়াত আছে, তোমালোকে যত
থাকা তাৰ পৰা ওলাই বিচাৰি নাযাবা।" যেতিয়া যীচু পুনৰ
আহিব ২৪"যেতিয়া মানৱপুত্র পুনৰ আহিব, তোমালোকে
জানিবা কিয়নো সেই দিনা আকাশত ইমূৰৰ পৰা সিমূৰলৈ
বিজুলীৰ নিচিনা পোহৰ চমকিত হব। ২৫কিন্তু প্ৰথমতে
মানৱপুত্ৰই বহুত দুঃখ-কষ্ট ভোগ কৰিব। আৰু এই কালৰ
মানুহে তেওঁক গ্ৰহণ কৰিবলৈ অগ্ৰাহ্য কৰিব।
২৬"নোহৰ সময়ত যেনেকৈ হৈছিল, মানৱপুত্ৰৰ পুনৰ
আগমনতো একেদৰেই হব। ২৭নোহে জাহাজত সোমোৱাৰ
পাচত জলপ্লাৱনে আহি তেওঁলোকক নষ্ট নকৰালৈকে
তেওঁলোকে ভোজন পান কৰিছিল, বিয়াও কৰাইছিল।
২৮"লোটৰ সময়তযেতিয়া ঈশ্বৰে চদোম ধংস কৰিছিল
সেইদৰেই মানৱপুত্ৰৰ আগমনতো হব। মানুহবিলাকে,
ভোজন পান কৰিছিল, বেচা-কিনা কৰিছিল, খেতি-বাতি
আৰু নিজৰ বাবে ঘৰো সাজিছিল। ২৯লোট চদোম নগৰৰ

[a] **১৭:২ নম্র শিষ্য** আক্ষৰিকভাবে মৰুবিলাক মাজৰে।

[b] **১৭:১৪ পুৰোহিতক …দেখুওৱা** মোচিৰ বিধান মতে কোনো ব্যক্তিৰ কুষ্ঠৰোগ সুস্থ হলে পুৰোহিতহে সিদ্ধান্ত ঘোষনা কৰে।

[c] **১৭:২২ মানৱপুত্ৰৰ পুনৰ আগমনৰ সময়**আক্ষৰিকভাবে মানৱপুত্ৰৰ দিনবিলাকৰ এটা।

পৰা বাহিৰ ওলাই গুচি যোৱাৰ পাচতো তেওঁলোকে
সেইদৰে কৰি আছিল তেতিয়া আকাশৰ পৰা জুই আৰু
গন্ধক বৰষি সকলোকে ধংস কৰিলে। ৩০মানৱপুত্ৰৰ[a] পুনৰ
আগমনতো ঠিক একেদৰেই ঘটিব।
৩১“সেই দিনা খন ঘৰৰ ছালৰ ওপৰত থকা জন তেওঁৰ
কিবা বস্তু নিবলৈ ঘৰৰ তললৈ নামি নাযাওঁক। পথাৰত কাম
কৰি থকা জনে ঘৰলৈ উভতি নাযাওঁক। ৩২লোটৰ ভাৰ্য্যাৰ
কি হৈছিল মনত পেলোৱা।
৩৩“কোনোবাই যদি নিজৰ প্ৰাণ ৰক্ষা কৰিব খোজে তেওঁ
তাক হেৰুৱাব; কিন্তু যি কোনোৱে নিজৰ প্ৰাণ দিয়ে তেওঁ
তাক ৰক্ষা কৰিব। ৩৪সেই ৰাতি দুজন মানুহ একেটা কোঠাত
শুই থাকোঁতে এজনক লৈ যোৱা হব আৰু আনজনক কোনো
ব্যাঘাত নিদিয়াকৈ এৰি দিয়া হব। ৩৫দুগৰাকী তিৰোতাই
জাঁতত শস্য ডলি থাকোঁতে এগৰাকীক লৈ যোৱা হব আৰু
আন গৰাকীক কোনো ব্যাঘাত নিদিয়াকৈ এৰি দিয়া হব।”
৩৬–৩৭শিষ্যসকলে যীচুক সুধিলে, “প্ৰভু এইটো কত
ঘটিব?” নতুবা সঠিককৈ আৰু ততালিকে আহিব।
যীচুৱে উত্তৰ দিলে, “মৰা শ বিচৰাৰ দৰে, শগুন য'ত
গোট খাব[b] তাতেই তোমালোকে মৰা শ বিচাৰি পাবা।”

### ঈশ্বৰে নিজৰ ভক্তসকলৰ প্ৰাৰ্থনা নিশ্চয় শুনিব

**১৮** ১তেতিয়া যীচুৱে তেওঁৰ শিষ্যসকলে যাতে
নিৰুৎসাহী নহৈ অবিৰাম ভাৱে প্ৰাৰ্থনা কৰি যায়
তাৰ বাবে এটি দৃষ্টান্ত দাঙি ধৰিলে, ২তেওঁ কলে, “এখন
নগৰত এজন বিচাৰপতি আছিল, তেওঁ ঈশ্বৰকো ভয় কৰা
নাছিল আৰু কোনো মানুহলৈও ভয় নকৰিছিল। ৩সেই খন
নগৰতে এগৰাকী বিধৱাও আছিল, তেওঁৰ ওচৰলৈ সদায়
আহি অনুৰুধ কৰিছিল, 'মোৰ প্ৰতি কৰা অন্যায়ৰ বিৰুদ্ধে
মোক উদ্ধাৰ কৰক।' ৪কিন্তু বিচাৰকৰ্তা জনে বহুদিনলৈকে
একো কৰিব বিচৰা নাছিল। অৱশেষত তেওঁ নিজৰ মনত
ভাৱিলে, 'মই ঈশ্বৰকো ভয় নকৰো আৰু মানুহকো ৫কিন্তু
এই বিধৱা গৰাকীয়ে মোক আমনি কৰি থকা হেতুকে
মই তাইক উদ্ধাৰ কৰিম নহলে তাই কিজানি শেষত
সমজুৱাভাবে মোক আক্ৰমন কৰিব পাৰে।'”
৬প্ৰভুৱে কলে, “শুনা সেই দুষ্ট বিচাৰপতিয়ে যি কলে তাৰ
এটা অৰ্থ আছে, ৭সেয়ে দিনে ৰাতিয়ে ঈশ্বৰক বিচাৰৰ বাবে
কাকূতি কৰা তেওঁৰ মনোনীত লোকৰ মঙ্গলৰ অৰ্থে তেওঁ
একো নকৰিবনে? ৮মই তোমালোকক কৈছোঁ তেওঁ অতি
শীঘ্ৰেই মানুহৰ ন্যায় বিচাৰ কৰিব। কিন্তু যেতিয়া মানৱ পুত্ৰ
পৃথিৱীলৈ আহিব তেতিয়া তেওঁক বিশ্বাস কৰা লোক পাবনে?”

### ঈশ্বৰৰ দৃষ্টিত গ্ৰহনীয় হোৱা

৯কিছুলোকে তেওঁলোকলৈ ঈশ্বৰৰ পূৰ্ণ সম্মতি পোৱা
বুলি ভাবে আনক হেয়জ্ঞান কৰিছিল, তেওঁলোকক শিক্ষা
দিবলৈ যীচুৱে দৃষ্টান্তৰে কলে, ১০“মন্দিৰত দুজন মানুহে
প্ৰাৰ্থনা কৰিবলৈ গল, তেওঁলোকৰ এজন ফৰীচী আৰু
আনজন কৰতোলা লোক আছিল। ১১ফৰীচী জনে অকলে
থিয় হৈ এইদৰে প্ৰাৰ্থনা কৰিলে, 'হে পিতৃ মই তোমাক
ধন্যবাদ দিছোঁ কিয়নো মই আন লোকৰ দৰে ডকাইত,
অপহৰণকাৰী, ব্যাভিচাৰী নহয় আৰু এই কৰতোলাৰ
নিচিনাও নহয়। ১২মই সপ্তাহত দুবাৰকৈ লঘোন দিওঁ আৰু
মই যি সকলো পাওঁ তাৰে দশম অংশ দান কৰো।'
১৩“কিন্তু কৰতোলাতা জনে যি জন আঁতৰত থিয় হৈ
আছিল, তেওঁ স্বৰ্গৰ ফালে চাবলৈ সাহ নকৰি আৰু নিজকে
পাপী বুলি ভাৱি নিজৰ হিয়া ভূকুৱাই ভূকুৱাই কলে, “হে
ঈশ্বৰ মই পাপী মোক দয়া কৰক।' ১৪মই তোমালোকক
কওঁ, কৰ তোলোতা জনে প্ৰাৰ্থনা কৰি ঘৰলৈ ঘুৰি গ'ল আৰু
ঈশ্বৰে তেওঁক গ্ৰহণ কৰিলে। কিন্তু ঈশ্বৰে ফৰীচী জনক
গ্ৰহণ নকৰিলে কাৰণ তেওঁ নিজকে কৰতোলোতাজনতকৈ
ডাঙৰ বুলি ভাৱিছিল। ঈশ্বৰে তেওঁলোকক সৰু কৰিব
যিবিলাকে নিজকে বৰ বুলি গন্য কৰে, কিন্তু তেওঁলোকক
উন্নৎ কৰিব যিসকলে নিজকে নত কৰে।”

### শিশু বিলাক স্বৰ্গৰ অধিকাৰী

*(মথি ১৯:১৩–১৫; মাৰ্ক ১০:১৩–১৬)*

১৫তেওঁ যেন শিশুবিলাকৰ ওপৰত হাত দি আৰ্শীবাদ কৰে
সেই নিমিত্তে কিছুমান মানুহে তেওঁলোকৰ শিশুবিলাকক
যীচুৰ ওচৰলৈ আনিলে। কিন্তু তাকে দেখি তেওঁৰ
শিষ্যসকলে তেওঁলোকক ডবিয়ালে আৰু শিশুবিলাকক
নানিবলৈ ক'লে। ১৬কিন্তু যীচুৱে শিশুবিলাকক নিজৰ
ওচৰলৈ মাতিলে আৰু শিষ্যসকলক ক'লে, “শিশুবিলাকক
মোৰ ওচৰলৈ আহিবলৈ দিয়া তেওঁবিলাকক নিষেধ নকৰিবা,
কিয়নো ঈশ্বৰৰ ৰাজ্য এনেকুৱা শিশুবিলাকৰ নিচিনা
বিলাকৰহে। ১৭মই সত্যতাৰে তোমালোকক কৈছোঁ যি
দৰে শিশুবিলাকে কেনো বস্তু গ্ৰহণ কৰে ঠিক তেনেদৰে
তোমালোকেও ঈশ্বৰৰ ৰাজ্য গ্ৰহণ কৰিব লাগিব। নহলে
তোমালোকে ঈশ্বৰৰ ৰাজ্যত কোনোমতে প্ৰবেশ কৰিব
নোৱাৰিবা।”

### ধনী ব্যক্তিৰ প্ৰশ্ন

*(মথি ১৯:১৬–৩০; মাৰ্ক ১০:১৭–৩১)*

১৮এজন ধৰ্মীয় নেতাই যীচুক সুধিলে, “হে সদগুৰু, অনন্ত
জীৱন পাবলৈ হলে মই কি কৰিব লাগিব?”
১৯যীচুৱে তেওঁক কলে, “তুমি মোক কিয় সত্ বুলি
কৈছা? কেৱল ঈশ্বৰৰ বাদে আন কোনোৱেই সৎ নহয়।
২০বিধানৰ আজ্ঞা সমূহ তুমি নিশ্চয় জানা! 'ব্যাভিচাৰ
নকৰিবা, নৰবধ নকৰিবা, চুৰ নকৰিবা, মিছা কথা নকবা,
তোমাৰ পিতৃ-মাতৃক সন্মান কৰিবা।'”

[a] **১৭:৩০ মানৱপুত্ৰ** দানি. ৭:১৩–১৪ পদ চাওক মানৱ পুত্ৰ প্ৰথমত ঈশ্বৰৰ ওচৰলৈ যায়, তেওঁক জগত শাসন কৰিবলৈ শক্তি আৰু অধিকাৰ দিয়া হল, তাৰ পিছত তেওঁ উভটি আহে সকলো জাতিৰ লোকে তেওঁক দেখি আৰাধনা কৰিব।

[b] **১৭:৩৭ গোট খাব** মানৱপুত্ৰৰ আগমনত দিন স্পষ্ট আৰু দেখাকৈ হব যেনেকৈ শগুন গোট খোৱা ঠাইত মৰাশ সহজে বিচাৰি পোৱা যায়।

২১কিন্তু সেই নেতা জনে কলে, "এই সকলোবোৰ মই কিশোৰ অৱস্থাৰ পৰাই পালন কৰি আহিছোঁ।"

২২যীচুৱে এই কথা শুনি তেওঁক কলে, "এতিয়াও তোমাৰ কৰিবলগীয়া এটা কাম বাকী আছে সকলোবোৰ বিক্ৰী কৰি ধনখিনি দৰিদ্ৰ সকলক ভগাই দিয়া, তেহে স্বৰ্গত তোমাৰ ধন হব। আৰু আহাঁ মোৰ পাচে পাচে চলাহি।" ২৩কিন্তু যেতিয়া যীচুক এইবোৰ কোৱা শুনিলে, তেওঁ বৰ দুখিত হল, কিয়নো তেওঁৰ ওচৰত বহুত ধন সম্পতি আছিল।

২৪যীচুৱে তেওঁক দুখিত হোৱা দেখি কলে, "ধনৱন্ত লোকসকলৰ বাবে ঈশ্বৰৰ ৰাজ্যত প্ৰৱেশ কৰাটো বহুত কঠিন! ২৫হয়, ধনী মানুহ ঈশ্বৰৰ ৰাজ্যত সোমোৱাতকৈ বেজীৰ বিন্ধাইদি[a] উট এটা সৰকি যোৱাটোও সহজ।"

### কোনে পৰিত্ৰাণ পাব?

২৬এই কথা শুনাবিলাকে কলে, "তেনেহলে কোনে পৰিত্ৰাণ পাব?"

২৭যীচুৱে কলে, "এইবোৰ কথা মানুহৰ বাবে অসম্ভৱ কিন্তু ঈশ্বৰৰ কৰণে সকলো সম্ভৱ।"

২৮পিতৰে কলে, "চাওঁক আমি আমাৰ যি আছিল সকলো এৰি আপোনাক অনুসৰণ কৰিছোঁ।"

২৯তেতিয়া যীচুৱে তেওঁক কলে, "মই সত্যতাৰে তোমালোকক কওঁ যি বিলাকে ঈশ্বৰৰ ৰাজ্যৰ কাৰণে ঘৰ-বাৰী, পত্নী আৰু ভাই-ভনী, পিতৃ-মাতৃ, লৰা-ছোৱালী এই সকলোকে ত্যাগ কৰে। ৩০তেওঁলোকে এই কালতে তাৰ বহু গুণে লাভ কৰিব আৰু পৰলোকতো অনন্ত জীৱন পাব।"

### যীচুৱে পুনৰ নিজৰ মৃত্যুৰ বিষয়ে জনোৱা

*(মথি ২০:১৭–১৯; মাৰ্ক ১০:৩২–৩৪)*

৩১তেতিয়া যীচুৱে তেওঁৰ ১২ জন শিষ্য একাষৰীয়াকৈ নি কলে, "শুনা! আমি জেৰুচালেমলৈ গৈ আছোঁ। মানৱপুত্ৰৰ বিষয়ে ভাৱবাদী সকলে লিখা সকলো কথা পূৰ্ণ হব। ৩২তেওঁক পৰজাতি বিলাকৰ হাতত গতাই দিব, তেতিয়া তেওঁক বিদ্ৰূপ কৰা হব, তেওঁৰ গাত থু পেলাব। ৩৩তেওঁক বেতেৰে কোবোৱা হ'ব আৰু তাৰ পাছত বধ কৰিব, কিন্তু তৃতীয় দিনা পুনৰ জী উঠিব।" ৩৪তেওঁৰ পাঁচনি সকলে বুজিবলৈ চেষ্টা কৰিলে তেওঁ কি বিষয়ৰ ওপৰত কৈছে কিন্তু একোকে বুজি নাপালে কাৰণ তেওঁলোকৰ পৰা ইয়াৰ অৰ্থ গোপনে ৰখা হৈছিল।

### অন্ধক দৃষ্টি দিয়া

*(মথি ২০:২৯–৩৪; মাৰ্ক ১০:৪৬–৫২)*

৩৫যীচুৱে যিৰিহোৰ ওচৰ পাওঁতে এজন অন্ধ মানুহে ভিক্ষা বিচাৰি বাটৰ কাষত বহি আছিল। ৩৬অন্ধজনে যেতিয়া ওচৰেদি লোক সমূহ যোৱাৰ শব্দ শুনা পালে, তেতেওঁ চিঞৰি তেওঁলোকক সুধিলে, "কি হৈছে, কি হৈ আছে?"

৩৭লোকসমূহে কলে, "নাচৰতীয়া যীচু এই ফালেদি গৈছে।"

৩৮সেয়ে অন্ধজনে ৰিঙিয়াই কলে, "হে যীচু দায়ূদৰ সন্তান, মোক দয়া কৰক।"

৩৯আগত গৈ থকা মানুহবোৰে তেওঁক মনে মনে থাকিবলৈ কলে, "কিন্তু তেওঁ আৰু জোৰেৰে চিঞঁৰি কলে, "দায়ূদৰ সন্তান মোক দয়া কৰক।"

৪০যীচু থমকি ৰলে, আৰু অন্ধ মানুহজনক তেওঁৰ ওচৰলৈ আনিবলৈ আদেশ দিলে, যেতিয়া তেওঁ ওচৰলৈ আহিল, যীচুৱে তেওঁক সুধিলে, ৪১"তুমি কি বিচাৰিছা? মই তোমালৈ কি কৰাটো ইচ্ছা কৰা?"

তেওঁ কলে, "হে প্ৰভু মই যেন পুনৰ দেখা পাওঁ।"

৪২যীচুৱে কলে, "এতিয়াৰ পৰা তুমি দেখা পাবা, তোমাৰ বিশ্বাসেই তোমাক উদ্ধাৰ কৰিলে।"

৪৩তেওঁ তেতিয়াই দৃষ্টি পালে আৰু ঈশ্বৰৰ প্ৰশংসা কৰি যীচুৰ পিচে পিচে গল। যেতিয়া লোকসমূহে এইবোৰ দেখিলে সকলোৱে ঈশ্বৰৰ স্তুতি কৰিব ধৰিলে।

### চক্কেয়

**১৯** ১যীচুৱে যিৰিহো নগৰৰ মাজেদি গৈ আছিল। ২যিৰিহোতে এজন চক্কেয় নামৰ মানুহ আছিল। তেওঁ ধনী আৰু কৰতোলা বিলাকৰ মাজত এজন বিশিষ্ট ব্যক্তি আছিল। ৩যীচুনো কোন তাক চাবলৈ তেওঁ বৰ ইচ্ছা আছিল আৰু অনেকেও যীচুক চাবলৈ বিচাৰি আছিল, কিন্তু তেওঁ চুটি চাপৰ হোৱা হেতুকে ওখ্ দীঘল মানুহৰ ভিৰৰ কাৰণে দেখা পোৱা নাছিল। ৪সেয়ে তেওঁ সকলোৰে আগত দৌৰি গৈ যীচু অহা পথৰ এজেপা ডিমৰু গছত উঠিল যাতে যীচুক দেখা পাব পাৰে। কিয়নো সেই বাটেৰেই যীচু গৈ আছিল।

৫যেতিয়া যীচুৱে চক্কেয় থকা ঠাইত পালে, তেওঁ গছৰ ওপৰলৈ তেওঁলৈ চাই চক্কেয়ক কলে, "চক্কেয় বেগাই নামি আহাঁ, কিয়নো আজি মই তোমাৰ ঘৰত আলহী হম।"

৬চক্কেয় বেগাই তললৈ নামি আহি অতি আনন্দৰে তেওঁক আদৰ কৰিলে। ৭তাকে দেখি সকলো মানুহে ভোৰ-ভোৰাই কলে, "তেওঁ কেনে এজন পাপী মানুহৰ ঘৰত আলহী হবলৈ গৈ আছে।"

৮চক্কেয়ই প্ৰভুক কলে, "হে প্ৰভু চাওঁক মই মোৰ সম্পতিৰ আধাখিনি দৰিদ্ৰ লোকক দান কৰিম, আৰু যদি মই ঠগি কাৰোবাৰ পৰা কিবা লৈছোঁ তেন্তে তাৰ চাৰিগুণ মই ওভতাই দিম!"

৯যীচুৱে কলে, "আজি এই পৰিয়াল পাপৰ পৰা উদ্ধাৰ হ'ল, কিয়নো কৰতোলা জনেও ঈশ্বৰৰ এজন মনোনীত লোক।[b] ১০কিয়নো মানৱ-পুত্ৰই হেৰাই যোৱা বিলাকক বিচাৰি ৰক্ষা কৰিবলৈকে আহিছে।"

[a] **১৮:২৫ বেজিৰ বিন্ধা** মানে চিলাই কৰা বেজিকে বুজায়, সৰু বস্তু মানুহে নিত্য ব্যৱহাৰ কৰে প্ৰাচীন পুথত পোৱা বৃহৎ জন্তুৰ লগত ইয়াক তুলনা কৰা হৈছে।

[b] **১৯:৯ ঈশ্বৰৰ এজন মনোনীত লোক** আক্ষৰিকভাৱে 'আব্ৰাহামৰ সন্তান।'

## ঈশ্বৰে যি দিয়ে তাৰ উপযোগ কৰা

*(মথি ২৫:১৪–৩০)*

১১যেতিয়া মানুহ বিলাকে এইবোৰ কথা শুনি আছিল যীচুৱে তেওঁলোকক এটা দৃষ্টান্তৰ কথা কলে, কিয়নো যীচু জেৰুচালেমৰ ওচৰ চাপিছিল আৰু তেওঁলোকে ভাৱিছিল ঈশ্বৰৰ ৰাজ্য এতিয়াই প্ৰকাশিত হব, ১২সেয়ে যীচুৱে কলে, “এজন ভদ্ৰ বংশীয় লোকে ৰাজপদ লৈ ঘূৰি আহিবলৈ[a] দূৰ দেশলৈ যাত্ৰাৰ তৈয়াৰী কৰিলে। ১৩সেয়ে তেওঁ নিজৰ দহ জন দাসক মাতি আনি প্ৰত্যেককে এক এক বেগকৈ[b] টকা দিলে, আৰু কলে, ‘মই ঘুৰি নহালৈকে তোমালোকে ইয়াৰে ব্যৱসায় কৰা।’ ১৪কিন্তু নিজৰে দেশৰ আন মানুহ বিলাকে তেওঁক ঘৃণা কৰিছিল, সেয়ে তেওঁলোকে তেওঁৰ পাছত মানুহ পঠিয়াই কোৱালে সেইজন মানুহ আমাৰ ওপৰত ৰজা হোৱাটো নিবিচাৰো।

১৫“কিন্তু তেওঁ ৰাজপদ লৈ ঘৰলৈ ঘুৰি আহিলত, যিসকল দাস তেওঁ ধন দিছিল তেওঁলোকক ব্যৱসায় কৰি লাভ কৰিলে নে নাই জানিবৰ বাবে তেওঁলোকক মাতি পঠিয়ালে। ১৬প্ৰথম জনে আহি কলে, ‘হে প্ৰভু আপোনাৰ এক বেগ টকাৰে মই দহ বেগ লাভ কৰিলো।’ ১৭তেওঁৰ প্ৰভুৱে তেওঁক কলে, ‘চাব্বাইচ উত্তম দাস, তুমি ভাল কৰিলা, এই সৰু বিষয়ত বিশ্বাসী হোৱাৰ বাবে তুমি দহখন নগৰৰ অধিকৰী হবা।’

১৮“দ্বিতীয় জনে আহি কলে, ‘প্ৰভু আপোনাৰ ধনেৰে মই আৰু পাঁচ বেগ উপাৰ্জন কৰিলো।’ ১৯তেওঁৰ প্ৰভুৱে কলে, ‘তুমি পাঁচখন নগৰৰ অধিকাৰী হবা।’

২০“তেতিয়া আন এজন দাস আহি কলে, ‘প্ৰভু এইয়া আপোনাৰ ধন যিটোক মই গামোচাৰে বান্ধি থৈছিলো, ২১কিয়নো আপুনি কঠোৰ ব্যক্তি যত সিচাঁ নাই তাতে চপাই, যিখিনি আপুনি উপাৰ্জন কৰা নাই তাকো লয় সেয়ে মই ভয়তে একো নকৰিলো।’

২২“তেওঁৰ প্ৰভুৱে তেওঁক কলে, ‘হেৰৌ দুষ্ট দাস মই তোমাৰ নিজৰ কথাৰেই তোমাৰ ন্যায় বিচাৰ কৰিম। তুমি জানিছিলা যে যি খিনি মই উপাৰ্জন কৰা নাই তাকো লওঁ আৰু যত সিচাঁ নাই তাকো চপাওঁ। মই এজন কঠোৰ ব্যক্তি। ২৩তেন্তে তুমি মোৰ ধন কিয় বেঙ্কত জমা নকৰিলা? মই ঘুৰি আহি অন্তত সুতে মূলে পালোহেঁতেন।’ ২৪তাৰ পাছত তেওঁ ওচৰত থিয় হৈ থকা সকলক কলে এওঁৰ পৰা সেই ধন লৈ যিজনৰ ওচৰত দহ বেগ আছে তাক দিয়া।

২৫“তেতিয়া সেইজন ব্যক্তিয়ে কলে, ‘হে প্ৰভু তেওঁৰ ওচৰততো দহ বেগ আছেই।’

২৬“প্ৰভুৱে কলে, ‘মই তোমাক কৈছোঁ, মানুহে নিজৰ ওচৰত যি থাকে তাৰ যদি সত্ব্যৱহাৰ কৰে তেন্তে তেওঁক আৰু অধিক দিয়া হব আৰু যি জনে নিজৰ ওচৰত থকা খিনিৰ সত্ব্যৱহাৰ নকৰে তেওঁৰ ওচৰত যি আছে সেই সকলো কাঢ়ি লোৱা হব। ২৭কিন্তু মই শাসন কৰাটো নিবিচৰা মোৰ শত্ৰু সকলক মোৰ ওচৰলৈ আনা আৰু মাৰি পেলোৱা।মই সিঁহতৰ মৃত্যু লক্ষ্য কৰিম।’”

## যীচুৰ ৰজাৰ দৰে জেৰুচালেমত প্ৰৱেশ

*(মথি ২১:১–১১; মাৰ্ক ১১:১–১১; যোহন ১২:১২–১৯)*

২৮এইবোৰ কোৱাৰ পাছত যীচুৱে আকৌ জেৰুচালেম নগৰলৈ যাত্ৰা আৰম্ভ কৰিলে ২৯যেতিয়া তেওঁ জৈতুন পৰ্ব্বতৰ ওচৰৰ বৈত্‌ফগী আৰু বৈথনিয়াৰ ওচৰ পালেগৈ, তেওঁ তেওঁৰ দুজন শিষ্যক পঠিয়াই দি কলে, ৩০“সন্মূখৰ তোমালোকে দেখা গাওঁখনলৈ যোৱা, গাৱঁত সোমাওঁতেই কেতিয়াও মানুহে নুঠা গাধ পোৱালি এটা বান্ধি থোৱা পাবা, সেইটো খুলি ইয়ালে লৈ আনাগৈ, ৩১কোনোবাই যদি তোমালোকক গাধ পোৱালিটো কিয় খুলিছা বুলি সোধে, তেন্তে তোমালোকে কবা ‘প্ৰভুক ইয়াৰ প্ৰয়োজন আছে।’”

৩২যীচুৱে যেনেকৈ কৈছিল দুজন শিষ্যই গাৱঁলৈ গৈ তেনেকৈয়ো পালে। ৩৩তেওঁলোকে গাধ পোৱালিটো মুকলি কৰোতে মালিকে তেওঁলোকক সুধিলে, “তোমালোকে গাধ পোৱালিটো কিয় মেলিছা?”

৩৪তেওঁলোকে কলে, “প্ৰভুৰ ইয়াৰ প্ৰয়োজন আছে।” ৩৫আৰু তেওঁলোকে তাক যীচুৰ ওচৰলৈ আনিলে। তেতিয়া তেওঁলোকে গাধ পোৱালিটোৰ পিঠিৰ ওপৰত কাপোৰ পাৰিলে আৰু যীচুক তাৰ ওপৰত বহুৱালে ৩৬যেতিয়া যীচু গৈ আছিল মানুহবিলাকে নিজৰ নিজৰ কাপোৰ বাটত পাৰি পাৰি গৈ আছিল।

৩৭যীচু জেৰুচালেমৰ ওচৰ গৈছিল আৰু যেতিয়া তেওঁ জৈতুন পৰ্ব্বতৰ পৰা নামি যোৱা ঠাইত পালে, তেওঁৰ সমূহ শিষ্যসকলে আনন্দিত হল তেওঁলোকে সকলোৱে তেওঁলোকে দেখা আচৰিত কৰ্ম্মৰ বিলাকৰ কাৰনে ঈশ্বৰৰ ধন্যবাদ কৰিলে। তেওঁলোকে বৰ মাতেৰে ঈশ্বৰৰ প্ৰশংসাৰে স্তুতি কৰিবলৈ আৰম্ভ কৰিলে।

৩৮তেওঁলোকে ৰিঙিয়াই কলে,

“‘প্ৰভুৰ নামেৰে যি জনা ৰজা আহিছে তেওঁ ধন্য।’

*গীতমালা ১১৮:২৬*

স্বৰ্গত কুশল আৰু উৰ্ধলোকত ঈশ্বৰৰ প্ৰশংসা হওঁক।”

৩৯ইয়াকে দেখি লোকসমূহৰ মাজৰ কেই জন মান ফৰীচীয়ে যীচুক কলে, “গুৰু আপোনাৰ শিষ্যসকলক নিষেধ কৰক যাতে এনে কথা নকয়।”

৪০যীচুৱে উত্তৰ দিলে, “মই তোমালোকক কৈছোঁ

[a] **১৯:১২ ৰাজপদলৈ ঘূৰি আহিবলৈ**মধ পাৰচ্য সাগৰ দাঁতি থকা ৰাজ্যবিলাকত ৰজা নিৰ্বাচন কৰাটো ৰোমৰ নিয়ন্ত্ৰনত ৰোমান সাম্ৰাজ্যৰ মত হৈছিল। সেইদৰে হেৰোদক ৰোমান নি ইস্ৰায়েল ৰজা পতা হৈছিল।

[b] **১৯:১৩ এক এক বেগকৈ** গ্ৰীকত মিনা এশটা ৰূপৰ আধলি এজন মানুহৰ ৩ মাহৰ মজুৰিৰ বাবে যথেষ্ট। ১৬, ১৮, ২০, ২৪, ২৫ পদ চাওক।

তেওঁলোকে যদি মনে মনে থাকে তেন্তে এই শিলবোৰে
চিঞঁৰি উঠিব।”

### জেৰুচালেমৰ বাবে যীচুৰ বিলাপ

৪১যেতিয়া তেওঁ নগৰখনৰ ওচৰ পালে তেওঁ নগৰখনলৈ
চালে, আৰু ক্ৰন্দন কৰিলে, ৪২আৰু কলে, “কিহে শান্তি
আনিব পাৰে তাক আজি তুমি জনা হলে! কিন্তু তাক
তোমাৰ পৰা লুকুৱাই ৰখা হৈছে। ৪৩এনে এদিন আহিব
যেতিয়া তোমাৰ শত্ৰুৱে চাৰিওফালৰ পৰা আগুৰি ধৰিব
আৰু কোনোৱেই পলাই সাৰিব নোৱাৰিব। ৪৪তেওঁলোকে
তোমাক আৰু তোমাৰ সন্তান সন্ততি বিলাকক বিনষ্ট কৰিব
আৰু তোমাৰ ঘৰৰ এটা শিলো আনটোৰ ওপৰত থাকিবলৈ
নিদিব। তোমালৈ এই সকলো ঘটিব কিয়নো ঈশ্বৰে তোমাক
উদ্ধাৰ কৰিবলৈ অহা সেই সময় তুমি চিনি নাপালা।”

### মন্দিৰত যীচু

*(মথি ২১:১২–১৭; মাৰ্ক ১১:১৫–১৯; যোহন ২:১৩–২২)*

৪৫যীচুৱে মন্দিৰত প্ৰৱেশ কৰি ভিতৰত বস্তু বিক্ৰি কৰি
থকা সকলক বাহিৰলৈ উলিয়াবলৈ ধৰিলে। ৪৬তেওঁ
তেওঁলোকক কলে, “শাস্ত্ৰত লিখা আছে, ‘মোৰ মন্দিৰ
প্ৰাৰ্থনাৰ গৃহ হব।’ [a] কিন্তু তোমালোকে ইয়াক ডকাইতৰ
গুহা কৰিলাহঁক।’” [b]
৪৭যীচুৱে প্ৰতি দিনাই মন্দিৰত শিক্ষা দিবলৈ ধৰিলে।
প্ৰধান পুৰোহিত, যিহুদী বিধান পণ্ডিত আৰু বিষয়া সকলে
তেওঁক মাৰি পেলাবলৈ সুবিধা বিচাৰিবলৈ ধৰিলে। ৪৮কিন্তু
তেওঁলোকে এনে কৰিবলৈ সুবিধা নাপালে কিয়নো
মানুহবিলাকে তেওঁৰ শিক্ষা বহুত গুৰুত্ব দি শুনিছিল।

### যিহুদী সকলে যীচুক প্ৰশ্ন কৰা

*(মথি ২১:২৩–২৭; মাৰ্ক ১১:২৭–৩৩)*

**২০** ১এদিনাখন যেতিয়া যীচুৱে মন্দিৰত
মানুহবিলাকক শুভবাৰ্তা শুনাই আছিল, তেতিয়া
প্ৰধান পুৰোহিত, যিহুদী বিধান-পণ্ডিত আৰু বৃদ্ধ যিহুদী নেতা
সকলে একত্ৰিত হৈ তেওঁৰ ওচৰলৈ আহিল। ২তেওঁলোকে
তেওঁক সুধিলে, “তুমি এইবোৰ কাৰ অধিকাৰত কৰি আছা
আমাক কোৱা? আৰু কোনে তোমাক এই অধিকাৰ প্ৰদান
কৰিছে?”
৩যীচুৱে তেওঁলেকক উত্তৰ দিলে, “ময়ো তোমালোকক
এটা প্ৰশ্ন সোধো, তোমালোকে মোক কোৱা ৪যোহনে
বাপ্তিস্ম দিয়াৰ অধিকাৰ স্বৰ্গৰ পৰা পাইছিল নে মানুহৰ পৰা
পাইছিল?”
৫তেতিয়া তেওঁলোকে পৰস্পৰে কবলৈ ধৰিলে,
“আমি যদি স্বৰ্গৰ পৰা কওঁ তেন্তে তেওঁ কব তেনেহলে
তোমালোকে তেওঁক কিয় বিশ্বাস নকৰিলা? ৬আৰু যদি
আমি মানুহৰ পৰা বুলি কওঁ তেন্তে মানুহবিলাকে আমাক
শিল দলিয়াব। কিয়নো তেওঁলোকে যোহনক এজন
ভাৱবাদী বুলি জ্ঞান কৰে।” ৭সেয়ে তেওঁলোকে উত্তৰ দিলে,
“আমি নাজানো তেওঁ কৰ পৰা পাইছিল।”
৮যীচুৱে তেওঁলোকক কলে, “তেন্তে মইও নকঁও যে মই
এইবোৰ কৰ্ম্ম কাৰ অধিকাৰেৰে কৰোঁ।”

### ঈশ্বৰে নিজ পুত্ৰক পঠায়

*(মথি ২১:৩৩–৪৬; মাৰ্ক ১২:১–১২)*

৯তেতিয়া মানুহ বিলাকক দৃষ্টান্তৰে কথা কবলৈ ধৰিলে:
“কোনোবা এজন ব্যক্তিয়ে আঙুৰৰ বাৰী পাতি, বাৰীখন
কিছুমান খেতিয়কক ভাড়াত দি বহুত দিনৰ বাবে কৰবালৈ
গুচি গল। খেতিয়ক সকলেও শস্যদোৱাৰ বতৰৰ সময়ত
মালিকক তেওঁৰ অংশ দিবলৈ মান্তি হ’ল। ১০যেতিয়া ফলৰ
বতৰ হল, তেতিয়া তেওঁ দাস সকলৰ এজনক খেতিয়ক
সকলৰ ওচৰলৈ তেওঁৰ ভাগৰ ফলৰ অংশ লবলৈ
পঠিয়ালে। কিন্তু খেতিয়ক সকলে সেই দাসজনক মাৰ-পিট
কৰি সোধা হাতে পঠিয়াই দিলে। ১১সেয়েহে তেওঁ আন
এজন দাসক পঠিয়ালে কিন্তু তেওঁলোকে তাকো মাৰি পিটি
আৰু অপমান কৰি সোদা হাতে পঠিয়াই দিলে। ১২তেতিয়া
তেওঁ আৰু এজন দাসক পঠিয়ালে, কিন্তু তেওঁলোকে তাক
আঘাত কৰি বাৰীৰ বাহিৰলৈ পেলাই দিলে।
১৩“তেতিয়া বাৰীখনৰ মালিকে কলে, ‘মই এতিয়া কি
কৰো,এতিয়া মোৰ প্ৰিয় পুত্ৰক পঠিয়াম। কিজানি তেওঁক
হয়তো তেওঁলোকে সন্মান কৰিব।’ ১৪কিন্তু খেতিয়ক
সকলে যেতিয়া তেওঁৰ পুত্ৰক দেখা পালে, পৰস্পৰে
আলোচনা কৰি কলে, ‘এৱেঁই উত্তৰাধিকাৰী, আহাঁ এওঁক
মাৰি পেলাওঁ যাতে বাৰীখন আমাৰ হৈ যায়।’ ১৫সেয়ে
তেওঁলোকে তেওঁক বাৰীখনৰ বাহিৰত নি নিৰ্মিমভাৱে মাৰি
পেলালে।
“এতিয়া বাৰীখনৰ গৰাকীয়ে তেওঁলোকক কি কৰিব?
১৬তেওঁ আহিব আৰু সেই খেতিয়ক বোৰক মাৰি পেলাব
আৰু বাৰীখন আন খেতিয়কৰ হাতত গতাই দিব।”
তেওঁলোকে এইবোৰ শুনি কলে, “এনেদৰে কেতিয়াও
নহওক।” ১৭তেতিয়া যীচুৱে তেওঁলোকৰ ফালে চাই কলে,
“তেনেহলে শাস্ত্ৰত লিখা এই বাক্যৰ অৰ্থ কি:

‘যি শিলক নিৰ্মানকৰোতাবিলাকে অযোগ্য বুলি গ্ৰহন
নকৰিলে
সেয়াই চুকৰ প্ৰধান শিল হল।’ *গীতমালা ১১৮:২২*

১৮যি এই শিলত পৰিব টুকুৰা টুকুৰ হৈ যাব আৰু যাৰ ওপৰত
এই শিল পৰিব তেওঁ ধূলিৰ দৰে গুড়ি হৈ যাব।”
১৯সেই সময়তে যিহুদী বিধান পণ্ডিত আৰু প্ৰধান
পুৰোহিত সকলে কিবা উপায়েৰে তেওঁক বন্দী কৰিবলৈ
বিচাৰিছিল কিয়নো এই দৃষ্টান্ত তেওঁলোকৰ বিৰুদ্ধে কোৱা
বুলি জানিছিল। কিন্তু তেওঁলোকে মানুহ বিলাকলৈ ভয়
কৰিছিল।

[a] **১৯:৪৬** উদ্ধৃত যিচয়া ৫৬:৭
[b] **১৯:৪৬** উদ্ধৃত যিৰিমিয়া ৭:১১; ১৯:৪৬

## যিহুদী নেতা সকলৰ ষড়যন্ত্ৰ

*(মথি ২২:১৫–২২; মাৰ্ক ১২:১৩–১৭)*

২০সেয়ে যিহুদী নেতা সকলে যীচুক বন্দী কৰিবৰ কাৰণে
উপযুক্ত সময়ৰ বাবে অপেক্ষা কৰিব ধৰিলে। তেওঁলোকে
সাধুৰ বেশ ধৰা কিছুমান চোৰাংচোৰা তেওঁৰ ওচৰলৈ
পঠিয়াই দিলে, (যাতে তেওঁক ফান্দত পেলাই সোধবিচাৰ
কৰিবলৈ দেশাধিপতিৰ হাতত শোধাই দিব পাৰে।)তেওঁক
বিচাৰ কৰিবলৈ দেশাধিপতিৰ অধিকাৰ আছিল। ২১সেয়ে
তেওঁবিলাকে তেওঁক সুধিলে, “মহাশয় আমি জানো আপুনি
যিটো উচিত তাকে কয় আৰু শিক্ষা দিয়ে আৰু আপুনি
কাৰো পক্ষপাতি নহয়, কিন্তু সত্যতাৰে ঈশ্বৰৰ পথৰ শিক্ষা
দিয়ে। ২২সেয়ে কওঁকচোন আমি কৈচৰক কৰ দিয়াটো
উচিতনে অনুচিত?”

২৩যীচুৱে তেওঁলোকৰ চতুৰালি বুজি পালে আৰু
তেওঁলোকক কলে, ২৪“মোক এটা মুদ্ৰা দেখুওৱা, ইয়াত
কাৰ প্ৰতিমূৰ্তি আৰু নাম লিখা আছে?”

তেওঁলোকে কলে, “কৈচৰৰ।”

২৫যীচুৱে তেওঁলোকক কলে, “তেনেহলে যিটো কৈচৰৰ
তাক কৈচৰক দিয়া। আৰু যিটো ঈশ্বৰৰ তাক ঈশ্বৰক দিয়া।”

২৬তেওঁলোকে এই উত্তৰ শুনি আচৰিত মানিলে আৰু
মনে মনে থাকিল। তেওঁলোকে যীচুক মানুহ বিলাকৰ
আগত ফান্দত পেলাব নোৱাৰিলে। কিয়নো তেওঁ এনে
কোনো কথা কোৱা নাছিল যিবোৰৰ বাবে তেওঁক অভিযোগ
কৰিব পাৰি।

## যীচুক ধৰিবলৈ চদ্দূকীবিলাকৰ ছলনা

*(মথি ২২:২৩–৩৩; মাৰ্ক ১২:১৮–২৭)*

২৭কিছুমান চদ্দূকী যীচুৰ ওচৰলৈ আহিল (যি বিলাকে
পুনৰুত্থানত বিশ্বাস নকৰে) তেওঁলোকে যীচুক সুধিলে,
২৮“হে গুৰু মোচিয়ে আমালৈ লিখিলে–যে কাৰোবাৰ
ককায়েক যদি নি:সন্তান হৈ মৰি যায়, তেন্তে ভায়েকে
বিধৱা পত্নীক বিয়া কৰাই ককায়েকলৈ সন্তান উৎপন্ন
কৰিব লাগে।[a] ২৯ধৰি লওক সাত জন ককাই-ভাই আছিল।
প্ৰথমজন বিয়া কৰাই নি:সন্তান হৈ মৰিল। ৩০তেতিয়া
দ্বিতীয়জনে সেই তিৰোতাজনীক বিয়া কৰালে। ৩১তৃতীয়
জনেও বিয়া কৰালে। কিন্তু সকলোৱে একেদৰেই নি:সন্তান
হৈ মৰিল। ৩২অৱশেষত সেই তিৰোতাজনীও মৰিল।
৩৩এতিয়া কওকচোন পুনৰুত্থানৰ দিনত সেই গৰাকী
তিৰোতা কাৰ ভাৰ্য্যা হব, কিয়নো তাইক সাতোজনে বিয়া
কৰাইছিল?”

৩৪তেতিয়া যীচুৱে চদ্দূকীবিলাকক কলে, “এই কালৰ
লোক বিলাকে বিয়া কৰাই আৰু পিতৃসকলে জীয়াৰিবিলাকক
বিয়া দিয়েও। ৩৫কিন্তু যিবিলাকক পুনৰুত্থানৰ জীৱনৰ যোগ্য
বুলি গন্য কৰা হয়, পুনৰুত্থানৰ পাছত সেই নতুন কালত
তেওঁলোকে বিয়া নকৰায়। আৰু কোনেও বিবাহ নহয়।
৩৬সেই নতুন যুগ তেওঁলোক স্বৰ্গদূতৰ নিচিনা হব আৰু
তেওঁলোকৰ কেতিয়াও মৃত্যু নহয়। তেওঁলোকক মৃত্যুৰ
পৰা তোলা হোৱাৰ কাৰনে তেওঁলোক ঈশ্বৰৰ সন্তান হয়।
৩৭মোচীয়ে স্পষ্টভাবে প্ৰকাশ কৰিছে যে মানুহবিলাকক
মৃত্যুৰ পৰা তোলা হৈছে। তেওঁ এই সম্পৰ্কে কাহিনীত
জলন্ত জোপোহা[b] প্ৰসঙ্গত তেওঁ লিখিছে যে ‘প্ৰভু
আব্ৰাহামৰ ঈশ্বৰ, যাকোবেৰ ঈশ্বৰ[c] আৰু ইচাহাকৰ ঈশ্বৰ’
হয়। ৩৮তেওঁ মৃত বিলাকৰ নহয় কিন্তু জীৱিত বিলাকৰহে
ঈশ্বৰ হয়, ঈশ্বৰৰ বাবে সকলো মানুহ এতিয়াও জীৱিত।”

৩৯কিছুমান যিহুদী বিধান পণ্ডিতে কলে, “গুৰু আপুনি
সঠিক উত্তৰ দিছে।” ৪০সেয়েহে তেওঁক আৰু কোনো প্ৰশ্ন
সুধিবলৈ কাৰো সাহস নহল।

## যীচু দায়ূদৰ পুত্ৰনে দায়ূদৰ প্ৰভু হয়

*(মথি ২২:৪১–৪৬; মাৰ্ক ১২:৩৫–৩৭)*

৪১তেতিয়া যীচুৱে কলে, “তেওঁলোকে কয় মছীহ দায়ূদৰ
পুত্ৰ। এইটো কেনেকৈ হব পাৰে? ৪২কাৰণ গীতমালাৰ
পুস্তকত দায়ূদে স্বয়ং কৈছে যে,

‘প্ৰভুৱে (ঈশ্বৰে) মোৰ প্ৰভু (ৰজাক) কলে:
মোৰ সোঁ হাতে বহি থাকা,
৪৩ যেতিয়ালৈকে মই তোমাৰ শত্ৰুবোৰক তোমাৰ
ক্ষমতাৰ তল নকৰো।’ *গীতমালা ১১০:১*

৪৪যদি দায়ূদে খ্ৰীষ্টক ‘প্ৰভু’ বুলি সম্বোধন কৰিছে তেন্তে
খ্ৰীষ্ট কেনেকৈ দায়ূদৰ পুত্ৰ হব পাৰে?”

## বিধান-পণ্ডিত সকলৰ পৰা সৰ্তকহৈ থাকিবলৈ যীচুৰ আজ্ঞা

*(মথি ২৩:১–৩৬; মাৰ্ক ১২:৩৮–৪০; লূক ১১:৩৭–৫৪)*

৪৫যেতিয়া সকলো মানুহে শুনি আছিল, যীচুৱে নিজৰ
শিষ্য সকলক কলে, ৪৬“যিহুদী বিধান-পণ্ডিত সকলৰ পৰা
সাৱধানে থাকিবা। তেওঁলোকে দীঘলীয়া বস্ত্ৰ পিন্ধি ফুৰিবলৈ
ভাল পায়, হাট-বজাৰত তেওঁলোকে নমস্কাৰ আদৰ পাবলৈ
ভাল পায়। আৰু নাম-ঘৰবোৰত সৰ্বোত্তম আসন পাবলৈ
বিচাৰে আৰু ভোজৰ ঠাইত সন্মানৰ প্ৰধান ঠাইত বহিবলৈ
ভাল পায়। ৪৭তেওঁলোকে বিধৱা সকলৰ সম্পতি গ্ৰাস কৰে,
আৰু নিজকে ভাল দেখুৱাবলৈ দীঘলীয়াকৈ প্ৰাৰ্থনা কৰে,
তেওঁলোকে অধিক দণ্ড পাব।”

## প্ৰকৃত দান

*(মাৰ্ক ১২:৪১–৪৪)*

**২১** ১যীচুৱে চকু তুলি চাই দেখিলে যে ধনী মানুহবোৰে
মন্দিৰৰ দানপাত্ৰত তেওঁলোকৰ দান উতসৰ্গ কৰি

[a] **২০:২৮** উদ্ধৃত দ্বি. বি. ২৫:৫,৬

[b] **২০:৩৭ জ্বলন্ত জোপোহা** যাত্ৰাপুস্তক ৩:১–১২ প্ৰসঙ্গত লিখিছে।

[c] **২০:৩৭ যাকোবৰ ঈশ্বৰ** যাত্ৰাপুস্তক ৩:৬

আছে। ২তেতিয়াই এগৰাকী দুখীয়া বিধৱাক তামৰ দুটা সৰু মুদ্ৰা দানপাত্ৰত সোমোৱাই দিয়া দেখিলে। ৩তেওঁ কলে, “দুখীয়া তিৰোতা গৰাকী মাত্ৰ দুটা মুদ্ৰা দিলে কিন্তু সত্য এইযে,সেই সকলো ধনী লোকবিলাকতকৈ এই দুখীয়া বিধৱা গৰাকীয়ে অধিক দান দিলে। ৪মই এই কাৰণেই কৈছোঁ যে ধনীলোক বিলাকৰ নিজৰ নিজৰ অতিৰিক্ত ধনৰ পৰাহে দান কৰিলে, কিন্তু সেই বিধৱা জনী দুখীয়া। তথাপিও জীয়াই থাকিবলৈ যি আছিল তেওঁ সেই সকলো খিনি দি দিলে।”

## যীচুৱে ভবিষ্যতৰ বিষয়ে সৰ্তক কৰা

*(মথি ২৪:১–১৪; মাৰ্ক ১৩:১–১৩)*

৫কিছুমানে মন্দিৰৰ বিষয়ে আলোচনা কৰি আছিল। তেওঁলোকে কলে, এইটো এটা ধুনীয়া মন্দিৰ, ইয়াক উত্তম শিলেৰে নিৰ্মান কৰা হৈছে। চোৱা, মন্দিৰটো সাজিবৰ কাৰনে মানুহবিলাকে কিমান উত্তম দান আনিছিল।

৬তেতিয়া যীচুৱে কলে, “এনে এটা সময় আহিব যেতিয়া সকলোবোৰ শিল দলিয়াই পেলোৱা হব এটা শিলো আনটোৰ ওপৰত নাথাকিব।”

৭কিছুমানে যীচুক সুধিলে, “গুৰু এইবোৰ কেতিয়া ঘটিব? আৰু এই ঘটনা হোৱাৰ চিন কি?”

৮যীচুৱে কলে, “সাৱধানে থাকা, তোমালোকক কোনেও যেন নুভুলাই, কিয়নো বহুতে মই বুলি আহি দাবি কৰি তেওঁলোকে কব, “মইয়েই খ্ৰীষ্ট” আৰু সেই সময় আহি পালেহি। তেওঁলোকৰ পিচে পিচে নাযাবা। ৯যেতিয়া তোমালোকে যুদ্ধ-বিগ্ৰহৰ আলোচনা শুনিবা, ভয় নকৰিবা, কিয়নো এইবোৰ প্ৰথমতে ঘটিবই কিন্তু অন্তিম সময় সোনকালে নাহিব।”

১০যীচুৱে তেওঁলোকক পুনৰ কলে, “এখন ৰাষ্ট্ৰ অন্য ৰাষ্ট্ৰৰ বিৰুদ্ধে থিয় হব আৰু এখন ৰাজ্যই আন এখন ৰাজ্যৰ বিৰুদ্ধে থিয় হব। ১১ডাঙৰ ডাঙৰ ভূমিকম্প হব, বহুত ঠাইত দুৰ্ভিক্ষ আকাল হব, মহামাৰী হব।

১২“আকাশত ভয়ংকৰ ঘটনা ঘটাৰ আগতে মানুহবিলাকে তোমালোকক বন্দী কৰাই তাড়না কৰিব। নাম-ঘৰত তোমালোকক বিচাৰৰ[a] বাবে তোমালোকক শোধাই দিব। আৰু তোমালোকক ৰজা আৰু শাসনকৰ্তা সকলৰ ওচৰলৈ নিয়া হব। তোমালোকলৈ তেওঁলোকে এই সকলো কৰিব কাৰন তোমালোক মোক মানি চলা। ১৩কিন্তু তোমালোকে মোৰ বিষয়ে সাক্ষ্য দিবলৈ সুযোগ পাবা। ১৪তোমালোকে নিজকে কেনেকৈ ৰক্ষা কৰিব লাগিব তাৰ বিষয়ে চিন্তা নকৰিব ১৫কাৰণ মই তোমালোকক এনে জ্ঞান আৰু বাক্য দিম যে তোমালোকৰ বিৰুদ্ধী বিলাকৰ কোনেও একো উত্তৰ দিব নোৱাৰিব। ১৬আনকি তোমালোকক তোমালোকৰ পিতৃ-মাতৃ, ককাই-ভাই, বংশ পৰিয়াল আৰু বন্ধু বৰ্গইও ছলেৰে শত্ৰুৰ হাতত শোধাই দিব আৰু তোমালোকৰ কিছুমানক বধো কৰোৱাব। ১৭প্ৰত্যেকেই তোমালোকক ঘৃণা কৰিব কিয়নো তোমালোকে মোক মানি চলা। ১৮কিন্তু তোমালোকৰ মূৰৰ চুলি এডালো নষ্ট নহব। ১৯তোমালোকে বিশ্বাসত বলৱান হৈ শেষলৈকে থিৰে থাকি এই সকলোৰ পৰা নিজকে ৰক্ষা কৰিবা।”

## জেৰুচালেমৰ বিনাশ

*(মথি ২৪:১৫–২১; মাৰ্ক ১৩:১৪–১৯)*

২০“তোমালোকে যেতিয়া জেৰুচালেমক সৈন্যবিলাকে চাৰিওফালে বেৰী ধৰা দেখিবা তেতিয়া জানিবা যে তাইৰ ধ্বংসৰ সময় ওচৰ চাপিল বুলি। ২১তেতিয়া যিহুদীয়াত থকা বিলাকে লোকসমূহ পৰ্বতলৈ পলাই যাব, নগৰৰ ভিতৰত থকা বিলাক বাহিৰলৈ ওলাই যাব। নগৰৰ বাহিৰত থকাসকলে যাতে নগৰৰ ভিতৰলৈ নামাতক। ২২কিয়নো ভাৱবাদী সকলে শাস্ত্ৰত লিখা ঈশ্বৰৰ শাস্তিৰ সময় এয়াই। সেই শাস্তিকালত এই আটাইবিলাক নিশ্চয়ে ঘটিব। ২৩সেই সময় গৰ্ভৱতী তিৰোতা আৰু স্তন পান কৰোৱা মাতৃ সকলৰ বাবে ভয়ংকৰ হব! কিয়নো জগতলৈ বহুত ডাঙৰ ক্লেশ আহিব, আৰু মানুহৰ ওপৰত ঈশ্বৰৰ ক্ৰোধ পৰিব। ২৪কিছুমানলোকক সৈনিকৰ তৰোৱালেৰে বধ কৰা যাব; আৰু আন বিলাকক বন্দী কৰি অন্য দেশলৈ লৈ যোৱা হব। আৰু অ-যিহুদী বিলাকৰ কাল সম্পূৰ্ণ নোহোৱালৈকে জেৰুচালেমক অ-যিহুদী বিলাকৰ শাসনৰ অধীনত ৰখা যাব।”

## ভয় নকৰিবা

*(মথি ২৪:২৯–৩১; মাৰ্ক ১৩:২৪–২৭)*

২৫“সেই সময়ত সূৰ্য্য, চন্দ্ৰ আৰু তৰা বিলাকত নানান ধৰণৰ চিন দেখা যাব। সাগৰৰ ঢৌৰ জোৱাৰ দেখি পৃথিৱীৰ সকলো জাতিবিলাকৰ মাজত ভয় আৰু ত্ৰাসৰ সৃষ্টি হব। ২৬মানুবিলাকে জগতত হব লগা বিপদৰ বাবে ভয় খাব আৰু চিন্তিত হ'ব। আকাশৰ শক্তি বোৰ লৰোৱা হব। ২৭তেতিয়া মানৱপুত্ৰক নিজৰ শক্তি আৰু গৌৰৱৰ সৈতে মহা-পৰাক্ৰমেৰে মেঘত অহা দেখিব। ২৮এইবোৰ যেতিয়া ঘটিব তোমালোকে মূৰ দাঙি ওপৰলৈ চাবা কিয়নো তোমালোকক ঈশ্বৰে উদ্ধাৰ কৰাৰ সময় ওচৰ চাপিচেহি।”

## মোৰ বাক্য সদাসৰ্বদায় জীৱিত

*(মথি ২৪:৩২–৩৫; মাৰ্ক ১৩:২৮–৩১)*

২৯তেতিয়া যীচুৱে তেওঁলোকক এটা দৃষ্টান্তৰ কথা কলে, “তোমালোকে ডিমৰু গছ আৰু আন গছ বিলাকৰ কথা ভাবি চোৱা। ৩০যেতিয়া সেইবোৰে কুঁহিপাত মেলে তেতিয়া তোমালোকে জহকাল ওচৰ হল বুলি জানা। ৩১সেইদৰেই যেতিয়া তোমালোকে এইবোৰ ঘটনা ঘটা দেখিবা তেতিয়া জানিবা যে ঈশ্বৰৰ ৰাজ্য নিচেই ওচৰ পালেহি।

৩২“মই তোমালোকক সত্য কথা কৈছোঁ যেতিয়ালৈকে এইবোৰ কথা নঘটে তেতিয়ালৈকে এই যুগৰ কিছুমান

[a] **২১:১২ বিচাৰৰ** আক্ষৰিকভাবে নামঘৰত(চিনাগগ)। পুৰনি কালত যিহুদীবিলাকৰ নামঘৰত এটা সামাজিক ঘৰ আছিল। যত শিক্ষাৰ কাৰনে মোকদৰ্মাৰ বিচাৰৰ আৰু ৰাজনীতি বিষয়ত আৰু একে লগে বিধানশাস্ত্ৰ অধ্যয়ন আৰু প্ৰাৰ্থনাৰ বাবে ব্যৱহাৰ হৈছিল।

মানুহ জীয়াই থাকিব। ৩৩পৃথিৱী আকাশ নষ্ট হৈ যাব কিন্তু
মোৰ বাক্য সৰ্বদায় স্থিৰে থাকিব।

## সদায় সাজু হৈ থাকা

৩৪“সৰ্তক হৈ থাকিবা, অধিক দ্ৰাক্ষাৰস পান নাইবা সংসাৰৰ
চিন্তাত মত্ত হৈ নাথাকিবা। কিয়নো যেতিয়া যুগুত হবলৈ
ভালাকৈ চিন্তাই কৰিব নোৱাৰিবা, সেই দিন তোমালোকলৈ
অকস্মাতে আহি পৰিব। ৩৫গোটেই পৃথিৱীৰ মানুহলৈ সেই
সময় আচৰিতভাৱে আহিব। ৩৬সেয়ে সদায় যুগুতহৈ থাকিবা,
তোমালোকে যাতে হবলগীয়া এই সকলোবোৰ ঘটনাৰ
মাজেদি নিৰাপদে পাৰ হৈ যোৱাৰ শক্তি পোৱা আৰু মানৱ
পুত্ৰৰ আগত দৃঢ়তাৰে থিয় হব পাৰা তাৰ বাবে প্ৰাৰ্থনা কৰা।”
৩৭প্ৰতিদিনেই দিনৰ ভাগত যীচুৱে মন্দিৰত শিক্ষা দিছিল
কিন্তু ৰাতি কটাবলৈ তেওঁ গধূলি জৈতুন নামৰ পৰ্বতলৈ
গৈছিল। ৩৮প্ৰতিদিনেই অতি ৰাতিপুৱাই মানুহবিলাকে
সোনকালে উঠি মন্দিৰলৈ তেওঁৰ শিক্ষা শুনিবলৈ গৈছিল।

## যীচুক বধ কৰাৰ ষড়যন্ত্ৰ

*(মথি ২৬:১–৫, ১৪–১৬; মাৰ্ক ১৪:১–
২, ১০–১১; যোহন ১১:৪৫–৫৩)*

২২ ১তেতিয়া খমীৰ নোহোৱা পিঠাৰ পৰ্ব্বৰ সময় যাক
নিস্তাৰপৰ্ব্ব বোলে ওচৰ চাপিছিল। সেই সপ্তাহত
পৰ্ব্বৰ সময়ত কোনোৱেও খমিৰ থকা পিঠা নাখাইছিল।
২প্ৰধান পুৰোহিত, যিহুদী বিধান-পণ্ডিত সকলে যীচুক বধ
কৰিবলৈ উপায় বিচাৰি আছিল, কিন্তু তেওঁলোকে মানুহ
বিলাকলৈ ভয় কৰিছিল। সেয়ে তেওঁলোকে তেওঁক বধ
কৰিবৰ বাবে অন্য কোনো গোপন উপায় বিচাৰিব ধৰিল।

## যিহুদাৰ ষড়যন্ত্ৰ

*(মথি ২৬:১৪–১৬; মাৰ্ক ১৪:১০–১১)*

৩তেতিয়া যীচুৰ বাৰ জন পাঁচনিৰ মাজৰ এজন যিহুদা
ইস্কাৰীতীয়ৰ অন্তৰত চয়তান সোমাল। ৪তেওঁ কেনেকৈ
যীচুক তেওঁলোকৰ হাতত ধৰাই দিব পাৰে, সেই বিষয়ে
প্ৰধান পুৰোহিত আৰু মন্দিৰৰ সেনাপতি বিলাকৰ ওচৰলৈ
গৈ তেওঁলোকৰ লগত আলোচনা কৰিলে। ৫প্ৰধান
পুৰোহিত সকলে আনন্দিত হৈ তেওঁক এই উদ্দেশ্যে ধন
দিবলৈ সন্মত হল। ৬যিহুদায়ো তেওঁলোকৰ কথাত মান্তি
হৈ তেওঁৰ ওচৰত কোনেও নথকা সময়ত যীচুক ধৰাই
দিবলৈ সুযোগ বিচাৰিলে।

## নিস্তাৰ পৰ্বৰ ভোজ

*(মথি ২৬:১৭–২৫; মাৰ্ক ১৪:১২–২১; যোহন ১৩:২১–৩০)*

৭খমিৰ নোহোৱা পিঠাৰ পৰ্ব্বৰ আৰম্ভ দিনটো আহি পালে।
এইদিনা যিহুদী লোকসকলে মেৰ-ছাগ বলি দিয়ে নিস্তাৰ
পৰ্ব্বৰ ভোজৰ কাৰনে আৰু তাৰ মাংস খায়। ৮সেয়ে যীচুৱে
পিতৰ আৰু যোহনক কলে, “যোৱা আৰু আমাৰ বাবে
নিস্তাৰ পৰ্ব্বৰ ভোজ খাবলৈ যুগুত কৰা।”
৯তেওঁলোকে তেওঁক সুধিলে, “আমি কত যুগুত কৰাটো
আপুনি ইচ্ছা কৰে?”
১০তেওঁ তেওঁলোকক কলে, “তোমালোকে নগৰলৈ
সোমাওঁতে একলহ পানী লৈ অহা ব্যক্তি এজনক লগ
পাবা। তেওঁৰ পাচে পাচে গৈ তেওঁ যিখন ঘৰত সোমাব
তোমালোকে তাতে সোমাবা। ১১আৰু ঘৰৰ গৰাকীক কবা,
‘গুৰুৱে তেওঁৰ শিষ্যসকলৰ সৈতে নিস্তাৰ পৰ্ব্বৰ ভোজ খাব
খোজা আলহী কোঠালিটো আমাক দেখুৱাই দিব কৈছে?’
১২তেতিয়া গৰাকীয়ে ওপৰৰ ডাঙৰ কোঠালি এটা সজাই
পৰাই থোৱা তোমালোকক দেখুৱাই দিব, তাতে ভোজ
যুগুত কৰাগৈ।”
১৩পিতৰ আৰু যোহনে গৈ সেইদৰেই পালে যি দৰে
যীচুৱে তেওঁলোকক কৈছিল। আৰু তেওঁলোকে তাতেই
নিস্তাৰ পৰ্বৰ ভোজ যুগুত কৰিলে।

## প্ৰভুৰ ভোজ

*(মথি ২৬:২৬–৩০; মাৰ্ক ১৪:২২–২৬; ১ কৰি: ১১:২৩–২৫)*

১৪এইটো নিস্তাৰপৰ্ব্বৰ ভোজৰ সময় আছিল। যীচু আৰু
তেওঁৰ বাৰ গৰাকী পাঁচনিৰে সৈত্যে আহাৰৰ মেজত
আঁউজি আসন গ্ৰহন কৰিলে। ১৫যীচুৱে তেওঁলোকক কলে,
“মই মৃত্যুলৈ দুখ-ভোগ কৰাৰ আগেয়ে তোমালোকৰ লগত
মোৰ নিস্তাৰ পৰ্ব্বৰ ভোজ খাবলৈ বহুত ইচ্ছা আছিল।
১৬কিয়নো মই তোমালোকক কৈছোঁ ঈশ্বৰৰ ৰাজ্যত সিদ্ধ
নোহোৱালৈকে মই পুনৰ আৰু কেতিয়াও এই ভোজ
নাখাওঁ।”
১৭তেতিয়া যীচুৱে পানপাত্ৰ লৈ ঈশ্বৰক ধন্যবাদ দি কলে,
“লোৱা আৰু ইয়াক প্ৰত্যেকেই ভগাই খোৱা। ১৮কিয়নো মই
তোমালোকক কৈছোঁ যে ঈশ্বৰৰ ৰাজ্য নহালৈকে এতিয়াৰ
পৰা মই পুনৰ আৰু কেতিয়াও দ্ৰাক্ষাৰস পান নকৰো।”
১৯তেতিয়া তেওঁ পিঠালৈ ঈশ্বৰক ধন্যবাদ দি ঢুকুৰা কৰি
তেওঁলোকক দি কলে, “তোমালোকৰ নিমিতে দান কৰা
এইয়া মোৰ শৰীৰ। মোক সোঁৱৰিব অৰ্থে ইয়াক খোৱা।”
২০ভোজনৰ পাছত তেওঁ পানপাত্ৰক লৈ কলে, “এই
পানপাত্ৰ হৈছে ঈশ্বৰ আৰু তেওঁৰ মানুহৰ মাজত হোৱা
নতুন নিয়ম। যেতিয়া মোৰ তেজ তোমালোকৰ নিমিত্তে
বাকি দিয়া হ’ব তেতিয়াই এই নতুন নিয়ম আৰম্ভ হ’ব।”[a]

## যীচুৰ বিৰুদ্ধী কোনে থিয় হব

২১যীচুৱে কলে, “চোৱা মোক শত্‌ৰুৰ হাতত শোধাই
দিওঁতাজনৰ হাত এইখন মেজৰ ওপৰতে আছে। ২২ঈশ্বৰে
নিশ্চিত কৰাৰ দৰে মানৱপুত্ৰৰ মৃত্যু হবই; কিন্তু যি জনে
মোক বধ কৰিবলৈ লোকক সহায় কৰি শোধাই দিব তেওঁ
সন্তাপৰ পাত্ৰ!
২৩তেতিয়া তেওঁলোকৰ মাজৰ কোনে এই কৰ্ম্ম কৰিব?
তেওঁলোকে পৰস্পৰে সুধা-পোছা কৰিবলৈ ধৰিলে।

[a] **২২:২০** কিছুমান গ্ৰীক লিপিত যীচু শব্দটো নাই। ১৯ পদৰ
শেষত আৰু ২০ পদৰ গোটেই অংশত।

### দাসৰ স্বৰূপ হোৱা

২৪পাছত পাঁচনি সকলে তেওঁবিলাকৰ মাজত কোনজন
শ্ৰেষ্ঠ বুলি কোৱা হব এই বিষয়ৰ ওপৰত তৰ্ক-বিতৰ্ক হবলৈ
ধৰিলে। ২৫কিন্তু যীচুৱে তেওঁলোকক কলে, "জগতৰ
ৰজা বিলাকেহে প্ৰজাৰ ওপৰত তেওঁলোকৰ শাসন চলায়
আৰু শাসনকৰ্তা সকলে মানুহবোৰৰ পৰা প্ৰশংসা পাব
বিচাৰে। কাৰণ তেওঁলোকে মানুহবিলাকে তেওঁলোকক
মহাম সহয়কৰ্ত্তা বুলি কোৱাটো বিচাৰে। ২৬কিন্তু
তোমালোক তেনে হ'ব নোৱাৰা। যদি তোমালোকৰ মাজৰ
কোনোবাজনে আনে তেওঁক মানি চলাটো বিচাৰে তেওঁ
আটাইতকে সৰু জনৰ দৰে কাম কৰিব লাগিব। যি জনে
আনক চলাব বিচাৰে তেওঁ সেৱা শুশ্ৰূষা কৰা জনৰ দৰে
হ'ব লাগিব। ২৭কিয়নো কোন শ্ৰেষ্ঠ: যি জন মেজত বহি
শুশ্ৰূষা পাবলৈ থকা জন নে, শুশ্ৰূষা কৰা জন?শুশ্ৰূষা
পাবলৈ মেজত বহাজনেই নিশ্চয় কিন্তু মই তোমালোকৰ
মাজত শুশ্ৰূষা কৰা জনৰ দৰে আছো।
২৮"তোমালোকে মোক মোৰ সকলো পৰীক্ষাৰ সময়ত
লগ দিছা। ২৯মোৰ পিতৃয়ে মোক দিয়া ৰাজ্যত মোৰে
সৈত্যে শাসন কৰিবলৈ তোমালোকক অধিকাৰ দিলো।
৩০যিহেতু সেই ৰাজ্যত আমি ভোজন কৰি আনন্দ কৰিম।
তোমালোক ন্যায়ৰ সিংহাসনত বহিবা তোমালোকে
ইস্ৰায়েলৰ বাৰটা ফৈদৰ বিচাৰ কৰিবা।"[a]

### পিতৰৰ পৰীক্ষা

*(মথি ২৬:৩১–৩৫; মাৰ্ক ১৪:২৭–৩১; যোহন ১৩:৩৬–৩৮)*

৩১"চিমোন, চিমোন![b] শুনা তোমাক চয়তানে ঘেহুঁৰ
দৰে জাৰি মোৰ পৰা পৃথক কৰিব বিচাৰিছে। ৩২কিন্তু মই
তোমালোকৰ বাবে প্ৰাৰ্থনা কৰিছোঁ যাতে তোমাৰ বিশ্বাস
স্থিৰে থাকে আৰু তুমি যেতিয়া ঘূৰি আহিবা তোমাৰ ভাই
বিলাককো বলৱান কৰিবা।"
৩৩কিন্তু পিতৰে যীচুক কলে, "প্ৰভু মই আপোনাৰ লগত
কাৰাগাৰলৈ যাবলৈ আৰু মৰিবলৈও প্ৰস্তুত আছোঁ।"
৩৪কিন্তু যীচুৱে কলে, "পিতৰ মই তোমাক কৈছোঁ তুমি
যে মোক চিনি নোপোৱা সেয়া ৰাতিপুৱা কুকুৰাই ডাক
দিয়াৰ আগতেই তিনিবাৰ অস্বীকাৰ কৰিবা।"

### যাতনা ভূগিবলৈ সাজু থাকা

৩৫তেতিয়া যীচুৱে নিজৰ পাঁচনি বিলাকক কলে, "যেতিয়া
মই ধনৰ মোনা, জোলোঙা বা পাদুকা আদি নোহোৱাকৈ
পঠিয়াইছিলো তেতিয়া তোমালোকৰ কিবা নাটনি হৈছিলনে?"
তেওঁলোকে কলে, "একোৰেই নাটনি হোৱা নাছিল।"
৩৬যীচুৱে তেওঁলোকক কলে, "কিন্তু এতিয়া যাৰ লগত
পইচাৰ মোনা আছে তেওঁ তাক লওঁক আৰু জোলোঙাও
লৈ লওঁক। আৰু যাৰ ওচৰত তৰোৱাল নাই তেওঁ নিজৰ
কোট চোলা বেছি এখন তৰোৱাল কিনি লওঁক। ৩৭শাস্ত্ৰত
কোৱা হৈছে,

'তেওঁ অপৰাধীৰ শাৰীত পৰিল।' *যিচয়া ৫৩:১২*

যি বাক্য শাস্ত্ৰত লিখা আছে সেয়া সিদ্ধ হব। কাৰণ মোৰ
বিষয়ে লিখা সকলো পূৰ্ণ হৈ আহিছে।"
৩৮তেওঁৰ শিষ্যসকলে কলে, "প্ৰভু, প্ৰভু! ইয়াত দুখন
তৰোৱাল আছে।"
যীচুৱে কলে, "সেয়া যথেষ্ট, তেনেকৈ কথা আৰু
নকবা।"[c]

### যীচুৰ প্ৰাৰ্থনা

*(মথি ২৬:৩৬–৪৬; মাৰ্ক ১৪:৩২–৪২)*

৩৯–৪০যীচুৱে সচৰাচৰ যোৱাৰ দৰে নগৰৰ পৰা ওলাই
জৈতুন পৰ্ব্বতলৈ গল। তেওঁৰ পিচে পিচে তেওঁৰ শিষ্য
সকলো গল। তেওঁ নিজৰ শিষ্য সকলক কলে, "পৰীক্ষাত
যাতে সৰল হোৱা তাৰ নিমিত্তে প্ৰাৰ্থনা কৰা।"
৪১তেতিয়া তেওঁ তেওঁলোকৰ পৰা পঞ্চাছ গজমান
আতঁৰি গৈ, আঠু কাঢ়ি প্ৰাৰ্থনা কৰিলে। ৪২হে পৰম পিতৃ যদি
আপোনাৰ ইচ্ছা হয় তেন্তে এই যাতনাৰ পানপাত্ৰ[d] মোৰ পৰা
দূৰ কৰক তথাপিও মোৰ ইচ্ছা নহয় আপোনাৰ ইচ্ছাই পূৰ্ণ
হওক।" ৪৩তেতিয়া এজন স্বৰ্গদূতে দৃশ্যমান হৈ তেওঁ যাতে
শক্তিশালী হয় তাৰ বাবে উৎসাহিত কৰিব ললে। ৪৪পাছে তেওঁ
অতি দুখত ভাগি পৰিছিল আৰু কাতৰ ভাৱে প্ৰাৰ্থনা কৰিবলৈ
ধৰিলে। তেওঁৰ গাৰ ঘাম, তেজৰ টোপালৰ দৰে মুৰৰ পৰা
বৈ মাটিত পৰি আছিল।[e] ৪৫তেওঁ প্ৰাৰ্থনা কৰি উঠি নিজৰ
শিষ্য সকলৰ ওচৰলৈ আহিল তেওঁলোকক টোপনি যোৱা
দেখিলে যিহেতু তেওঁলোক দুখত ক্লান্ত হৈছিল। ৪৬তেওঁ
তেওঁলোকক কলে, "তোমালোকে কিয় শুই আছা? উঠা
আৰু শক্তিৰ বাবে প্ৰাৰ্থনা কৰা যাতে পৰীক্ষাত সফল হোৱা।"

### যীচুক বন্দী কৰা

*(মথি ২৬:৪৭–৫৬; মাৰ্ক ১৪:৪৩–৫০; যোহন ১৮:৩–১১)*

৪৭তেওঁ কৈ থাকোঁতেই এদল মানুহ আহিল। তেওঁলোকক
যিহুদা নামৰ ব্যক্তি এজনে নেতৃত্ব দিছিল যি বাৰজন শিষ্যৰ
মাজৰ এজন আছিল। তেওঁ চুমা খাবলৈ যীচুক ওচৰলৈ
আহিল।

[a] **২২:৩০ তোমালোকে... কৰিবা** যীচুৰ সময়ত বাৰটা ফৈদৰ প্ৰায়বিলাক যেনি তেনি হেৰাই আছিল। যীচুৱে জনাইছে যে যেতিয়া ঈশ্বৰে মৃতবিলাকৰ তুলিব। তেওঁ ইস্ৰায়েল গৌৰব পুনৰুদ্ধাৰ কৰিব আৰু পাঁচনিবিলাক আৰু দুৰ্বলী আৰু দৰিদ্ৰ হৈ নাথাকিব।

[b] **২২:৩১ চিমোন** চিমোনৰ আন এটা নাম আছিল পিতৰ।

[c] **২২:৩৮ তেনেকৈ... কথা নকবা** আক্ষৰিকভাৱে সেয়ে যথেষ্ট।

[d] **২২:৪২ পানপাত্ৰ** যাতনাৰ প্ৰতীক যীচুৱে পান কৰা ধাৰনাটো ব্যৱহাৰ কৰি যাতনা বা দুখভোগ গ্ৰহনৰ অৰ্থ বুজাইছে, যিটো ভয়ংকৰ ধৰনৰ ঘটনাৰ সন্মুখীন হব আগলৈ।

[e] **২২:88** কিছুমান গ্ৰীক লিপিত ৪৩ আৰু ৪৪ পদবিলাক নাই।

[৪৮]কিন্তু যীচুৱে তেওঁক কলে, “হে যিহুদা মানৱ পুত্ৰক
তেওঁৰ শত্ৰু বিলাকৰ দ্বাৰা বন্দী হোৱাটো বিচাৰা। মোক
শোধাই দিবলৈ বন্ধুত্বৰ চুমা ব্যৱহাৰ কৰিছানে?” [৪৯]এই
সকলো ঘটনা দেখি তেওঁৰ আশে পাশে থকা শিষ্যসমূহে
কলে, “হে প্ৰভু আমি তৰোৱালেৰে আঘাত কৰিমনে?”
[৫০]আৰু তেওঁলোকৰ এজনে মহাপুৰেহিতৰ দাসক ঘাপ
মাৰি তেওঁৰ সোঁ-কাণ খন কাটি পেলালে।
[৫১]কিন্তু যীচুৱে তৎক্ষণাত কলে, “ৰই যোৱা।” আৰু
যীচুৱে দাসজনৰ কাণখন চুই সুস্থ কৰিলে।
[৫২]যীচুৱে তেওঁৰ বিৰুদ্ধে অহা দলটিৰ মহাপুৰোহিত
মন্দিৰৰ চন্তৰী বিষয়া আৰু বৃদ্ধ যিহুদী নেতা সকলক
কলে, “তোমালোকে তৰোৱাল, লাঠি লৈ কিয় আহিছা।
মই অপৰাধী নেকি? [৫৩]মই মন্দিৰত সদায় তোমালোকৰ
লগতে আছিলোঁ। কিয় তোমালোকে মোক তাত বন্দী
নকৰিলা। কিন্তু এয়া তোমালোকৰ সময় আৰু এতিয়া
অন্ধকাৰৰ ৰাজত্ব।”

## যীচুক স্বীকাৰ কৰিবলৈ পিতৰৰ ভয়
*(মথি ২৬:৫৭–৫৮, ৬৯–৭৫; মাৰ্ক ১৪:৫৩–৫৪, ৬৬–৭২; যোহন ১৮:১২–১৮, ২৫–২৭)*

[৫৪]তেওঁলোকে যীচুক বন্দী কৰি মহাপুৰোহিতৰ ঘৰলৈ লৈ
গল। পিতৰে অলপ দূৰত থাকি তেওঁলোকৰ পিছে পিছে
আহি আছিল। [৫৫]কিছুলোকে চোতাঁলৰ মাজত জুই জলাই
একেলগে তলত বহিলে। পিতৰেও তেওঁলোকৰ সৈতে
বহি জুই পুৱাব ধৰিলে। [৫৬]জুইৰ পোহৰত এজনী দাসীয়ে
তেওঁক তাত বহি থকা দেখিলে। তেওঁ পিতৰৰ মুখলৈ
ভালকৈ চাই কলে, “এই মানুজনো তেওঁৰ লগত আছিল।
[৫৭]কিন্তু পিতৰে তাইৰ কথা অস্বীকাৰ কৰি কলে, “হে
নাৰী মই তেওঁক নাজানো।” [৫৮]অলপ সময়ৰ পাছত আন
কোনোৱা এজন ব্যক্তিয়ে তেওঁলৈ চাই কলে, “তুমিও
তেওঁলোকৰ মাজৰে এজন।”
কিন্তু পিতৰে কলে, “হে ভাই মই সেইজন নহওঁ।”
[৫৯]প্ৰায় এঘন্টামানৰ পাছত আন এজন মানুহে দৃঢ় ভাৱে
কলে, “এইটো সঁচা এই মানুজনৰ তেওঁৰ লগত আছিলা।
যিহেতু তেওঁ গালীলীয়া।
[৬০]কিন্তু পিতৰে কলে, “হেৰা মই নাজানো তুমি কাৰ
বিষয়ে কথা কৈ আছা।”
পিতৰে কথা কৈ থাকোতেই কুকুৰাই ডাক দিলে।
[৬১]তেতিয়া প্ৰভুৱে মূখ ঘূৰাই পিতৰলৈ চোৱাত, তেতিয়া
পিতৰৰ প্ৰভুৱে কোৱা কথা মনত পৰিল, তেওঁ তেওঁক
কৈছিল, “আজি নিশা কুকুৰাই ডাক নিদিয়াৰ আগতে
তুমি মোক তিনিবাৰ অস্বীকাৰ কৰিবা।” [৬২]তেতিয়া তেওঁ
বাহিৰলৈ গল আৰু বৰ শোক কৰি কান্দিবলৈ ধৰিলে।

## চিপাহী সকলে যীচুক বেয়া ব্যৱহাৰ কৰা
*(মথি ২৬:৬৭–৬৮; মাৰ্ক ১৪:৬৫)*

[৬৩]যি বিলাক মানুহে যীচুক পহৰা দি আছিল তেওঁলোকে
তেওঁক বিদ্ৰূপ কৰি কোবাবলৈ ধৰিলে। [৬৪]তেওঁলোকে
তেওঁৰ চকুত পাটি বান্ধি দি তেওঁক সুধিবলৈ ধৰিলে, “তুমি
এজন ভাৱবাদী নহয়নে? কোৱা তোমাক মৰাজন কোন?”
[৬৫]তেওঁলোকে তেওঁক অপমান কৰিবলৈ বহুত ধৰণৰ কথা
কলে।

## যিহূদী নেতাসকলৰ সম্মুখত যীচু
*(মথি ২৬:৫৯–৬৬; মাৰ্ক ১৪:৫৫–৬৪; যোহন ১৮:১৯–২৪)*

[৬৬]পাছদিনা ৰাতিপুৱা মহাপুৰোহিত, বিধান-পণ্ডিত আৰু বৃদ্ধ
সকলে সকলোৱে একলগ হৈ এখন সভা পাতিল, তেতিয়া
তেওঁলোকে যীচুক তেওঁলোকৰ সেই মহা-সভালৈ লৈ
গল। [৬৭]তেওঁলোকে তেওঁক সুধিলে, “আমাক কোৱা
তুমিয়েই খ্ৰীষ্টনে?”
যীচুৱে তেওঁলোকক কলে, “মই যদি তোমালোকক কওঁ
মইযে খ্ৰীষ্ট তোমালোকে মোক বিশ্বাস নকৰিবা। [৬৮]আৰু
যদি মই তোমালোকক কোনো প্ৰশ্ন সোধো তোমালোকে
উত্তৰ নিদিবা।[a] [৬৯]কিন্তু এতিয়াৰ পৰা মানৱ পুত্ৰই
সৰ্বশক্তিমান ঈশ্বৰৰ সোঁ ফালে বহিব।”
[৭০]তেওঁলোকে সুধিলে, “তেনেহলে তুমিয়েই ঈশ্বৰৰ পুত্ৰ
নেকি?” তেওঁ কলে, “মই হওঁ বুলি তোমালোকে নিজেই
কৈছা।”
[৭১]তেওঁলোকে কলে, “এতিয়া আমাক আন প্ৰমাণৰ কি
প্ৰয়োজন আছে? আমি নিজেই তেওঁৰ মূখৰ পৰা এইটো
শুনিলো।”

## পীলাতে যীচুক প্ৰশ্ন কৰা
*(মথি ২৭:১–২, ১১–১৪; মাৰ্ক ১৫:১–৫; যোহন ১৮:২৮–৩৮)*

২৩ [১]তেতিয়া তেওঁলোকৰ সমূহ সমাজে
উঠি, যীচুক পীলাতৰ ওচৰলৈ লৈ গল।
[২]তেওঁলোকে তেওঁক অভিযোগ কৰিব ললে। তেওঁলোকে
তেওঁক কলে, “আমি এই মানুহজনক লোকসমূহক
চৰকাৰক নামানিবলৈ উচটনি দিওঁতে ধৰিছোঁ। তেওঁ
কৈচৰক কৰ দিবলৈ মানা কৰিছে আৰু নিজকে মই খ্ৰীষ্ট
এজন ৰজা বুলি কৈ ফুৰিছে।”
[৩]পীলাতে যীচুক সুধিলে, “তুমি যিহুদী বিলাকৰ্ ৰজানে
কি?”
যীচুৱে উত্তৰ দিলে, “আপুনিয়েই নিজেই সেইদৰে
কৈছে।”
[৪]পীলাতে মহাপুৰোহিত আৰু লোকসমূহক কলে, “মই
এইজন ব্যক্তিক দোষী সাব্যস্থ কৰিবলৈ কোনো কাৰণ
বিচাৰি নাপাওঁ।”
[৫]কিন্তু তেওঁলোকে জোৰেৰে এইবুলি কবলৈ ধৰিলে
যে, “এই জনে গোটেই যিহুদীয়াৰ মানুহ বিলাকক নিজৰ
শিক্ষাৰে চৰকাৰ বিৰুদ্ধে উচতাইছে। তেওঁ গালীলত আৰম্ভ
কৰিছিল আৰু এতিয়া ইয়ালৈকে আহিছে।”

[a] **২২:৬৮ আৰু … উত্তৰ নিদিবা** অৰ্থ এই ন্যায় বিচাৰ নহয়।

### পীলাতে যীচুক হেৰোদৰ ওচৰলৈ পঠিওৱা

৬এই কথা শুনি পীলাতে সুধিলে, "এওঁ গালীলীয়া মানুহ
নেকি?" ৭পীলাতে যেতিয়া জানিলে যে যীচু হেৰোদে শাসন
কৰা এলেকাৰ হয় তেতিয়া তেওঁ তেওঁক হোৰোদৰ ওচৰত
পঠিয়াই দিলে। কাৰণ হেৰোদ সেই সময়ত জেৰুচালেমতে
আছিল।
৮যেতিয়া হেৰোদে যীচুক দেখা পালে, তেওঁ বৰ
আনন্দিত হল, কাৰণ তেওঁৰ বিষয়ে তেওঁ বহুত দিনৰে
পৰা শুনিছিল আৰু তেওঁক দেখা পাবলৈ হাবিয়াহ কৰিছিল।
আৰু তেওঁ কৰা আচৰিত কৰ্ম্ম দেখা পাবলৈ আশা কৰিছিল।
৯হেৰোদে তেওঁক অনেক প্ৰশ্ন কৰিলে, কিন্তু যীচুৱে একো
উত্তৰ নিদিলে। ১০প্ৰধান পুৰোহিত আৰু বিধান পণ্ডিত
সকলে তাত থিয় হৈ যীচুৰ বিৰুদ্ধে চিঞৰি অনেক অপবাদ
দিবলৈ ধৰিলে। ১১হেৰোদেও সেনাবিলাকৰে সৈতে যীচুক
বিদ্ৰূপ কৰি ঠাট্টা কৰিলে। আৰু তেওঁক ৰাজবস্ত্ৰ পিন্ধাই
পুনৰ পীলাতৰ ওচৰলৈ পঠিয়াই দিলে। ১২আগতে হেৰোদ
আৰু পিলাতৰ মাজত শত্ৰু ভাৱ আছিল কিন্তু সেই দিনাৰ
পৰা তেওঁলোক পৰস্পৰ বন্ধু হল।।

### পীলাতৰ যীচুক মুক্তি দিয়াৰ চেষ্টা

*(মথি ২৭:১৫–২৬; মাৰ্ক ১৫:৬–১৫; যোহন ১৮:৩৯–১৯:১৬)*

১৩পীলাতে মহাপুৰোহিত আন নেতা আৰু লোক
সমূহক একেলগে মাতিলে। ১৪তেওঁ তেওঁলোকক কলে,
"তোমালোকে ইয়াক মানুবিলাকক বিপথগামী কৰা ব্যক্তি
হিচাপে মোৰ ওচৰলৈ আনিছা। আৰু মই তোমালোকৰ
সন্মূখতে ইয়াক সোধ-পোছ কৰি তোমালোকে যি
অভিযোগ কৰিছা তাৰ বাবে দোষী বুলি একো প্ৰমাণ
নাপালো। ১৫হেৰোদেও নাপালে আৰু সেইকাৰনে পুনৰাই
তেওঁক আমাৰ ওচৰলৈ পঠিয়াই দিলে। তেওঁ প্ৰাণদণ্ডৰ
যোগ্য এনে একো কাম কৰা নাই সেইটো স্পষ্ট। ১৬সেয়ে
মই তেওঁক চাবোকেৰে কোবাই মুকলি হৈ যাবলৈ এৰি
দিম।" ১৭[a]
১৮কিন্তু তেওঁলোকে একেলগে চিঞঁৰি কলে, "এই
মানুহজনক মৃত্যুদণ্ড দিয়ক আৰু আমাৰ বাবে বাৰাব্বাক
এৰি দিয়ক।" ১৯(বাৰাব্বাক নগৰত মাৰ-পিট আৰু হত্যা
কৰাৰ অপৰাধত কাৰাগাৰত থোৱা হৈছিল।)
২০পীলাতে যীচুক এৰি দিবলৈ বিচাৰিছিল সেয়ে তেওঁ
পুনৰ বুজালে। ২১তথাপিও তেওঁলোকে একেস্বৰে চিঞৰি
থাকিল, "ইয়াক ক্ৰুচত দিয়ক, ইয়াক ক্ৰুচত দিয়ক।"
২২পীলাতে তৃতীয় বাৰ সুধিলে, "কিন্তু এই ব্যক্তি জনে
কিনো অপৰাধ কৰিছে? মই এওঁক মৃত্যুদণ্ড দিবলৈ এওঁৰ
বিৰুদ্ধে একো কাৰণ বিচাৰি পোৱা নাই। সেয়ে মই এওঁক
চাবোকেৰে কোবোৱাই এৰি দিওঁ।"
২৩কিন্তু তেওঁলোকে উচ্চ স্বৰে চিঞৰি চিঞৰি তেওঁক
ক্ৰুচত দিয়ক বুলি দাবী কৰি আছিল। তেওঁলোকৰ চিঞৰৰ
বাখৰ ইমানেই বাঢ়িছিল যে ২৪পীলাতে তেওঁলোকৰ দাবী
মানি লবলৈ বাধ্য হল। ২৫তেওঁলোকে দাবী কৰা মতে
পীলাতে বাৰৰ্ব্বাক এৰি দিলে যি জনক মাৰ পিট, হত্যাৰ
অপৰাধত কাৰাগাৰত থোৱা হৈছিল। আৰু তেওঁ যীচুক
মৃত্যুদণ্ডৰ কাৰনে শোধাই দিলে। এয়াই মানুহবিলাকে
বিচাৰিছিল।

### যীচুক ক্ৰুচত দিয়া

*(মথি ২৭:৩২–৪৪; মাৰ্ক ১৫:২১–৩১; যোহন ১৯:১৭–১৯)*

২৬যেতিয়া সৈনিক সকলে যীচুক লৈ গৈ থাকোঁতে পথাৰৰ
পৰা ঘৰৰ অভিমূখে আহি থকা চিমোন নামৰ এজন ব্যক্তিক
পালে। তেওঁ আচলতে কুৰিনিয়ৰ আছিল গাঁৱৰ পৰা আহি
আছিল। তেওঁক ধৰি তেওঁৰ কান্ধত ক্ৰুচ তুলি দি যীচুৰ
পিছে পিছে যাবলৈ বাধ্য কৰালে।
২৭এক ডাঙৰ জুম তেওঁৰ পিছে পিছে গৈ আছিল,
তেওঁলোকৰ ভিতৰত তিৰোতাও আছিল যি বিলাকে
ক্ৰন্দন আৰু শোক কৰি আছিল। ২৮যীচুৱে তেওঁলোকৰ
ফালে মূখ ঘূৰাই কলে, "হে জেৰুচালেমৰ জীয়াৰি সকল
মোৰ কাৰণে নাকান্দিবা, কিন্তু তোমালোকৰ নিজৰ
বাবে আৰু তোমালোকৰ সন্তান বিলাকৰ কাৰণে কান্দা।
২৯কিয়নো এনে দিন আহি আছে যিদিনা লোক সমূহে
কব, সেই তিৰোতা বিলাক ধন্য যিবিলাক বন্ধ্যা আৰু সেই
তিৰোতাবিলাক ধন্য যিবিলাকৰ কেচুঁৱা নাই।" ৩০তেতিয়া
মানুহবিলাকে পৰ্ব্বতবোৰক কব 'আমাৰ ওপৰত পৰা,' আৰু
পাহাৰ বোৰক কব 'আমাক ঢাকি ৰাখা।'[b] ৩১কিয়নো যদি
তেওঁলোকে এজন নিৰ্দোষী মানুহক ক্ৰুচত দি মাৰিব পাৰে
তেনেহলে প্ৰকৃত দোষীজনৰ অৱস্থা কি হব পাৰে?"[c]
৩২তাত দুজন অপৰাধীও আছিল, যাক তেওঁৰ লগতে
মৃত্যু দণ্ড দিবৰ বাবে লৈ গৈ আছিল, ৩৩যেতিয়া তেওঁলোক
"মূৰৰ লাওখোলা" বোলা ঠাইত পালে, তেওঁলোকে যীচুক
সেই ঠাইতে ক্ৰুচত দিলে, আৰু সেই দুজন অপৰাধীকো
এজনক যীচুৰ সোঁ-ফালে আৰু আনজনক বাওঁফালে ক্ৰুচত
দিলে।
৩৪যীচুৱে কলে, "হে পিতৃ এওঁলোকক ক্ষমা কৰা কিয়নো
এওঁলোকে কি কৰিছে[d] তাক নাজানে।"
সৈন্যসকলে চিঠি খেলি তেওঁৰ বস্ত্ৰ তেওঁলোকৰ মাজত
ভগাই ললে। ৩৫তাত মানুহ বিলাকে থিয় হৈ সকলো চাই
আছিল। যিহুদী নেতা সকলে তেওঁক উপহাস কৰি কলে,
"সি যদি ঈশ্বৰৰ মনোনীত খ্ৰীষ্ট হয় তেনেহলে সি নিজকে
ৰক্ষা কৰক। তেওঁ আনক ৰক্ষা কৰা নাছিলনে?"

[a] **২৩:১৭** কিছু গ্ৰীক লিপিত ১৭ পদটো যোগ কৰা হৈছে "প্ৰত্যেক বছৰে নিস্তাৰ পৰ্ব্বৰ সময়ত পিলাতে লোকসমূহৰ কাৰনে এজন বন্দীক মুকলি কৰি দিছিল।

[b] **২৩:৩০** উদ্ধৃত হোচেয়া ১০:৮

[c] **২৩:৩১ তেনেহলে … হব** আক্ষৰিকভাবে "গছ সেইজীয়া থাকোতেই তেওঁলোকে যদি এইবোৰ কাৰ্য্যকৰে তেন্তে শুকান গছত কি ঘটিব পাৰে।

[d] **২৩:৩৪** যীচুৱে কলে ··· কৰিছে কিছুমান প্ৰাচীন লিপিত লূক পুস্তকৰ এই বাক্যবিলাক নাই।

৩৬সৈনিক বিলাকেও তেওঁক উপহাস কৰিলে, আৰু
তেওঁলোকে দ্ৰাক্ষাৰস মিহলোৱা চিৰিকা পান কৰিবলৈ
দিলে, ৩৭আৰু কলে, "যদি তুমি যিহুদী বিলাকৰ ৰজা হোৱা
তেন্তে নিজকে ৰক্ষা কৰা।" ৩৮(এওঁ "যিহুদী বিলাকৰ ৰজা"
এই বুলি এখন জাননী পত্ৰ ক্ৰুচৰ ওপৰত আঁৰি থোৱা
আছিল।)

৩৯তেতিয়া ক্ৰুচত ওলমি থকা অপৰাধীৰ এজনে তেওঁক
নিন্দা কৰি কলে, "তুমি খ্ৰীষ্ট নোহোৱানে? তুমি নিজকে
আৰু আমাকো ৰক্ষা কৰা।"

৪০কিন্তু আনজনে সিজনক ডাবি দি কলে, "তুমি ঈশ্বৰলৈ
ভয় নকৰানে? আমাৰ সকলোৰে খুব সোনকালেই মৃত্যু
হ'ব। আমি দুয়োজনেই দোষী আৰু ৪১আমি কৰা কৰ্ম বোৰৰ
বাবে উচিত দণ্ড পাইছো কিন্তু এইজন ব্যক্তিয়ে একো দোষ
কৰা নাই।" ৪২তেতিয়া তেওঁ কলে, "যীচু আপুনি যেতিয়া
ৰজা হিচাবে শাসন কৰিব মোকো সুঁৱৰিব।"

৪৩যীচুৱে তেওঁক কলে, "মই তোমাক সঁচাকৈ কৈছোঁ,
আজিয়েই তুমি মোৰ লগত পৰমদেশত মোৰ সঙ্গী হবা।"

### যীচুৰ মৃত্যু

*(মথি ২৭:৪৫–৫৬; মাৰ্ক ১৫:৩৩–৪১; যোহন ১৯:২৮–৩০)*

৪৪সেই সময়ত প্ৰায় বাৰ বজাৰ পৰা তিনি বজালৈকে
পৃথিৱীত অন্ধকাৰে ঢাকি ধৰিলে, ৪৫যিহেতু সূৰ্য্যও পোহৰ
নিদিয়া হল। মন্দিৰৰ আঁৰ কাপোৰ ফাটি দুছিটা হল।
৪৬যীচুৱে বৰ মাতেৰে চিঞঁৰি ক'লে, "হে পিতৃ মোৰ আত্মা
তোমাৰ হাতত সৰ্মপন কৰিছোঁ"[a] এই বুলি কৈ তেওঁ প্ৰাণ
ত্যাগ কৰিলে।

৪৭যি যি ঘটিল এই সকলো ঘটনা সেনাপতিয়ে দেখি
ঈশ্বৰৰ প্ৰশংসা কৰি কলে, "মই জানো বাস্তৱিকতে এইজন
ধাৰ্মিক ব্যক্তি আছিল।"

৪৮সেই সময়ত এই দৃশ্য চাবলৈ অহা সকলো মানুহে এই
ঘটনাবোৰ দেখি শোকতে হিয়া ভূকুৱাই ভূকুৱাই উভতি
গল। ৪৯গালীলৰ পৰা তেওঁৰ লগত অহা তিৰোতা আৰু
তেওঁৰ ওচৰৰ বন্ধু সকলোৱে দূৰৈৰ পৰা এই সকলো বোৰ
ঘটনা চাই আছিল।

### যীচুক মৈদাম দিয়া

*(মথি ২৭:৫৭–৬১; মাৰ্ক ১৫:৪২–৪৭; যোহন ১৯:৩৮–৪২)*

৫০–৫১যোচেফ নামৰ এজন ভদ্ৰ মানুহ আছিল। তেওঁ
আৰিমথিয়া নগৰৰ আছিল। তেওঁ যিহুদী মহাসভাৰ এজন
সদস্যও আছিল। তেওঁ এজন ধাৰ্মিক ব্যক্তি আছিল। যিজন
ঈশ্বৰে বিচৰাদৰে জীৱনযাপন কৰিছিল আৰু ঈশ্বৰৰ ৰাজ্যৰ
অপেক্ষাত আছিল, ৫২তেওঁ পীলাতৰ ওচৰলৈ গৈ যীচুৰ
মৃতদেহটো বিচৰিলে। ৫৩তেওঁ যীচুৰ মৃত দেহটো ক্ৰুচৰ
পৰা নমাই আনি শন সুতাৰ মিহি কপোৰেৰে মেৰিয়াই কাকো
আগতে নথোৱা নতুনকৈ শিলত কটা এটা মৈদামত ভৰাই
থলে। ৫৪সেই দিনা শুক্ৰ বাৰ আছিল আৰু বিশ্ৰাম বাৰ প্ৰায়
আৰম্ভ হোৱাৰ সময়[b] হৈছিল।

৫৫গালীলৰ পৰা যীচুৰ লগত অহা তিৰোতা সকলে
যোচেফৰ লগত গৈ মৈদামটো আৰু তেওঁৰ মৃত দেহটো
কেনেকৈ থোৱা হৈছিল চালে। ৫৬তাৰ পাছত তেওঁলোকে
আহি মৃতদেহত লগাবৰ বাবে সুগন্ধি দ্ৰব্য আৰু তেল যুগুত
কৰিবলৈ ঘৰলৈ ঘূৰি গল। আৰু বিশ্ৰাম বাৰৰ বিধান অনুসৰি
তেওঁলোকে জিৰণী ললে।

### যীচু মৃত্যু পৰা জী উঠাৰ বাতৰি

*(মথি ২৮:১–১০; মাৰ্ক ১৬:১–৮; যোহন ২০:১–১০)*

২৪ ১দেওবাৰে অতি ৰাতিপুৱাতেই যুগুত কৰা সুগন্ধি
দ্ৰব্যখিনি লৈ সেই তিৰোতা সকল মৈদামৰ
ওচৰলৈ গল। ২তেওঁলোকে মৈদামৰ মুখৰ পৰা প্ৰকাণ্ড
শিলচটা বগৰাই থোৱা দেখিবলৈ পালে। ৩সেয়ে তেওঁলোকে
মৈদামৰ ভিতৰলৈ সোমাই গল কিন্তু তেওঁলোকে যীচুৰ
দেহটো বিচাৰি নাপালে। ৪তেওঁলোকে এই বিষয়ে সংশয়
কৰি থাকোঁতেই অকস্মাতে উজ্বল বস্ত্ৰ পৰিধান কৰা দুজন
ব্যক্তি তেওঁলোকৰ সন্মুখত উপস্থিত হল। ৫তিৰোতা
সকলে ভয়তে মাটিলৈ তল মূৰ কৰি আছিল। সেই দুজন
ব্যক্তিয়ে তেওঁলোকক কলে, "তোমালোকে জীৱিত জনাক
মৃত বিলাকৰ মাজত কিয় বিচাৰিছা? ৬তেওঁ ইয়াত নাই
তেওঁ মৃত্যুৰ পৰা জী উঠিল। তেওঁ গালীলত থাকোঁতে
তোমালোকক কি কি কৈছিল সোঁৱৰন কৰা? ৭তেওঁ কৈছিল
যে, মানৱপুত্ৰক পাপী বিলাকৰ হাতত নিশ্চয়কৈ শোধাই
দিয়া হব। তেওঁলোকে নিশ্চয়ে তেওঁক ক্ৰুচত দিব আৰু
তৃতীয় দিনা তেওঁ নিশ্চয়ে মৃত্যুৰ পৰা পুনৰ জী উঠিব।"
৮তেতিয়া তিৰোতা সকলৰ যীচুৰ কোৱা কথা মনত পৰিল।

৯তেওঁলোকে কবৰৰ পৰা উভটি আহি সকলোবোৰ
কথা এঘাৰজন পাঁচনি আৰু বাকী শিষ্যসকলক জনালে।
১০এই তিৰোতা সকল মগ্দলীনী মৰিয়ম, যোহানা আৰু
যাকোবৰ মাক মৰিয়ম আৰু কিছুমান আছিল। তেওঁলোকে
যি ঘটিছিল সেই সকলোখিনি কথা পাঁচনি সকলক জনালে।
১১কিন্তু পাচঁনি সকলে তিৰোতাসকলৰ কথা অৰ্থহীন যেন
ভাবিলে। সেয়ে তেওঁলোকে তিৰোতা বিলাকৰ কথাত
বিশ্বাস নকৰিলে। ১২কিন্তু পিতৰে উঠি থিয়হৈ দৌৰি
মৈদামলৈ গল। তেওঁ চাপৰি চাই যীচুৰ দেহ মেৰিওৱা, শন
সুতাৰ মিহি কাপোৰ কেইখনৰ বাদে আন একো দেখিবলৈ
নাপালে। আৰু যি বোৰ হৈছিল সেই বিষয়ে বিস্ময় মানি
উভতি গল।[c]

### ইম্মায়ুলৈ যোৱাৰ পথত

*(মাৰ্ক ১৬:১২–১৩)*

১৩সেই দিনাই তেওঁৰ দুজন শিষ্যই জেৰুচালেমৰ পৰা প্ৰায়

[a] **২৩:৪৬** উদ্ধৃত গীত ৩১:৫

[b] **২৩:৫৪ আৰম্ভ হোৱাৰ সময়** যিহুদী সকলৰ কাৰনে এটা দিনৰ সূৰ্যাস্ত সময়ৰ পৰা পাচদিনাৰ সূৰ্যাস্ত সময়লৈকে এটা দিন হয়।

[c] **২৪:১২** কিছুমান গ্ৰীক লিপিত এই পদটি নাই।

বাৰ কিলোমিটাৰ দূৰৈৰ ইম্মায়ু নামৰ গাৱঁলৈ গৈ আছিল।
১৪তেওঁলোকে পৰস্পৰে যি বোৰ ঘটনা হৈছিল তাৰ বিষয়ে
আলোচনা কৰি আছিল। ১৫তেওঁলোকে এই কথাবোৰ
আলাপ আলোচনা কৰি যাওঁতেই যীচুৱে নিজেই আহি
উপস্থিত হৈ তেওঁলোকৰ লগে লগে যাবলৈ ললে। ১৬কিন্তু
তেওঁ লোকে তেওঁক চিনি নাপাবলৈ তেওঁলোকৰ দৃষ্টি কৰা
হৈছিল। ১৭যীচুৱে তেওঁলোকক কলে, তোমালোকে কিহৰ
বিষয়ে বাৰ্তালাপ কৰি গৈছা?

দুয়ো আলোচনা বন্ধ কৰিলে আৰু মলিন মনেৰে থিয়
হৈ ৰ'ল। ১৮তেওঁলোকৰ মাজৰ ক্লিয়পা নামৰ ব্যক্তিজনে
তেওঁক কলে, "গত কিছুদিনৰ আগতে যি বোৰ ঘটনা ঘটিল,
জেৰুচালেমত থাকি কেৱল তুমিহে একমাত্ৰ যাত্ৰী নাজানা
হবলা!"

১৯যীচুৱে তেওঁক সুধিলে, "কি ঘটনা?"

তেওঁলোকে কলে, "এইবোৰ সকলো নাচৰতীয়া যীচুৰ
বিষয়ে। তেওঁ ঈশ্বৰ আৰু সকলো মানুহৰ বাবে এজন মহান
ভাৱবাদী আছিল। তেওঁ বহুতো পৰাক্ৰমৰ কাৰ্য্য কৰিলে
আৰু কলে, ২০কিন্তু আমাৰ প্ৰধান পুৰোহিত আৰু শাসনকৰ্তা
সকলে তেওঁক বিচাৰৰ বাবে শোধাই দিলে আৰু মৃত্যুদণ্ডৰ
আদেশ দিলে। আৰু তেওঁক ক্ৰুচত দিলে। ২১আমি
এইজনেই ইস্ৰায়েলৰ উদ্ধাৰ কৰিব বুলি আশা কৰিছিলো!
কিন্তু এইবোৰ ঘটনাহে ঘটিল।"

এতিয়া অন্য বেলেগ এটা ঘটনা ঘটিল। তেওঁ মৃত্যুৰ
আজি তিনিদিন হল। ২২আৰু আজি আমাৰ চুবুৰীৰ
কেইগৰাকী মান তিৰোতাই আমাক এটা আচৰিত ঘটনা
ক'লে। আজি ৰাতিপুৱাই তেওঁলোক যীচুৰ শৰীৰ থোৱা
মৈদামলৈ গৈছিল। ২৩কিন্তু তেওঁলোকে তাত যীচুৰ মৃত
দেহ নাপালে। তেওঁলোকে উভতি আহি আমাক জনালে
যে দুজন স্বৰ্গদূতে তেওঁলোকক দৰ্শন দি তেওঁলোকে কলে,
যে তেওঁ জীৱিত আছে। ২৪আকৌ আমাৰ দলৰে কিছুমানে
মৈদামলৈ গৈ তিৰোতা বিলাকে জনোৱা দৰেই পালে।
তেওঁলোকেও যীচুৰ মৃতদেহ দেখা নাপালে।"

২৫তেতিয়া যীচুৱে সেই দুজনলৈ, "তোমালোকে কেনে
নিৰ্বোধ! আৰু তোমালোক ভোতোহা চিত্তৰ মানুহ।
তোমালোকে ভাৱবাদী সকলে কোৱা কথাবোৰ বিশ্বাস
নকৰিলা। ২৬ভাৱবাদী সকলে কৈছিল যে খ্ৰীষ্ট সকলো
কষ্ট ভোগ কৰিব লাগিব তেওঁৰ গৌৰবত সোমোৱাৰ পূৰ্ব্বে
তেতিয়া তেওঁ ২৭মোচিৰ পৰা আৰম্ভ কৰি সকলো ভাৱবাদী
তেওঁৰ বিষয়ে লিখা আৰু শাস্ত্ৰৰ সকলো কথাৰ বিষয়ে
তেওঁলোকক বিশ্লেষণ কৰি বুজালে।"

২৮তেওঁলোকে যি খন গাঁৱলৈ গৈছিল তাৰ ওচৰ
পাওঁতে যীচুৱে তেওঁলোকক অলপ আগুৱাই যোৱা যেন
দেখুৱালে যেনিৰা তেওঁ সেইখন গাওঁত নাথাকিব। ২৯কিন্তু
তেওঁলোকে তেওঁক তেওঁলোকৰ লগত থাকিবলৈ অনুৰূধ
কৰি কলে, "আমাৰ লগত থাকা এতিয়া প্ৰায় সন্ধ্যা হল,
সেয়ে তেওঁ তেওঁলোকৰ লগত থাকিবলৈ সোমাল।"

৩০যেতিয়া তেওঁলোকৰ লগত ভোজন কৰিবলৈ মেজত
বহিল তেতিয়া তেওঁ ৰুটি লৈ ঈশ্বৰক ধন্যবাদ দিলে আৰু
টুকুৰা কৰি তেওঁলোকক দিলে। ৩১তেতিয়াই তেওঁলোকৰ
চকু মুকলি হল। আৰু তেওঁলোকে তেওঁক চিনি পালে। কিন্তু
তেওঁ তেওঁলোকৰ পৰা অদৃশ্য হল। ৩২তেওঁলোকে পৰস্পৰে
কলে, "বাটত যেতিয়া তেওঁ আমাক শাস্ত্ৰৰ কথা বুজাই আছিল
তেতিয়া আমাৰ অন্তৰৰ হূদয় প্ৰজ্বলিত হোৱা নাছিল জানো?"

৩৩তেতিয়া দুয়োজনে তৎক্ষণাত উঠি জেৰুচালেমলৈ
উভতি গল। তাত আন লোকৰ সৈতে এঘাৰজন পাঁচনিক
একেলগে পালে। ৩৪তেওঁলোকে কৈ আছিল যে,
"বাস্তৱিকতে প্ৰভু উঠিল। তেওঁ চিমোনক দৰ্শন দিলে।"

৩৫তেতিয়া সেই দুজনেও বাটত যাওঁতে কি ঘটিছিল তাৰ
বৰ্ণনা কৰি কলে~যে তেওঁ ৰুটি টুকুৰা কৰোতে তেওঁলোকে
যীচুক চিনি পালে।

### যীচুৱে শিষ্যসকলক দেখা দিয়া

*(মথি ২৮:১৬–২০; মাৰ্ক ১৬:১৪–১৮;*
*যোহন ২০:১৯–২৩, পাঁচনি কৰ্ম্ম ১:৬–৮)*

৩৬তেওঁলোক দুজনে এইবোৰ কথা বৰ্ণনা কৰি থাকোতেই
তেওঁ তেওঁলোকৰ ওচৰত স্বয়ং উপস্থিত হৈ তেওঁলোক
কলে, "তোমালোকৰ কুশল হওঁক।"

৩৭কিন্তু তেওঁলোকে ভূত দেখিছোঁ বুলি ভাবি ভয়তে
আতুৰ হল। ৩৮কিন্তু তেওঁ তেওঁলোকক কলে, "তোমালোক
কিয় ইমান ভয়াতুৰ হৈছা? তোমালোকৰ মনত কিয় সন্দেহ
হৈছে? ৩৯মোৰ হাত ভৰি চাই জ্ঞাত হোৱা। মোক চুই চোৱা,
মোৰ মাংস আৰু হাড় আছে। মোক যেনেকৈ দেখিছা
ভূতৰ তেনেকৈ হাড় মঙহ নাথাকে।"

৪০এইবুলি কৈ তেওঁ নিজৰ হাত ভৰি দেখুৱালে।
৪১তেওঁলোকৰ বিস্ময় আৰু আনন্দৰ বাবে তেওঁলোকে
তেতিয়াও বিশ্বাস কৰিব নোৱাৰা দেখি, তেওঁ তেওঁলোকক
সুধিলে, "তোমালোকৰ ওচৰত কিবা খোৱা বস্তু আছেনে?"
৪২তেওঁলোকে তেওঁক এডোখৰ ভজা মাছ দিলে। ৪৩তেওঁ
সেই মাছ ডোখৰ লৈ তেওঁলোকৰ আগতে খালে।

৪৪তেতিয়া তেওঁ তেওঁলোকক কলে, "তোমালোকৰ
লগত থাকোতেই মই এইবোৰ কথা কৈছিলোঁ। মোচিৰ
বিধানত ভাৱবাদী সকলৰ পুস্তকত আৰু গীতমালাত মোৰ
বিষয়ে লিখা সকলো কথা সিদ্ধ হব।"

৪৫তেতিয়া পবিত্ৰ শাস্ত্ৰৰ কথা বুজিবলৈ তেওঁ তেওঁলোকক
সহায় কৰি দিলে। ৪৬যীচুৱে তেওঁলোকক কলে, "এই
সকলোবোৰ লিখিত আছিল যে খ্ৰীষ্টই দুঃখ কষ্ট ভোগ
কৰি মৃত্যু বৰণ কৰিব আৰু তৃতীয় দিনা মৃত্যুৰ পৰা জী
উঠিব। ৪৭–৪৮তোমালোকে এই সকলো ঘটনা দেখিলা
আৰু তোমালোক এই সকলো ঘটনাৰ সাক্ষী আছিলা।
তোমালোক যোৱা আৰু মানুহবোৰক কোৱা যে তেওঁলোকে
মন পালটন কৰিলেহে ঈশ্বৰৰ পৰা তেওঁলোকে কৰা পাপৰ
ক্ষমা পাব। ভাৱবাদী সকলে কৈছিল যে তোমালোকে এই
সকলো বাৰ্তা খ্ৰীষ্টৰ নামত জেৰুচালেমৰ পৰা আৰম্ভ কৰি
সকলো জাতিৰ মানুহৰ মাজত ঘোষণা কৰিব লাগিব। ৪৯আৰু

মোৰ পিতৃয়ে যি অঙ্গীকাৰ কৰিছিল, তাক মই সোনকালেই
তোমালোকলৈ পঠিয়াই দিম। সেয়ে স্বৰ্গৰ পৰা শক্তি
নোপোৱালৈকে তোমালোকে এইখন নগৰতে থাকিবা।”

### যীচুৰ স্বৰ্গাৰোহন

*(মাৰ্ক ১৬:১৯–২০; পাঁচনি কৰ্ম্ম ১:৯–১১)*

৫০যীচুৱে তেওঁলোকক জেৰুচালেমৰ পৰা নগৰৰ
ওচৰলৈকে বৈথনিয়ালৈ লৈ গল। আৰু হাত তুলি
তেওঁলোকক আৰ্শীবাদ দিলে। ৫১তেওঁ তেওঁলোকক
আশীৰ্বাদ দি থাকোঁতেই তেওঁ তেওঁলোকক এৰিলে আৰু
তেওঁক স্বৰ্গলৈ তুলি নিয়া হল। ৫২তেতিয়া তেওঁলোকে
তেওঁৰ আৰাধনা কৰি অতি আনন্দৰে সৈতে জেৰুচালেমলৈ
উভতি আহিল। ৫৩আৰু সদায় মন্দিৰত ঈশ্বৰৰ ধন্যবাদ দি
সেৱা উপাসনা কৰি সময় নিয়ালে।